অসমীয়া ৰামায়ণ।

কিষ্কিন্ধ্যাকাণ্ড।

৺মাধব কন্দলি ভণিত।

শ্ৰীবিষ্ণুৰাম তালুকদাৰৰ দ্বাৰা
সংগৃহীত।

প্ৰকাশক

এজেঞ্চি কোম্পানী।

পোঃ আঃ বিহাবাৰী, আসাম।

নতুন সংস্কৰণ।

ডিব্ৰুগড়—সদাশিব যন্ত্ৰে-

শ্ৰীবংশেশ্বৰ চক্ৰবৰ্ত্তীৰ দ্বাৰা ছপা হ'ল।

১৯২৯

PLEASE DON'T
UNDERLINE, REMARK, DAMAGE OR TEAR
ANY PAGE OR PICTURE.

অসমীয়া ৰামায়ণ।

কিষ্কিন্ধ্যাকাণ্ড।

—•—

পাদ।

প্ৰণামিলোঁ ৰাম পদে ত্ৰৈলোক্যৰ নাথ।
নিশাচৰ ৰাৱণক বধিলা লঙ্কাত॥
সুগ্ৰীৱৰ হিত বধ বালীৰ মৰণ।
মাধবে ভণিলা পদ শ্ৰীৰাম চৰণ॥
ৰামায়ণ কথাক স্মৰে যিটো জনে।
পাপ মৃগ পলাই যেন সিংহ দৰশনে॥
বিজুলি ছটকে যেন অথিৰ সংসাৰ।
ৰাম স্মৰণে কোটি পুৰুষ উদ্ধাৰ॥
শুনা সভাসদ ৰাম চৰিত্ৰ উত্তম।
সমস্ত লোকৰ ইটো ধৰ্ম্ম মোক্ষত্তম॥
ইহাৰ স্মৰণে সুখে তৰিবা সংসাৰ।
জানি ৰামচন্দ্ৰৰ চৰিত্ৰ কৰা সাৰ॥

অৰণ্য কাণ্ডৰ কথা ভৈলা সমাপতি।
কিষ্কিন্ধ্যা কাণ্ডৰ কথা শুনিয়ো সম্প্ৰতি ॥
সীতাক বিচাৰ কৰি শ্ৰীৰাম লক্ষ্মণ।
ঋষ্যমুখ পৰ্ব্বতক পাইলা দুয়োজন।
শ্ৰীৰাম লক্ষ্মণ দুয়ো পৰ্ব্বতে উজান্ত।
দূৰে বসি পাঞ্চটি বানৰে দেখিলন্ত ॥
সুগ্ৰীৱ বোলন্ত শুনা বীৰ হনুমন্ত।
কৈৰবা মনুষ্য দুই খেদিয়া আসন্ত ॥
জানো বালীদদা আতি স্বভাবে কপটি।
চৰ কৰি পঠাইলা মনুষ্য দুগুটী ॥
কাৰ্য্যতে লখিলু আতি বৰ লাগে ডৰ।
শীঘ্ৰে গৈয়া পশোঁ আসা গিৰি গহ্বৰৰ ॥
এহি বুলি পলাইয়া গৈলন্ত কতোদূৰ।
পয়োভৰে মেদিনী কম্পিল যমপুৰ ॥
শৰীৰৰ বাৱলাগি ভাগে বৃক্ষডাল।
সিংহ বাঘ পলাৱয় মহিষ শৃগাল ॥
পলাই গৈয়া গহ্বৰত থাকি পঞ্চজন।
সিঠাৱতে বিমৰিষি ভাবে কটোক্ষণ ॥
সুগ্ৰীৱ বোলন্ত ওবা শুনা বায়ু সুত।
জিজ্ঞাসি চাহিয়ো হোৱে নোহে বালীদূত ॥

তেতিক্ষণে হনুমন্তে ৰাজাৰ আদেশে।
ৰাম লক্ষ্মণন্ত পাছে ব্ৰাহ্মণৰ বেশে
কৰযোড় কৰি আসন্ত ৰঙ্গমনে।
কৈৰহুই মনুষ্য ফুৰাহা কি কাৰণে ॥
সৰ্ব্বাঙ্গে সুন্দৰ একো গুণে নাহি হীন।
কিবা কোন দেৱ কিবা নৃপতিৰ চিন ॥
কাহাৰ কুমাৰ কোন কাৰ্য্যত ফুৰাহা।
কিবা হেতু দুয়ো জনে পৰ্ব্বতে উঠাহা ॥
লক্ষ্মণে বোলন্ত বৃদ্ধ শুনিয়ো ব্ৰাহ্মণ।
দশৰথ ৰাজাক জানন্তা দেৱগণ ॥
তানে শ্ৰেষ্ঠ মহৰী কৌশল্যা যাৰ নাম।
তাহানে গৰ্ভত উতপত্তি যে শ্ৰীৰাম ॥
মোৰ নাম লক্ষ্মণ কনিষ্ঠ শত্ৰু ঘন।
সুমিত্ৰাৰ গৰ্ভে আসি ভৈলোঁ উতপন ॥
শ্ৰেষ্ঠ ভাই ভৰত ভৈলহ তৎপৰ।
জানিবাহা মোক ৰাঘৱৰ অনুচৰ ॥
কেকৈ নামে নাৰী ৰূপে বিদ্যা ধৰী।
বৃদ্ধ নৃপতিৰ সিটো যুৱা পটেশ্বৰী ॥
নামত ভৰত তান কুমাৰক লাগি।
সত্য কৰাই ৰাজাত লৈলন্ত ৰাজ্য মাগি ॥

বামে বাজ্য নপাইলন্ত বিধিৰ কপটে।
বাজায়ো মবিল কেকৈৰ উদভগে ॥
জনক জীয়াৰী বাঘবৰ বিবাহিতা।
নজানো বাৱণে হৰি নিলে কোন ভিতা ॥
সীতাক খোজন্তে বাম অনেক প্রবন্ধে।
সুগ্রীৱ বাজাৰ বার্ত্তা জানাইলা কবন্ধে ॥
বানৰ বাজাত গৈয়া লয়োক শৰণ।
হেনহিত তুমি কিছু কৰায়ো ব্রাহ্মণ ॥
শুনি হনুমন্তে ধৰি আপোনাৰ বেশ।
বাঘবক প্রদক্ষিণ কৰিলা অশেষ ॥
তানে শুনি আছোঁ বাম দেবৰ কাহিণী।
সুগ্রীৱৰ দৈব বিধি মিলাইলেক আনি ॥
সুগ্রীৱৰ দূত মোক বোলে হনুমন্ত।
জানিলোঁহু নৃপতিৰ দুখ ভৈল অন্ত ॥
যিহেতু ইঠাৱে আসি আপুনি মিললা।
বানৰ কুলৰ ঘোৰ দুৰ্গতি খণ্ডিলা ॥
এহি বুলি হনুমন্তে দুয়ো ভাইক লৈয়া।
তেতিক্ষণে সুগ্রীৱত ভেন্টাইলন্ত গৈয়া ॥
দেখিয়া সুগ্রীৱ আহি উল্লসি গৈলন্ত।
দুহান্তৰো কাহিণী কহন্ত হনুমন্ত ॥

ক্ষত্ৰিয় কুলত ভৈলা শ্ৰীৰাম লক্ষ্মণ।
দুই ভাই লৈলা আসি তোমাৰ শৰণ ॥
ৰামৰ সপত্নী মাতৃ আছন্ত কেকৈই।
দশৰথ ৰাজাৰ বল্লভা মহাদই ॥
উচ্ছাদিতে নপাৰিয়া তাহান বচন।
দুইপুত্ৰ বহাবীক পঠাইলন্ত বন ॥
বিধিৰ কপটে ৰামে ৰাজ্যক নপাইল।
বনক আসিয়া সীতা ভাৰ্য্যাক হৰাইল ॥
দুৰ্গতি খণ্ডিল বিধি ভৈলা সুপ্ৰসন্ন।
ত্ৰৈলোক্য বিজয়ী ৰামে মাগন্ত শৰণ ॥
হনুমন্ত বচনে খণ্ডিল মনভয়।
অন্ধকাৰ গুছি যেন আদিত্য উদয় ॥
অগণিত ঘৃতযেন ঢালিলা অপাৰ।
আঠগুণে তেজভৈলা সুগ্ৰীব ৰাজাৰ ॥
বায়ুপুত্ৰে আমাৰ ইষ্টক সাধিলন্ত।
ৰামক আনিয়া মোক তুষ্ট কৰাইলন্ত ॥
মনুষ্য স্বৰূপে নাৰায়ণ অৱতাৰ।
অপ্ৰয়াসে পাইলো কথা শুনিয়ো আমাৰ ॥
মোৰ সিদ্ধি ভৈল সবে গুছিল দুৰ্গতি।
দশম এবায়া একাদশত বৃহস্পতি ॥

আগত অগণি জ্বালি বন্ধাইলন্ত মিত্র।
সত্য কৰিলন্ত দুয়ো অনেক বিচিত্ৰ॥
অগণিক দুয়ো প্ৰদক্ষিণ কৰিলন্ত।
আউৰে আউৰে চান্ত কৌতুকৰ নাহি অন্ত॥
চাহন্তে চাহন্তে চক্ষু নভাষয় আৰ।
মিত্ৰতা কৰন্তে দেখি আনন্দ অপাৰ॥
অনেক স্তুতি কৰি বন্ধাইলন্ত মিত্র।
সত্য কৰিলন্ত দুইয়ো অনেক বিচিত্ৰ॥
শুনি আছোঁ তোমাৰ যতেক উপক্ষিত।
হনুমন্তে সবে কথা কৰিলা বিদিত॥
ৰাজ্য এড়ি আসিলাহা আতি ঘোৰবনে।
তোমাৰ ভাৰ্য্যাক হৰি নিলেক ৰাৱণে॥
সত্য কৰি বুলিলোহু শুনিয়োক মিতা।
ত্ৰিভুবন বিচাৰিয়া আনি দিবো সীতা॥
পাতালক সেই যদি আনি দিবো বুলি।
সত্যে সত্যে ইন্দ্ৰক যুজিবো এক বেলি॥
ব্ৰহ্মা বিষ্ণু মহেশক ভুৰিবোহু পূজি।
ত্ৰিভুবন ফুৰিযা সীতাক দিবো খুজি॥
সাবধান হোৱা প্ৰভু কথা এক কহো।
কন্যা এক নেৰন্তে সবেই দেখিলোহো॥

দশ শিৰ কুড়ি বাহু মনে অবগাই।
সেহিসে সীতাক নিলে আছিলোঁহো চাই
কোলে কৰি আলগাই বায়ু পথে যাই।
ৰাম ৰাম বুলিয়া কান্দন্ত সীতা আই॥

ঝুমুৰি।

আকাশৰ পথে যান্তি। ভয়ে অাতি চমকন্তি॥
ক্রন্দন কৰিযা যান্তি। ভয়ে আতি সীতা শান্তি
ব্ৰাহ্মণক স্মৰন্তি। ৰাম ৰাম উচ্চৰন্তি॥
পৰ্ব্বতত উজাৰন্তি। মাথা গোট চপৰান্তি॥
আমাসাক দেখলন্তি। অধোমুখে নিহালন্তি॥
অলঙ্কাৰ খসাইলন্তি। আঙ্কুলত বান্ধিলন্তি॥
মাক লাগি খেপিলন্তি। বচনক বুলিলন্তি॥
মই যেবে চণ্ড শান্তি। ৰামে আক লভিৰন্তি॥
আবাৰ কৰন্তে যান্তি। শৰীৰতে লুকাৰন্তি॥
চণ্ডতেন্তে সীতা শান্তি। দেখি মন্ত্ৰ কৰিলন্তি॥

পদ।

অভিপ্ৰায় অলঙ্কাৰ দেখিলন্ত থিত।
আগতে আনিয়া তেৱে কৰোঁ উপস্থিত ॥
আছিলেক নাচিলেক জানকী সীতাত।
তুয়ো পৰিচয় দেখি আপুনি সাক্ষাত ॥
ৰাঘৱে বোলন্ত শুনা বচন আমাৰ।
প্ৰাণত অধিক মোৰ তুমি মিত্ৰ সাৰ ॥
কৰিয়োক হৃদয়ত সন্তোষ বিস্তৰ।
মই চক্ষু দেখোঁহু বাঞ্ছৈৰ অলঙ্কাৰ ॥
অলঙ্কাৰ আগত সুগ্ৰীৱ আনি দিলা।
দুইহাত মেলি ৰামে হৃদয়ত লৈলা ॥
হা প্ৰাণেশ্বৰী বুলি কান্দি মূৰ্চ্ছা গৈলা।
ভূমিত পৰিয়া প্ৰভু অচেতন ভৈলা ॥
ক্ষণেক চেতন পাই ত্ৰৈলোক্যৰ নাথ।
হা সীতা বুলি মুঠি হানন্ত হিয়াত ॥
বিহা কৰি আনিলোহু আতি অভি যোগ।
তোক মোক বঞ্চিলেক অযোধ্যাৰ ভোগে ॥
নেত্ৰক মেলিয়া এক দিশক নচাইলো।
পিয়াসে পীড়িলা জল খুজিয়া নপাইলো ॥

হা কৈকে গৈলেন্ত মোৰ মনমোহা নাৰী ॥
দশৰথ নৃপতিৰ প্ৰথম বহাৰী ॥
এহি অলঙ্কাৰে আছিলাহা মোৰ পাশে।
দুৰ্জ্জন ৰাৱণে হৰি নিলেক আকাশে ॥
এহি বুলি অলঙ্কাৰ হৃদয়ে ধৰিলা।
অতি আৰ্ত্তৰাৱে ৰামে ক্ৰন্দন কৰিলা ॥
ৰামৰ বিলাপ দেখি লক্ষ্মণ সুগ্ৰীৱ।
অশেষ সন্তাপে মুৰ্চ্ছি হানিলন্ত হিয় ॥
বানৰৰ ৰাজা পাছে কৰিলা আশ্বাস।
শোকে কিছু নসাধয় নুহিবা হতাশ ॥
সন্ধুক্ষণ ভৈলা পাছে ত্ৰৈলোক্যৰ নাহ।
শোকে দুখে অগনি শৰীৰ কৰে দাহ ॥
সহিবে নোৱাৰোঁ ক্ৰোধ নুহিবা যে ত্ৰাস।
সীতাক আনিয়া লাগে তাক নুমাইবাক ॥

—•—

ঝুমুৰি।

ধনু ধৰি তলিবোহু। পৃথিবীক কৰিবোহু ॥
অনন্তক আনিবোহু। নাগ লোক থানিবোহু ॥

ৰিপু গণ মাৰিবোহু।	অসুৰক দাড়িবোহু ॥
ভৈৰবক ভুখিবোহু	সাগৰক শুখিবোহু ॥
বীৰত্বক প্ৰকাশিবো।	ত্ৰৈলোক্যক বিনাশিবোঁ।
শৰে শৰে থাসিবোহু।	সাগৰক শুষিবোহু ॥
ত্ৰিদশক ৰক্ষিবোঁহু।	আনন্দেৰ সক্ষিবোঁহু ॥
আজি কীৰিতিক নিবো।	সবাকো যশক দিবোঁ। ॥

— ০ —

পদ।

সুগ্ৰীৱ বোলন্ত মিত্ৰ মোৰ বোল কৰা।
বীৰত্বক সাফলিয়া পুৰুষক ধৰা ॥
মোহোৰ বচনে তুমি শোক পৰিহৰা।
বালীবধ কৰি মোৰ শোকক উদ্ধাৰা ॥
শ্ৰীৰামে বোলন্ত মোৰ শৰীৰে নসহে।
হৰিল চেতন জ্ঞান সীতাৰ বিৰহে ॥
সঘনে নিশ্বাস বহে ভাৰ্য্যাৰ বিৰহে।
তোমাৰ শোকক দেখি মোৰ হৃদি দহে ॥
উভয় প্ৰকাৰে আৰু মনৰ বিকল।
পাছে আৰু তোমাৰ দুখৰ কহো কল ॥

কি কাৰণে কন্দল কৰিলা দুই ভাই।
বনবাস খাটা কিক ভাৰ্য্যা হৰুৱাই॥
আপদে গ্ৰসিলে ভাৰ্য্যা হৰাইলা কিক।
শুনি পাছে বধিবোহু দুৰ্জ্জয় বালীক॥
পাছে সে কৰিবা তুমি মোৰ প্ৰতিকাৰ।
মা'ৰলে জানিবা কিবা বৈৰক তোমাৰ॥
ত্ৰৈলোক্য বিজয় আছে একপাট শৰ।
নকৰিবা তুমি বালী বানৰক ডৰ॥
সুগ্ৰীৱ বোলন্ত প্ৰভু শুনা ৰাম দেৱ।
মোৰ বালী দদাক সমৰে নাৰে কেৱ॥
আদিত্য উদয় হন্তে ছাড়ি যাই পুৰি।
দণ্ডেকে আসয় চাৰি সাগৰক ঘূৰি॥
গাৱ ঢালিবাক দদাৰ যেবে মন।
হাস্ফালিয়া পৰ্ব্বত উপাৰি কৰে ছন্ন॥
শিখৰ ভাঙ্গিয়া হাতে খেলাৱয় ধোপ।
ত্ৰিদশে কম্পয় দেখি বালীৰ আটোপ॥
আৱৰ কাহিণী কহু শুনা প্ৰভু ৰাম।
অসুৰেক আছিল দন্দুভি তাৰ নাম॥
তিনিও লোকত বৰ মুনিস প্ৰধান।
সাগৰত গৈয়া মাগিলেক যুদ্ধদান॥

অসুৰক সম্বুধিয়া মাতন্ত সাগৰ।
হাউবে অসুৰ তোক মুহু সম সৰ॥
হেমন্ত পৰ্ব্বত আছে তাত প্ৰতিৰণ।
ৰণক হৰিষে আসে তাক লাগি চন॥
শীঘ্ৰে আণ্টাইলেক হেমৱন্ত পৰ্ব্বতক।
দৰ্পে বুলিবাক লৈলা অসুৰ লটক॥
শুনি গিৰিৰাজা মহাদেৱৰ শ্বশুৰ।
মোকৰণ দিয়া তই চল যমপুৰ॥
হেমন্তে বোলন্ত মই তোক মুহু সম।
কিষ্কিন্ধ্যাৰ বালী ৰাজা তোৰ হৈব যম॥
যেবে পুনু মৰিবাক তোৰ আছে মন।
ঝাণ্ট কৰি তাৰ গৈয়া ভাঙ্গ মধুবন॥
দুৰ্ব্বাৰ অসুৰ সিটো বৰ ৰণ লুভি।
কিষ্কিন্ধ্যাক লাগি বেগে চলিলা দুন্দুভি॥
মহিষৰ ৰূপ ধৰি আসিলা দুৰ্ব্বাৰ।
ৰণক হৰিষে মাতে আটোপ টঙ্কাৰ॥
অগনি সমান ফুৰাৱয় দুই আঁখি।
শৃঙ্গ আগে পাৰিয়া উভৰাৱে মাটি॥
মেঘ খণ্ড খণ্ড হৱে পাইয়া লাঙ্গু ছাটি।
খুৰাৰ প্ৰহাৰে সবে পৃথ্বী যাই ফাটি॥

ধন মসি লগাইলেক পশি মধুবন।
খাইয়া দাইয়া বিধ্বংসিয়া কৰিলেক ছন্ন ॥
দৱাৰৰ পাট লাথি মাৰিয়া ভাঙ্গিলা।
দ্বাৰীক মাৰিয়া ঘোৰ আটাসেক দিলা ॥
নিৰন্তৰে বানৰাৰ কৰ্ণে তাল দিল।
লাগিল চমক বোলে নিৰ্ঘাত পৰিল ॥
অহঙ্কাৰ কৰিয়া দুন্দুভি পাৰে গালি।
শুনি নসহিয়া বাজ ভৈলা বীৰ বালি ॥
হস্তিক লাগিযা যেন সিংহে খেদি গৈলা।
তাৰা আদি পাটেশ্বৰী লগে চলি আইলা ॥
কুসুম চন্দনে অলঙ্কাৰে দেহা ভৰি।
চোপাশে যোগাৱে ছত্ৰ চামৰক ধৰি ॥
সমৰ ভূমিত বালী দেখিলন্ত পাছে।
পৰ্ব্বত সমান চণ্ড মহিষেক আছে ॥
অসুৰক বালীৰাজা মাতিলা সম্বোধি।
জঙ্কাই মোক যমপুৰ গৈলি মন্দ বুধি ॥
কালে তোক পাইলে মধুবন বিনাশিলে।
বালিক নিচিনি বেটা গৰ্ব্বতে নাশিলে ॥
ক্ষুদ্ৰ মৃগ হৈয়া মত্ত সিংহক জঙ্কাইলে।
বিপাঙ্গে মৰিলা তুমি দেখিতে নপাইলে ॥

দুন্দুভি বোলয় ওৰে শুন বালি ৰাই।
স্ত্রীৰ আগত কেনে মাৰ মিছা টাই ॥
মোৰ হাতে মৰিবি ৰাখন্তা নাহি কেৱ।
সত্বৰে স্মৰ যেবে আছে ইষ্টদেৱ ॥
লুকাই বালী নাও আজি মোৰ নাও চাটে।
মই ৰাজা হও আজি এই দণ্ডপাটে ॥
পাঞ্জৰ ফুৰিযা মাৰোঁ সিংহৰ আছাড়ে।
শিৰখুলি মাৰোঁ নুহি লাথিৰ প্রহাৰে ॥
হাসি বালীবোলে সিংহে বিন্ধি এৰ মোক
মুঠিৰ প্রহাৰে যমপুৰে নিবো তোক ॥
শুনিযা দুন্দুভি দিয়া বৈসাইলেক ডাটি ॥
বোম্বানে শোনিত বাজ ভৈলা হিয়া ফাটি।
বালীও বৈসাইলা মুষ্টি ছোট বৰ পাই ॥
কপাল ফুটিয়া ঢাকি ৰুধিৰ বজাই ॥
ক্রোধিল অসুৰ ঘোৰ লভিয়া প্রহাৰ।
গৰ্জ্জি খেদি যাই যেন মেঘ বাৰিষাৰ ॥
নির্ঘাত পৰিল যেন আটাস তেজিল।
বায়ু বেগে বালী ৰাইৰ সমীপ চাপিল ॥
দুন্দুভি আসিল খেদি দেখি বীৰ বালী।
জাম্প দিয়া তেখনে ধৰিলা আকোৱালি ॥

বজ্রৰ সদৃশ লাগি গৈলা জৰাজৰি।
মহিষে বানৰে পৃথিবীত গৰাগৰি ॥
বানৰক মহিষে আছাড়ে শিঙ্গে তুলি।
দুন্দুভিক নখে বালী পেল্লাৱন্ত ফালি ॥
মহাঘোৰ নাদে দুয়ো দুইহাঙ্ক গৰ্জ্জন্ত।
পৃথিবী কম্পিয়া গৈলা পাতাল পৰ্য্যন্ত ॥
বন্ধ চন্ধ বিবন্ধ লাগিল যত যত।
প্ৰহাৰিবে সম্বৰিতে দুইহান্তো শকত ॥
থিয় লাঞ্জ কৰি দুয়ো খেলনা কৰন্ত।
সবে দেবগণ ধৰ্ম্ম ধৰ্ম্ম সুমৰন্ত ॥
ত্ৰিদশক দেখি ক্ৰোধ কৰিলা দুন্দুভি।
হানিবাক মনে গৈল দুই সিংহ উভি ॥
তবধনয়নে ফোকাৰয় আতি ৰাগী।
উশাস লাগিয়া বৃক্ষসব যাই ভাগি ॥
দুই শিঙ্গ জ্বলে যেন সনাৰ ত্ৰিশূল।
ত্ৰিদশে বোলন্ত ভৈল বালীৰ নিৰ্ম্মূল ॥
সকল বানৰ বল ভৈগৈল বিভঙ্গ।
ইন্দ্ৰপুত্ৰ বালীৰ নাহিকে যে ভ্ৰুভঙ্গ ॥
লীলায়ে বানৰ ৰাজা গাৱ চালিলন্ত।
শিঙ্গত ধৰিয়া তাক টানিয়া নিলন্ত ॥

ৰিপু কুল মৰ্দ্দন দুৰ্জ্জয় বীৰ বালী।
আপোন শৰীৰে ক্ষান্তি পেহ্লাইলা নিটালি ॥
দুই হাতে ধৰিতাক তুলি আলগাইলা।
বাম পাৱে লাথি হানি ক্ষেপিয়া পঠাইলা ॥
প্ৰহৰেক পথ গৈয়া পৰিল উফৰি
ঋষ্যমুখ পৰ্ব্বতৰ কতো দূৰ জুড়ি ॥
আছন্ত মাৰ্কণ্ড ঋষি অগনিৰ সম।
সেহি পৰ্ব্বতত তান আছয় আশ্ৰম ॥
ধ্যান কৰি আছে ঋষি হৃষিকেসে চিন্তে।
সকল শৰীৰ তান তিতিলা শোণিতে ॥
ঋষিয়ে বোলন্ত কোনে পাপক চিন্তিল।
সকল শৰীৰে মোৰ শোণিতে তিতিল ॥
অসুৰ ক্ষেপিয়া কোনে চিন্তিলেক মন্দ।
ঋষ্যমুখ হন্তে তাৰ পৰিবেক স্কন্ধ ॥
এহি বুলি তৈৰ পৰা চালিলন্ত গাৱ।
জলত নামিয়া পখালিল হাত পাৱ ॥
বিষ্ণুক সুমৰি মন্ত্ৰ জপিলা মনত।
আসন ভিৰিয়া পুনু বসিলা ধ্যানত ॥
খেদি নাসে বালী দদা সেহিসে কাৰণে।
পলাই পাক বানৰ আছোঁ এহিথানে ॥

আৰৰ কাহিণী কহো শুনিয়ো শ্ৰীৰাম।
দুন্দুভিৰ শ্ৰেষ্ঠ ভাই মায়াৱন্ত নাম॥
ভাতৃ শোকে সিও আসি মাগিলেক ৰণ।
দুই ভাই সাজি নিকলিলোঁ তেতিক্ষণ॥
বানৰৰ ৰাজা বালী বীৰত্বে প্ৰধান।
পাছতে চলিলোঁ মই পৰ্ব্বত সমান॥
দুই ভাইক দেখি সিটো অসুৰ ডৰিল।
মহা বেগে পৰ্ব্বতৰ গহ্বৰে পশিল॥
চন্দ্ৰাৱলি ৰজনী দেখিয়া বহু দূৰ।
দেখিলা গৰ্ত্তৰ মাজে পশিলা অসুৰ॥
দদা মোক বোলে তই থাক ইথানত।
যাৱে নাসোঁ মই অসুৰক কৰিহত॥
কৰিলোঁ কাৰ্পূণ্য মই চৰণত ধৰি।
জীৱন মৰণ জানিবোহো কেন কৰি॥
বালী বোলে গৰ্ত্ত ভৰি দুগ্ধ হৱে বাজ।
নিশ্চয়ে জানিবি মৰিবোহু বালী ৰাজ॥
নতুবা বিবৰে ৰাক্ত হৱে তেজ চয়।
অসুৰক মাৰিলোঁ মোহোৰ ভৈলা জয়॥
মাৰিবোঁ অসুৰ কিছু নকৰিবি ভয়।
তথাপিতো মোৰ মনে সুগুছে শংসয়॥

নিঃশেষ বচন পুন্ন বুলিলো বিস্তৰ।
হিত বোল মুশুনিয়া পশিল ভিতৰ ॥
দ্বাৰ ৰাখি আছিলোহু পঞ্চদশ মাস।
দদাৰ তেজিলো মই জীৱণৰ আশ ॥
বজ্ৰাইল শোণিত দুগ্ধ গৰ্ত্ত গোট ভৰি।
নিশ্চয় জানিলোঁ মোৰ দদা গৈল মৰি ॥
গৰ্ত্তৰ ভিতৰে বৰ আৰাব শুনিলোঁ।
শিলা গোট দিয়া ভয়ে দুৱাৰ মাৰিলোঁ ॥
আসি লৈলো পৰকালে কিষ্কিন্ধ্যা নগৰ।
দেখি ৰঙ্গ ভৈলা মোক সমস্ত লোকৰ ॥
মৰিলেক বালী জিজ্ঞাসিলা পাত্ৰলোক।
সেহি দণ্ড পাটে ৰাজ জোকাৰিল মোক ॥
সমস্ত দেশৰ যত ভালুক বানৰ।
মোতে সবে আসি সেৱা কৰে নিৰন্তৰ ॥
প্ৰকাশয় আতি সিংহাসন মাণিকৰ।
তাতে বসি ভোগ কৰোঁ যেন পুৰন্দৰ ॥
কত কাল সুখে আছোঁ ৰাজ্য প্ৰতিপালি।
আসিলন্ত অসুৰ মাৰিয়া বীৰ বালী ॥
মই ৰাজা ভৈলো দেখি বিহবিল তিন্ত।
ক্ৰোধিলেক আগনিত যেন দিল ঘৃত ॥

পাত্ৰগণ সমে কৰি চৰণে ধৰিলোঁ।
প্ৰণতি পূৰ্ব্বকে মই প্ৰণাম কৰিলোঁ॥
পিতৃ সম জ্যেষ্ঠ ভাই প্ৰাণত অধিক।
আসিলা কুশলে এড়াইলোহু দুৰ্গতিক॥
আসিলাহা তুমি মোৰ গুচিল অপাই।
ৰাজ্য ছাড়ি দণ্ড পাট দিলো সমুদাই॥
পঞ্চ দশ মাস দ্বাৰে ৰাখিয়া আছিলোঁ।
গৰ্ত্ত ভৰি তেজ পূঁজ বজাল দেখিলোঁ॥
ভয়ে শিলা গোট গৰ্ত্তৰ দ্বাৰ ঘুৰি।
শোকে কান্দি কাতি আসি ভৈলো নিজ পুৰি॥
পাঞ্চ পাত্ৰ মেল সবে কাৰ্য্য আলোচিল।
অৰাজ্যক ভয়ে মোক ৰাজা জোকাৰিল॥
তথাপি কৰিলোঁ দোষ দদা ক্ষমাকৰ।
চৰণত ধৰি স্তুতি কৰিলোঁ বিস্তৰ॥
ক্ৰোধে তথাপিতো মোক নেদিলা উত্তৰ।
স্বভাবত ক্ৰুৰ জাতি দাৰুণ বানৰ॥
শান্ত কৰিবাক পাৰি সজ্জনৰ মন।
ভাগিলে গৰিবে পাৰি সুবৰ্ণ বাচন॥
দুৰ্জ্জনৰ মন শান্ত কৰণ নযাই।
মৃত্তিকাৰ পাত্ৰে গঢ় নলৰৈ জুনাই॥

মহা ক্রোধে বালী ৰাজা পাতিলা সমাজ।
পাত্ৰক সম্মুখি কহিবাক লৈলা কাজ ॥
আমাৰ কথাক শুনিয়োক সৰ্ব্বলোক।
দোষ গুণ বিচাৰিয়া গৰিহিবা মোক ॥
অসুৰক মাৰিবাক দুইয়ো ভাই গৈলো।
বিড়লে পশিলোঁ আক দুৱাৰত থৈলোঁ।
ভয়ঙ্কৰ শিলা গোট দুৱাৰত দিয়া।
সুখে ৰাজ্য কৰে ভ্ৰাতৃ বন্ধু সম্বৰিয়া ॥
বল কটালিয়া আসি লৈলোঁ ৰাজ্যভাৰ।
ভ্ৰাতৃ ঋষ্য মুখ গৈল সোদৰ আমাৰ ॥
দুৰ মন্দ বুদ্ধি দুষ্ট সোদৰ পাপিষ্ঠ।
প্ৰাণে মাৰি হুইবোহু সোদৰবধি নিষ্ট ॥
শুনিয়োক ৰামচন্দ্ৰ তুমি মহা মিত্ৰ।
আমাৰ দুখৰ কথা অনেক বিচিত্ৰ ॥
দেশৰ ডাকিলে একেখানি বস্ত্ৰদিয়া।
ৰাজ্যভোগ কৰে মোৰ ভাৰ্য্যা সম্বৰিয়া ॥
দুখভুঞ্জি কটো দিন কৰোঁ বনে বন।
তথাপি বালীৰ মোক নুহি শান্ত মন ॥
বিমৰিষি মোৰ যুজিবাক ভৈলা মন।
দ্বীপ দ্বীপান্তৰ জড়ালোহু কপি গণ ॥

শ্ৰেষ্ঠ ভাইক যুঁজিলোহু প্ৰাণৰ কাতৰে।
ত্ৰিভুবন লোক কাম্পে দুইৰো পয়োভৰে
চৰৰ চম্পট কিল লাথিৰ প্ৰহাৰ।
দান্তে নখে আঙ্কুৰিয়া কৰিলা প্ৰহাৰ॥
তেজে তল বল ভৈলা দুইখানো শৰীৰ।
মোত কৰি অধিক বলন্ত বালী বীৰ॥
মৰণ শঙ্কট মোৰ মিলি গৈলা বৰ।
মৰ্ম্মস্থল চাই মই বৈসালোঁ চাপৰ॥
মূৰ্চ্ছা গৈলে বালী দেখি মনত গুণিলোঁ।
ঋষ্যমূখ পৰ্ব্বতক ভিৰে লড় দিলোঁ॥
ঋষি শাপে বালীৰ মোহোৰ হিত ভৈলা।
খেদিধৰি নপাই মোক কিষ্কিন্ধ্যাক গৈলা
দুই ভাই কন্দল কৰিলোঁ যি কাৰেণে।
কহিলোঁ সকল কথা তোমাৰ চৰণে॥
এবে তযু পাৱে প্ৰভু পশিলোঁ শৰণ।
তোমাৰ ভকতি দেব দুৰ্গতি তৰণ॥
এবে তযু বলৰ কটাল যেবে পাওঁ।
মাৰিবাহা বালীক যে তেবে পতিয়াওঁ॥
পৰ্ব্বত আকাৰ দুন্দুভিক লাথি হানি।
এক যোজনৰ পথ পেলাইলেক আনি॥

তুমি লাথি মাৰিয়া পেলাইতে পাৰা তাক।
তেবে জানো পাৰিবা বালীক মাৰিবাক ॥
সুগ্রীৱৰ বাণী শুনি ৰাঘৱে হাস্কুলি।
দুন্দুভিৰ শৰীৰক বাম পাৱে তুলি ॥
বৃদ্ধ আঙ্গুলীয়ে তাক আছাড়ি পেল্লাইল।
দেখি পাছ বানৰ কৌতুকে ৰব পাইল ॥
পৰিলেক গৈয়া সত যোজনৰ পথ।
সুগ্রীৱ বোলন্ত সুপুৰিল মনোৰথ ॥
হেন মতে বল কটালিবেক নপাৰি।
অসুৰক বালী ৰাজা তেতিক্ষণে মাৰি ॥
মাংস ও শোণিত গাৱে সমস্তে আছিল।
লাথি হানি প্ৰহৰৰ পথক ক্ষেপিল ॥
জঙ্ঘা মাত্ৰ আছে ইটো অস্থি পুঞ্জসাৰ।
তাক নিক্ষেপিলা নাহি প্ৰত্যয় আমাৰ ॥
দেখা মাত্ৰ গাছ তাল আছে বক্ৰভাৱে।
ভিনি গাছ ভেদে দদা একশৰ ঘাৱে ॥
সাত তাল ভেদা যদি তুমি একে বাৰে।
তেবেসে সংশয় গুছে মনৰ আমাৰে ॥
আনন্দ দিয়োক তযু প্ৰমাণক পাওঁ ॥
বালীক মাৰিবা প্ৰভু তেবে পতিয়াওঁ ॥

ৰাঘৱে বোলন্ত সাত তাল গাছ সৰে ॥
বক্র ভাৱে আছে অর্দ্ধ চন্দ্রৰ আঁকাৰে ॥
কচু যেন ভেদোঁ এক শৰৰ প্রহাৰে।
গুচাইবো মনৰ যিবা সন্দেহ তোমাৰে ॥
আগে দেৱ গুৰুক কৰিয়া নমস্কাৰ।
ধনু তুলি ধৰিলন্ত যেন বজ্র সাৰ ॥
আজুৰিল ধনুক কর্ণমান টানিল ।
শ্রীমুখ বাণ আনি গুণত জৰিল ॥
বাম পাৱ আগ কৰি দক্ষিণক পাছ ।
একে প্রহাৰতে ভেদিলন্ত সাত গাছ ॥
এক দুই তিনি চাৰি পাঞ্চ ছয় সাত।
প্রত্যেকতে অগনি নিকলে যাত যাত ॥
ইষত কটাক্ষে ৰাম ভেদিলেক তাল।
বৃক্ষক ভেদিয়া সৰ ভেদিল পাতাল ॥
সাগৰত স্নানি পুনু পশিল টুণত ।
সচকিত ভৈল পাছে পাঞ্চৰ মনত ॥
একোয়ে নজানোঁ আমি বলৰ তৰল।
প্রাণৰ কাতৰে কটালিলো তযু বল ॥
জিনিবাক পাৰা তুমি জিনিয়ো লোকক।
আৰে কি কৰিবো গোঁসাই আদেশিয়ো মোক ॥

শ্ৰীৰামে বোলন্ত মিত্ৰ চিনিলা আমাক।
সত্বৰে চলিয়োঁ আবে সিটো কিষ্কিন্ধ্যাক ॥
এক পাত শৰে বালীক যে বধ কৰো।
ধিক পাছে বীৰত্ব যদি দুই পাত ধৰোঁ ॥
দশৰথ পুত্ৰ দুই পাঞ্চতি বানৰে।
কিষ্কিন্ধ্যাক লাগি বাজ ভৈল চপকৰে ॥
পাঞ্চ কপি বীৰ সমে শ্ৰীৰাম লক্ষ্মণে।
কতদুৰে থাকিলন্ত আৰ হুয়া বনে ॥
পুত্ৰৰ বধ শুনি সূৰ্য্যে ৰঙ্গ পাইল।
দেব যোগ্য অলঙ্কাৰে ক্ষেপিয়া পঠাইল ॥
চিকি মিকি কৰয় উত্তম হেম মালা।
সুগ্ৰীৱৰ মাথাত পৰিয়া জ্বলে কালা ॥
মালাৰ প্ৰতাপে আতি সুগ্ৰীৱ জ্বলন্ত।
হেন দেখি তাঙ্ক ৰামচন্দ্ৰে বুলিলন্ত ॥
শুনিও সুগ্ৰীৱ মিত্ৰ গুছিল প্ৰমাদ।
মিলিল মঙ্গল পাইলা সূৰ্য্যৰ প্ৰসাদ ॥
আউৰ কিবা চাহা সখি ভৈলা সুপ্ৰসন্ন।
বালি বধিবাক শীঘ্ৰে কৰিয়ো যতন ॥
বালীৰ তোলা আতঙ্ক কৰিয়া গৰ্জ্জন।
তিৰী চোৰ পাপিষ্ঠক মাৰোঁ এতিক্ষণ ॥

সুগ্ৰীৱ ছলিলা ৰঙ্গে ভয় পৰিহৰি।
থাকিলন্ত ৰামচন্দ্ৰ হাতে ধনু ধৰি॥
কিষ্কিন্ধ্যাৰ দ্বাৰে গৈয়া লাগিল গৰ্জ্জিতে।
কিছু কিছু লাগি গৈলা বানৰ পুৰিতে॥
সুগ্ৰীৱৰ আতিশয় শুনি সিংহ নাদ।
স্বৰ্গ ফাটি গৈল বুলি দেৱৰ বিষাদ॥
খণ্ড খণ্ড ভৈলা মেঘ মহা কোলা হলি।
সুগ্ৰীৱৰ বাণী শুনি ক্ৰোধি গৈলা বালী॥
ত্বৰিতে বজাইলা বীৰে ওৱাৰিক ছাড়ি।
সূৰ্য্যৰ উদয় যেন মেঘগণ ফাৰি॥
ৰণক সম্মুখ ভৈল প্ৰাণক নাচাই।
প্ৰমাণত দেখিয়া পৰ্ব্বত সম দুই॥
আতি ক্ৰোধ নয়নে মাতয় বীৰ বালী।
সুখে ৰাজ্য ভুঞ্জো তোক দেশৰ নিকালি॥
তোহোক মাৰিলে দুষ্ট খণ্ডিবেক শাল।
ৰাখন্তা নাহিকে তোক দশ দিগ পাল॥
ইন্দ্ৰ চন্দ্ৰ বৰুণ কুবেৰ হৈবা সাক্ষী।
সুগ্ৰীৱ ভয়াই হেৰা খাইলে দুই আঁখি॥
মই যাক খুজিবো হাততে আসি মিলে।
পাপিষ্ঠক মাৰো আজি চৰৰ লাথি কিলে॥

সুগ্রীব বোলন্ত দাদা এবা দন্ত দর্প।
জানিবাহা মইসে তোমাৰ কাল সর্প॥
আজি যেবে জীয়া দর্প কৰিবাহা পাছে।
জানিবাহা নিশ্চয় বৰ চৰৰ আছে॥
অনা অপৰাধে মোক ডাকিলা দেশৰ।
ভ্ৰাতৃ বধূ হৰি পাপ সঞ্চিলা দুৰ্ঘোৰ॥
মিছাত আসিয়া মোক গৰ্জ্জিলাহা তোৰা।
জিহ্বা খান মেলি চাহা কলিয়া কি গৰা॥
আন কথা এড়ি জাণ্টে যুদ্ধক আৰম্ভা।
এক ভাগ সঙ্কা মাত্ৰ দশ ভাগ লম্ভা॥
মোক মাৰিবাহা তুমি কোনে পতিয়াব।
তৃণৰ কি অগনিয়ে সাগৰ সুখাইব॥
নেত্ৰ ফুৰাই মাতিলন্ত ৰাজ বীৰবালী।
এবে তোৰ মুখৰ বজাইল বৰ গালি॥
অসমর্থ প্ৰাণীৰ বচন চাতুৰালি।
সিংহৰ আগত যেন শৃগালৰ টালি॥
মোৰ পাটে ৰাজা হৈলে নমাৰিব ডৰে।
আৰ কত সহিবো দুষ্টৰ পৰাভৱে॥
এহি বুলি শাল বৃক্ষ উভাৰি আনিলা।
আমৰ বুলিয়া সুগ্ৰীৱক প্ৰহাৰিল॥

সুগ্ৰীৱে দেখন্ত বৃক্ষ চাপিলন্ত শাল।
বাহুত চাপৰ দিয়া কৰিলা হাস্কল ॥
কটাক্ষ নয়নে চাহিলন্ত আগ পাছ।
মুষ্টিৰ প্ৰহাৰে ভাঙ্গিলন্ত শাল গাছ ॥
বৃক্ষ ভাঙ্গি সুগ্ৰীৱ কৰন্ত আস্ফাল।
শীঘ্ৰ বেগে সুগ্ৰীৱ আনিল দুই শাল ॥
দণ্ড দুইৰ পথ যানে বৃক্ষ চলি যাই।
সমৰত পৰি বালী ৰাজা আছে চাই ॥
দেখিলেক বালি বৃক্ষ ক্ষেপিলে আমাক।
অদভুত বৃক্ষ দুই হানিলন্ত তাক ॥
চাৰি বৃক্ষ একে ঠাই পৰি ভৈলা চূৰ।
অগনি কণিকা নিকলিল বহু দূৰ ॥
ৰাঘৱে বোলন্ত বাপু শুনিয়ো লথাই।
অদভুত সমৰ কৰন্ত দুই ভাই ॥
হেন ৰণ নতু দেখু পৃথিবী ভিতৰে।
কৌতুক লভিয়া বালী মাৰোঁ একেশৰে ॥
ব্ৰহ্মা বিষ্ণু মহেশ্বৰ দেব পুৰন্দৰ।
অশ্বিনী কুমাৰ আৰ জয়ন্ত কুমাৰ ॥
যমদগ্নি কুবেৰ বৰুণ শশধৰ।
স্বকী স্বকি স্থানে ছড়ি চাহন্ত সমৰ ॥

নিজ ৰথে সূৰ্য্য যুদ্ধ চাহন্ত প্ৰবন্ধে।
বাসবে চাহন্ত যুদ্ধ ঐৰাবত স্কন্ধে।
ইন্দ্ৰদেৱে দেখিলন্ত সুগ্ৰীৱৰ গলে।
সূৰ্য্য দিলা দিব্য মালা আতিশয় জ্বলে॥
বালীক দিলন্ত ইন্দ্ৰদেৱ দিব্য মালা।
তাক পাই বালীৰ জ্বলয় আতি কালা॥
সূৰ্য্যৰ বীৰ্য্যত সুগ্ৰীৱৰ উতপত্তি।
বালীৰাজা ভৈলা ইন্দ্ৰৰ দেৱৰ সন্ততি॥
দেৱবীৰ্য্যে জাত দুইহন্ত দিব্য কায়া।
চিনন নযাই যেন দৰ্পণৰ ছায়া।
সূৰ্য্যৰ লগত যত দেৱতা আছয়।
সুগ্ৰীৱ জীলন্ত বুলি কৰে জয় জয়॥
বাসৱৰ লগে দেৱ আছে যত যত।
বালী জীলন্ত বুলি বাঞ্চয় মনত॥
দেৱতাৰ আশীৰ্ব্বাদে দুইহানো উল্লাস।
দুইয়ো দিব্য মালা পিন্ধি কৰন্ত প্ৰকাশ॥
অৱসান ভৈলা যেবে ব্ৰহ্মাৰ সমৰ।
তৰু বন ছন্ন ভৈলা কতো প্ৰদেশৰ॥
লাঙ্গে মেঢ়াই পৰ্ব্বতক উভাৰি আনিল।
সুগ্ৰীৱক লাগি বীৰ বালীয়ে হানিল॥

শক্ৰক দলিলোঁ বুলি ক্ষেপিল পৰ্ব্বত।
সুগ্ৰীৱ দেখন্ত গিৰি আসয় পথন্ত ॥
লাঙ্গে মেঢ়াই ধৰিলন্ত মাতঙ্গৰ লীলা।
সুগ্ৰীৱ ধৰিলা ৰঙ্গে গিৰি শৃঙ্গ শিলা ॥
শিখৰে শিখৰে পৰি উফুৰিয়া ঘাই।
শৰীৰত পৰি গৈয়া অগনি বজাই ॥
দেব বীৰ্য্য কলেবৰ বজ্ৰেসে সাক্ষাত।
পৰ্ব্বতে পৰিয়া কি কৰিব তাসঘাত ॥
দেখিলন্ত সুগ্ৰীৱ পৰ্ব্বত গোট আছে।
এক প্ৰহৰৰ পথ যুড়ি আগে পাছে
আধ প্ৰহৰৰ পথ হৰয় চৰাৰে।
লাথি হানি সুগ্ৰীৱে ভাঙ্গিলা বাম পাৱে ॥
সুগ্ৰীৱ পৰ্ব্বত গোট হানিলন্ত বলে।
মন পবনৰ বেগে গিৰি গোট চলে ॥
তেহুয় দুইগুণ বালী পৰ্ব্বতক পাই।
লাঙ্গে মেঢ়াই প্ৰহাৰিলা সুগ্ৰীৱক চাই ॥
পৰ্ব্বতে পৰ্ব্বতে ভৈলা আকাশে আন্দোল।
অগনি কণিকা উঠি গৈলা স্বৰ্গ কোণ ॥
ত্ৰিভুবনে লাগি গৈলা অদ্ভুত শবদ।
নৰ নাগ দেবগণ ভৈ গৈলা স্তবধ ॥

ভাগি আসি পৰিলা শবদ ভৈলা দুই।
আউৰে থাকিলন্ত যে সচিকত হুই ॥
ঠিয় লাঙ্গ কৰিলাগি গৈল হিঞ্চ হিঞ্চি।
বাহু ভাঙ্কি মাৰিয়া আন্দোল কিচা কিচি ॥
থাক থাক মাৰো বুলি উঠিলিল ৰোল।
দুইভাই দুইহাক্কো ধৰিলা কোলা-কোল ॥
দুইভাই যুদ্ধ কৰে একপিণ্ড হুই।
প্ৰমাণত দেখিয়া পৰ্ব্বত যেন দুই ॥
যেহেন দিগ্‌গজ দুই পৰ্ব্বত দেখয়।
টল বল বসুমতী বাসুকী কাম্পয় ॥
কল্যাশে চকিত আতি ভৈলন্ত ঈশ্বাণ।
সাগৰত ঢউ ভৈলা পৰ্ব্বত সমান ॥
মেৰুৰ শিখৰে ফুটি নিৰ্কলিলা জল।
দুই ভাইৰ আন্দোলে মেদিণী যাই তল ॥
পাতালত হুল স্থূল ভৈলা নাগ গণ।
ঘনে ঘনে কম্পি গৈলা অনন্তৰ ফেণ ॥
দেবাসুৰ মনুষ্য গন্ধৰ্ব্ব বিদ্যাধৰ।
চমৎকাৰে থাকি গৈলা ভুবন ভিতৰ ॥
তবধ নয়নে ভৈলা মনন্ত বিস্ময়।
কি কাৰণে ভৈলা আসি অকালে প্ৰলয় ॥

ঝুমুৰি ।

এহি মতে বীৰ দুই । যুজেঁ এক পিণ্ড হুই ॥
শৰীৰত উঠ জুই । বলে দুইয়ো ক্ষীণ নুই ॥
বাহু বাহু বান্ধিলন্ত । পাৰে পাৰে ছাণ্ডিলন্ত ॥
ঘুৰি ফুৰি টানিলন্ত । গ্ৰীৱে গ্ৰীৱে জুড়িলন্ত ॥
হিয়ে হিয়ে তাৱিলন্ত । তুলি তুলি পাৰিলন্ত ॥
ঘণ্টা যেন লাৰিলন্ত । আৰ্ত্তনাদ ছাড়িলন্ত ॥
ঘোড়া যেন নলৰৱে । অসংস্কাত চৰবেৰে ॥
হাত পাৱ বিহৰে । হস্তী যেন চিহৰৰে ॥
কিল ভুকলাথি হানি । ভূমিত আকালে আনি ॥
আযুড়ি আনয়ে টানি । ফুৰে দুয়ো ছিদ্ৰজানি ॥
দুইকো দুইপাৰে গালি । বাহুত মাৰয় টালি ॥
যুজন্ত সুগ্ৰীৱ বালী । দুইয়ো ভাই বৰ টালি ॥

পদ ।

ৰাঘৱে বোলন্ত কিবা কৰোঁ কৈক যাওঁ ।
সুগ্ৰীৱ মিত্ৰক মই হাতে হকৰাওঁ ॥
কোন দৈব বিধি মোক প্ৰবন্ধে চলিলা ।
শত্ৰু মিত্ৰ একো আকলিবে নপাৰিলা ॥

দোই হাতু শৰীৰ একে সম এক কলা।
দোই হান গলত দেখো সুবৰ্ণৰ মালা ॥
বালী বুলি মাৰোঁ যেবে সুগ্ৰীৱ মৰিব।
সংসাৰত মোৰ বৰ কুখ্যাতি থাকিব ॥
কিনো কৰি বিধি মোক মাৰিলে বিচুহি।
সংসাৰত পাপী কিনো ভৈলোঁ মিত্ৰ দ্ৰোহী ॥
লক্ষ্মণে বোলন্ত দাদা শুনিয়োক ৰাম।
অসন্তোষে সাধিবাক নোৱাৰিয়ে কাম ॥
যাক প্ৰতি ভৈলা প্ৰভু তোমাৰ প্ৰবন্ধ।
সহস্ৰ যুগত তাৰ নপৰিব কন্ধ ॥
তিনিয়ো যুগত যদি একত্ৰ হোৱয়।
তথাপিতো মোৰ মিত্ৰ হৈবৰণ জয় ॥
বালী নৃপতিৰ হাত সুগ্ৰীৱে এড়াইল।
কঙ্কালত ধৰিয়া বালীক আলগাইল ॥
হুঁ বুলি আফালিলা পৃথিবীক লাগি।
বোম্বালে ৰুধিৰ বহে কুম্ভস্থল ভাগি ॥
বালী মূৰ্চ্ছা গৈলা বুলি ইন্দ্ৰকৰে শোক।
শুভ শুভ জয় জয় কৰে সূৰ্য্য লোক ॥
কতো বেলি বালীৰাজা চেতনক পাইল।
আস বিস ক্ৰোধ কৰি সুগ্ৰীৱক ধাইল ॥

যেহেন হস্তীক সিংহে পেলাইলা নিচালি।
সুগ্ৰীৱক সেহিমতে আফালিলা বালী ॥
ত্ৰিশূল সমান নখৰ ছোট ঘালি।
সুগ্ৰীৱৰ শৰীৰক পেলাইলা বথালি ॥
চেতন লাভিয়া বোলে সুহে৷ সমসৰ।
থাকিলন্ত বেশধৰি যেন মৃতকৰ ॥
বালী ৰাজা দেখন্ত নিস্পন্দ ভৈল দান্ত।
বিমৰিষি বোলে ভৈলা বৈৰৰ উপান্ত ॥
ভবন দহিয়া যেন বহ্নি ভৈলা শান্ত।
প্ৰাহৰ নকৰি ক্ষণতেক জিৰাইলন্ত ॥
শুনা সমাজিক লোক ৰামৰ চৰিত্ৰ।
কলিমল বিনাশন কৰ্ণৰ অমৃত ॥
দেখিয়ো ৰামৰ কেন লীলা বিপৰীত।
বনৰ বানৰ সমে কৰিলা সখীত্ব ॥
শৰণ মাত্ৰকে প্ৰভো একো নৰাকন্ত।
হেনসে কৃপালু প্ৰভু ৰাম ভগৱন্ত ॥
জানিয়া ৰামৰ পাৱে পশিয়ো শৰণে।
দুৰ্লভ মনুষ্য তনু পৰে কেহিক্ষণে ॥
নিঃশেষ জনম শতকোটীৰ অন্তৰে।
কতভাগ্য বশে জীৱে নৰদেহ ধৰে ॥

ব্ৰাহ্মণ শৰীৰ তাতো আতি শ্ৰেষ্ঠতৰ।
হেন জনমক নপালয় যিটো নৰ ॥
কেবলে পালয় মাত্ৰ ইন্দ্ৰিয় কলিত।
কৰিলেক আপোনাক আপুনি বঞ্চিত ॥
দুৰ্ল্লভ অমৃত যেন লভিয়া হাতত।
আপুনি ঠেলিয়া পেলাইলেক প্ৰমাদ ॥
হেনজ্ঞান ৰাম পাৱে পশিয়ো শৰণ।
ৰামবেসে সেৱা নৰতনুৰ পালন ॥
ৰাম কথা শুনা হোক জন্মৰ সাফল।
বোলা ৰাম ৰাম মহা মিলোক মঙ্গল ॥

ছবি।

ধীৰে ধীৰে চক্ষু, বালীক আগতে দেখি,
বিমৰিষ আছন্ত সুগ্ৰীৱ।
আৰো যেবে বালীৰাজা, দুনাই প্ৰহাৰে,
তেবে মোৰ সংকলয় জীৱ ॥
এহি বুলি তেতিক্ষণে, বিজুলী ছটকে যেনে,
দেখ নেদেখ সবে উঠি।
দুইহাত তুলি ধৰি, বজ্ৰৰ সদৃশ কৰি,
কুম্ভস্থলে বৈসালন্ত মুঠি ॥

বালীৰ কপাল ভাগি, বম্বালে ৰুধিৰ বহে,
মহাবীৰ সুগ্ৰীৱ দেখিল।
বালীৰ মুঠিক জানি, পবন সঞ্চাৰে টানি,
ঠিউ লাঙ্ক কৰি লড় দিল॥
ৰামৰ দিশক লাগি, সক্ৰোধ নয়ন কৰি,
ঘনে ঘনে পাছেচাই যান্ত।
কটো বেলি বালীৰাই, পাছে চেতনক পাই,
চক্ষু মেলি সুগ্ৰীৱক চান্ত॥
সুগ্ৰীৱ পলাই যাই, কোপে কম্পমান কায়,
উঠি মহা বেগে খেদাদিল।
ঋষ্যমুখ গিৰিমানে, খেদি গুৰি নপাই লাগ,
নিবৰ্ত্তিযা কিষ্কিন্ধ্যা পশিল॥
ঋষ্যমুখ গিৰিপায়, পৰিয়া সুগ্ৰীৱ বীৰে,
মহা ছোটে কেস্কাই থাক লৈলা।
শ্ৰীৰাম লক্ষ্মণ দুই, নল নীল হনুমন্ত,
আসি সুগ্ৰীৱক বেঢ়ি ৰৈলা॥
কাতো বেলি চেতনক, লভিয়া সুগ্ৰীৱ বীৰে,
ৰামক আগতে দেখিলন্ত।
ঘাৱৰ বিষত আাত, ক্ৰোধে ৰাঘৱক চাই,
গৰ্জিহা বচন বুলিলন্ত।

ওবা বামচন্দ্র-মই, তোমাব কমন শত্রু,
কেনেহেন কপট কবিলা।
মোব প্রাণ বৈবি বালী, তাহাব হাতত নিয়া,
কি কার্য্যত মবাইতে চাহিলা॥
জানা বাম মই যেবে, বালীক শকত তেবে,
পলাই কিয় আছোঁ পর্ব্বতত।
আপ্টিবে নোবাবো জানি, তথাপি যুজিতে পৈলোঁ
তোমাব পৌরুষ বচনত॥
কিনো নিদাৰুণ তুমি, দশবথ সুত বাম,
তুমি বঙ্গ চাহিয়া আছিলা।
বালীক আগতে পাই, এহিসে কার্য্যত তুমি,
কি কার্য্যে বালীক নমাবিলা॥
কিনো নিদারুণ তুমি, দশবথ সুত বাম,
তযু বিবেশম্মমতি নাই।
এহিসে কার্য্যত তুমি, নিজ ভার্য্যা হকয়ায়,
বনে বনে ফুবা দুই ভাই॥
ব্রহ্মবধ সুবাপান, গুরুব ভার্য্যাক হবে,
মহাপাপ সুবর্ণ হবণ।
বাজবধ পিতৃবধ, গরু তিবী মাবে আনো,
আচবে যতেক পাপগণ॥

মিত্ৰ দ্ৰোহে মহা পাপ, সবাহাতে গুৰুতৰ,
ইহাক আগে যিটো নৰ।
জানিবা নিশ্চয় ৰাম, নৰক ভুঞ্জিয়া মৰে,
যাৱে থাকে চন্দ্ৰ দিবাকৰ ॥
হেন মিত্ৰদ্ৰোহ পাপ, কৰিবাক লাগি ৰাম,
জানিলোঁ তোমাৰ ভৈলামন।
সূৰ্য্যৰ বংশত তুমি, জনম লভিলা কিক,
ধিক ধিক তোমাৰ জীৱন ॥
নিষ্ট কৰি পূৰ্ব্বকালে, বুলিলাহা তুমি ৰাম,
মই নমা ৰবো বালীৰাই।
তেবে কি কাৰণে মই মৰিবাক লাগি ৰঙ্গে,
বালীক যুজলোঁ হস্তে যাই ॥
বালীৰ প্ৰহাৰে মোৰ, সৰ্ব্ব অঙ্গ চূৰ্ণ ভৈল,
ক্ষত বিক্ষত ভৈলা কায়া।
কতৰা কাক লাগ, শৰীৰত পীড়া বৈলা,
তুমি ৰঙ্গ আছিলাহা চায়া ॥
ৰঘুবংশ শিৰো মণ, সাক্ষাতে ঈশ্বৰ দেৱ,
তুমি সমে কৈলো মিত্ৰৰতি।
একেশ্বৰ ত্ৰিভুবন, নমাইবাক পাৰা তুমি,
তাতো মোৰ হেনসে বিপত্তি ॥

সুগ্রীবর বাক্যে প্রভু, অতিশয় হুয়া লাজ,
বুলিলন্ত সুগ্রীবক চাই।
যতেক কহিলা মিত্র, বুলিতে উচিত হুই,
কিন্তু শুনা কহো অভিপ্রাই॥
তোৰা দুই ভাইৰ এ, সমতুল্য কলেৱৰ,
সূৰ্য্যযেন জ্বলে মনোহৰ।
দুই হস্তেৰ শিৰে দিব্য, সুবৰ্ণৰ মালা জ্বলে,
নিচিনিয়া নকাৰিলোঁ শৰ॥
শত্রু বুলি মাৰোঁ যদি, মিত্ৰৰ বিনাশ হৱে,
শুনি মন্দ বুলিবেক লোকে।
লক্ষ্মণ সহিতে চিন্তু, নপাইলোঁ উপাই মই,
জানি সখি নিনিন্দিবা মোক॥
ক্ষমিয়োক মোৰ দোষ, নকৰিবা অন ৰোষ,
বালীক বধিবো সাৰে সাৰ।
আপোনাৰ অলঙ্কাৰ, পৰিহৰা তুলসাৰ,
মালা তুমি পিন্ধিয়ো আমাৰ॥
দিন চাৰি থাকিয়োক ঘাৱ শুখাৱোক,
পাছে সবে কিষ্কিন্ধাক যাওঁ।
ইবাৰ বালীক দেখি, মাৰি যেবে নপঠাওঁ,
তেবে ব্রহ্মবধ পাপে লিপ্তইও॥

এহি বুলি ৰঘুনাথ, অমৃত সমান হাতে,
মার্জ্জিলন্ত মিত্রৰ শৰীৰ।
পূর্ব্বত অধিক কৰি, দশ গুণ তেজবল,
লভিলা সুগ্রীৱ মহাবীৰ॥
শুনিয়োক সর্ব্বজন, শুনা কথা ৰামায়ণ,
ইসে মহা ধর্ম্ম অনুপাম।
গুছিবে সংসাৰ দুখ, লভিবা পৰম সুখ,
নিৰন্তৰে বোলা ৰাম ৰাম॥

পদ।

ৰাঘৱৰ বচনে সুগ্রীৱ ৰঙ্গ পাইল।
চৰণত ধৰি বীৰে দুখ নিবেদিল॥
নজানি গৰ্জ্জিলোঁ দোষ ক্ষমা ৰঘুপতি।
ইহ পৰলোকে প্রভু তুমি মোৰ গতি॥
মহাপাপী সব তৰে নাম লৈলে যাৰ।
তাহাঙ্ক নিন্দিলো পাপ সঞ্চিলো অপাৰ॥
অজ্ঞানৰ দোষ ক্ষমিয়োক নাৰায়ণ।
তোমাৰ অভয় পদে লৈলোহো শৰণ॥

খাৰৰ বিষত মোৰ হৰিল চেতন।
বুলিলোহো ঈশ্বৰক গৰিষ্ঠা বচন॥
সহজে বানৰ জাতি তৰল সদাই।
তুমি কৃপাময় তাক ক্ষমিতে জুৰাই॥
শুনিয়া ৰাঘবে তাঙ্ক আশ্বাস কৰিলা।
দিন চাৰি মাসে খাৰ সব পাশৰিলা॥
সুগ্ৰীৱ ৰামৰ মালা শিৰত ধৰিলা।
প্ৰদক্ষিণে ৰাঘৱক প্ৰণাম কৰিলা॥
জয় বাদ্য কৰি সুমঙ্গল আচৰিলা।
বালী ৰাইক ধৰি শুভ সময়ে চলিলা॥
সুগ্ৰীৱ লক্ষ্মণ ৰাম হৰিষে চলন্ত।
পাছে যান্ত নল নীল আৰ হনুমন্ত॥
বুলিলন্ত ৰাঘৱে বালীক দিয়ো ডাক।
মাৰোঁ আবলম্বে মিত্ৰ বিনায়ো আমাক
এহি বুলি ধনু ধৰি শ্ৰীৰাম লক্ষ্মণে।
সাৱধানে থাকিলন্ত কিষ্কিন্ধাৰ বনে॥
সুগ্ৰীৱ গৰ্জ্জন্ত গৈয়া দুৱাৰত বসি।
কি কৰস বালী ৰাজা গহ্বৰত পশি।
নিচিন্তি আছস দদা বাৰ্ত্তাক নপাইল।
তোমাৰ কনিষ্ঠ ভাই কাল হুয়া আইল

সত্য কৰি জান দদা বচন আমাৰ।
পৰিচ্ছেদ কৰি দেখ পুত্ৰ পৰিবাৰ ॥
পটেশ্বৰী লোক দেখা আৰ যত তীৰি।
আজি ধৰি তোমাৰ খণ্ডাবো ৰাজ চিৰি ॥
সুগ্ৰীৱৰ নাদ শুনি বালী বাইৰ কোপ।
আজিতোক মাৰোঁ বুলি কৰয় আটোপ ॥
ত্বৰিতে বজাইল বীৰ আৰ্ত্ত নাদ কৰি।
আগ বাঢ়ি বিনাৱন্ত তাৰা পটেশ্বৰী ॥

ছবি।

টিকৰ স্বামি মোৰ, বল বন্ত প্ৰাণেশ্বৰ,
বানৰ কুলৰ নিজ নাহা।
মাণিকৰ দণ্ডপাট, পৰিহৰি প্ৰভু দেৱ,
কি কাৰণে সমৰক যাহা ॥
প্ৰাণত অধিক মোৰ, অঙ্গদ কমাৰ আছে,
মই আছোঁ শান্তি পটেশ্বৰী।
ইন্দ্ৰৰ পুৰিতো ধিক, প্ৰকাশ কৰন্তে আছে,
দেখা ইটো কিষ্কিন্ধা নগৰি ॥

আপোনাৰ বাহুবলে, কৈকসৰ জিনিলাহা,
বৰযশ ৰাশি তুমি পাইলা।
ভুবজয় ৰাৱণক, কাষত চিপিয়া ধৰি,
চাৰিও সাগৰ ফুৰি আইলা॥
সাত পৃথিবীত যত, ভালুক বানৰ আছে,
তোমাৰ চৰণে কৰে সেৱ।
কোননো অসাধ্য কাৰ্য্য, সাধিবাহা সম্প্ৰতিক,
সমৰক যাহা প্ৰভু দেৱ॥
সপোনৰ কথা কহো, শুনিয়োক প্ৰভু ওঝু,
হৃদয়ত লাগি গৈলা মাটি।
উপৰক হুযা গোৰ, তোমাৰ শৰীৰ গোট,
সমূলি পাশলা মাটি কাটি॥
সিংহা সনে বসি ৰঙ্গে, সুগ্ৰীৱ দেৱৰ মোৰ,
তাৰ কোন সিটো গোট গিলে।
হেনয় সপোন জানা, ঝাকে ঝাকে দেখিবায়ে,
তাতে গৈয়া ৰাজচিৰি মিলে॥
বালী বলে শুনা ওৰে, পটেশ্বৰী তাৰা মোৰে,
যুগুত বচন হলে সহি।
হেন কি জানস তই, পৃথিবী মণ্ডল মাজে,
বৰীক জিনিয়া আছে কাহ॥

উদয় গিৰিক হনে, হিমালয় পৰ্ব্বতক,
বুজিবাক হয় কোন শক্য
মোক সমৰকলাগি, আক্ৰান্ত কৰন্তে আসে,
সুগ্ৰীৱ কমন বীৰ বক্ষ ॥
মোৰ প্ৰাণ গোটা ৰাঙ্কি, তাতেনিষা আৰোপিয়া,
সুগ্ৰীৱক বাৰি দিব ৰণে।
সমৰ ভূমিত গৈয়া, সুগ্ৰীৱক ৰণ জিনি,
পালটি আসিবো এতিক্ষণে ॥
সপোনৰ কথা যত, কহিলাহা প্ৰাণ জায়া,
জানিবা সকলে আন জাল।
বাধা বচনক তুমি, সুবুলিবা পটেশ্বৰী,
ঝান্তে চলি যাওঁ যুদ্ধশাল ॥
তাৰা বোলে প্ৰাণেৰ, টিকৰ স্বামীয়ে মোৰ,
আৰৰ কাহিনী কহো শুনা।
দাহিনৰ চক্ষুমোৰ, সঘনে সঘনে ফুৰে,
আক হৃদয়ত ভালে গুণা ॥
দিন তিনি চাৰি ভৈলা, সুগ্ৰীৱ দেৱৰ মোৰ,
তোমাত সমৰ হাৰি গৈলা।
হেন জানি বিনা গহে, দ্বাৰত বসিয়া আছে,
পুনুৰপি গৰ্জ্জিবাক লৈলা ॥

আৰৰ কাহিনী কহু, শুনিয়োক প্ৰাণ নাথ,
কাৰ্য্যবৰ ভৈ গৈলা বিচিত্ৰ।
ৰিপুকুল বিমৰ্দ্দন, ৰঘুকুল শিৰোমণি,
ৰাম ভৈলা সুগ্ৰীৱৰ মিত্ৰ॥
আছোক পৃথিবী খণ্ড, স্বৰ্গ সাত পাতালৰ,
জিনিতে পাৰয় দেবাসুৰ।
নিৰ্বা স্বৰূপ ৰূপে, তোমাৰ কনিষ্ঠ ভাই,
তেহে ৰাম ভৈলা পক্ষপুৰে॥
ৰাঘৱে সহিতে প্ৰভু, বিবাদক সুজুৱাই,
শুনিয়োক বোল হিত কাজ।
আপোনাৰ কনিষ্ঠক, সুগ্ৰীব বীৰক আনি,
সত্বৰে পাতিয়ো যুৱৰাজ॥
সোদৰ কনিষ্ঠ ভাই, তাহান মুখক চাই,
দোষচয় ক্ষমিয়োক সৰ্ব্ব।
তোমাৰ যে দান মান, তৈহ ৰোষ নকৰিব,
তাহান লোকত আছে গৰ্ব্ব॥
'কিষ্কিন্ধা নগৰ মাজে, ভালমতে জানিলেক,
বালি ৰাজা সুগ্ৰীৱ বীৰক।
ৰাজাৰ নিদানে আনো, সৰ্ব্ব লোকে সুখে আছে,
আক প্ৰভু নজানা কিসক॥

মাধৱ কন্দলী ভনে, শুনিয়োক সৰ্ব্ব জনে,
ৰামৰ চৰিত্ৰ কথা সাৰ।
শুনন্তে অমৃত সম, পাপৰ সাক্ষাত যম,
জানি ৰাম বোলা বাৰে বাৰ ॥

পদ।

বালীবোলে শুন ওৰে পটেশ্বৰী তাৰা।
ৰূপে গুণে, বিতোপনি সংসাৰতে সাৰা ॥
জানিলোহো ৰাম দশৰথৰ তনয়।
তাঙ্ক লাগি মোৰ কিছু ভয় নাহিকয় ॥
সাগৰ শুখান্ত ৰামে একপাট শৰে।
দেৱক খেদন্ত পশি স্বৰ্গৰ ভিতৰে ॥
উপাৰিবতে পাৰোঁ সাত দ্বীপ পৃথিবীক।
মোক ৰামে কি কৰিবে দুৰ্জ্জয় বালীক ॥
স্ত্ৰী বৈৰী পিতৃ বৈৰী সামাবৈ বিমুহোঁ।
ৰাজ্যৰ নিমিত্তে আমি দুই ভাই যুঝুহো ॥
কোন অপৰাধে ৰামে বাধৰ আমাক।
বাহুৰিয়া পটেশ্বৰী ঘৰে বসি থাক ॥

তথাপি বালীক তাৰা বুজাই বুলিলন্ত।
ভকতৰ পদে বামে অত্যায় কৰন্ত॥
ভকত বৎসল গুণ এতেকে ৰাঘৱ।
সুগ্ৰীৱ ভকতি তান্তে কৰে নিৰন্তৰ॥
এতেকে সংসয় প্ৰভূ দেখোঁতো অনন্ত।
ক্ৰোধে বালী বোলে মোক বুজাৱ শকত॥
নিচুকিয়া থাক কিছু সুবুজস কাজ।
এহি বুলি চলি গৈলা যুদ্ধক হুয়া সাজ
প্ৰবোধিলা যেবে বালী প্ৰবন্ধ বচনে।
পালটি ৰহিলা তাৰা অসন্তোষ মনে॥
বাধাক নমানি বালী সমৰক যাই।
মাথাৰ উপৰে কাক শগুণ বনাই॥
বাম পাশে সৰ্প যাই ডাহিনে শৃগাল।
কাক গৃধ পক্ষীৰ আকাশে কোলাহল॥
চণ্ড বায়ু বহে খোলা খাপৰৰ ঝাক।
কিষ্কিন্ধ্যাত কধিৰে বৰিষে জাকে জাকে॥
হাকি জেঠি নমানিয়া ৰণক গমন।
বালী সুগ্ৰীৱৰ দুইৰো ভৈলা দৰিশণ॥
দুইকো দুই তৰ্জ্জিয়া গৰ্জ্জিয়া পাৰে গালি।
লাগি গৈলা সমৰ সুগ্ৰীৱ বীৰ বালী॥

বজ্ৰৰ সদৃশ দুয়ো হানন্ত চৰবে।
লাথি হানি প্ৰহাৰে নিৰ্ঘাত যেন পৰে॥
বৃক্ষে বৃক্ষে হানিলন্ত শিখৰে শিখৰে।
কিল ভুকু চৰৰ মাৰন্ত নিৰন্তৰে॥
অদভুত সমৰ কৰন্ত দুইয়ো ভাই।
আকাশত দেৱগণে আছিলন্ত চাই॥
ধনুত যুড়িয়া শৰ ৰামে সাৱধানে।
দুইহাতু সমৰ চাই আছে বিদ্যমানে॥
দুয়োবীৰে আটোপে.ধৰিলা কোলে কোলে।
পৃথিবীত পৰি গৈলা দুই হানো আন্দোলে॥
গম্ভিৰত মেৰু যেন গহিনে সাগৰ।
যেন মেৰু মন্দৰ যুজন্ত একতৰ॥
হৰি শঙ্কৰৰ যেন মিলিলা সমৰ।
গ্ৰহ যুদ্ধ ভৈলা যেন মঙ্গল বুধৰ॥
বালী বাসৱৰ যেন মিলিলা সমৰ।
বালী সুগ্ৰীৱৰ যুদ্ধ ভৈলা সেই পটন্তৰ॥
বালী বোলে শুন ওৰে সুগ্ৰীৱ দন্দুৰ।
মুঠিৰ প্ৰহাৰে তোক নিবো যম পুৰ॥
কুম্ভস্থলে মুঠি হানি লৰৱিল টানে।
পৰি মূৰ্চ্ছা গৈল বীৰ নমৰিল প্ৰাণে॥

পাছে কতোক্ষণে তান আসি ভৈলা জীৱ ।
ভয়ঙ্কৰ শাল দুই হানিলা সুগ্ৰীৱ ॥
হৃদয়ত পৰি বালীবীৰ মূৰ্চ্ছা গৈলা ।
কতোক্ষণ অন্তৰে সজুক্ষণ ভৈলা ॥
ৰাম চন্দ্ৰ দেখন্তয় সাজ ভৈলা যবে ।
সুগ্ৰীৱ ঘাটন্ত বালীবাইৰ চৰে ॥
নাচনি মাৰি পূৰ্ব্বে অপযশ পাইলোঁ ।
মাৰোঁ বুলি শপত কৰিয়া পুনু আইলোঁ ॥
আবে কেনে চাহি আছোঁ দেখিয়া আগত ।
এহি বুলি শৰপাট যুড়িলা গুণত ॥
বালীৰ হিয়াক লখি হানি পঠাইলন্ত ।
বিস্বাদ শবদে শৰ চলে আকাশত ॥
সন্ধানে পৰিলা বালীবাইৰ হৃদয়ত ।
চিৎ হুইয়া পৰিলেক সমৰ ভূমিত ॥
ক্ৰৌঞ্চ পৰ্ব্বতক যেন ভেদিলা কুমৰে ।
হৃদয়ত পৰিয়া শৰ ভৈলা পৰ্ক্ষা আৰে ॥
হা মৰিলোহো বুলি পাৰ গৈলা বালী ।
পৃথিবীক শৰীৰকে শৰে থৈলা শালি ॥
সাধিলোহো সুগ্ৰীৱ মিত্ৰৰ সবে কাজ ।
এহি বুলি ৰাঘব বনৰ ভৈলা বাজ ॥

মাথা পলগাই বালী পাঞ্জৰক চাইলা।
বনহন্তে আসন্তে ৰামক ভেট পাইলা॥
ক্রুদ্ধ যেন চক্ষু ফুৰাই পাবিলেক গালি।
ধিক ধিক ৰাঘৱ অধম পাপশালি॥
পাপময় ৰাম তুমি পাপৰ আচাৰ।
পাপ বুদ্ধি ৰাম ইটো শৰীৰ তোমাৰ॥
লুকুলিয়া শৰ তুমি কৰিলাহা কিক।
তোমাৰ বীৰত্ব ৰাম আছে ধিক ধিক॥
ক্ষত্র জাতি বীৰ তুমি-নাহিক গহন।
নোবোলাইয়া শৰ কৰিলাহা কিকাৰণ॥
বোলাইয়া আমাক হস্তে কৰিলাহা ৰণ।
পাৰবৰ্ত্তি ভৈলা হন্তে তোমাৰ মৰণ॥
লাক এড়ি ৰাম তুমি মাথা তুলি চাহা।
হৃদয় বিদাৰি মোৰ শোণিতক পিহা॥
কোন কাৰ্য্যে বনৰ বানৰ মাৰিলাহা।
দহবা দশাৰ কৰি মাংস কাটি খাহা॥
আমাক মাৰিলা আমি কোন কাৰ্য্যে ভাল।
মাংস নখাহবাহা হেৰে নিপাঙ্কৰা ছাল॥
নভুঞ্জে উত্তম জাতি আমাৰ মাংসক।
লজ্জাতো লাগে বানৰৰ পাঞ্জৰক॥

শুনিয়াছো ৰাম সৰ্ব্ব কাৰ্য্যতে গৰিষ্ঠ।
দেৱগুৰু পিতৃ যত সবাহাতে নিষ্ঠ॥
জানিলোঁ তোমাক সবাতো পৰিবৰ্য্য।
যেন ধৰি আছা বিড়ালৰ ব্ৰহ্মচৰ্য্য॥
পৃথিবীৰ পতি তুমি ভৈলা অকাৰণ।
উত্তম নাৰীৰ পতি যেহেন টেন্টন॥
হাঁ কিনো ভৈলা তযু গতি বসুমতী।
অধম আচাৰ ৰাম ভৈলা তব পা[illegible]।
সমস্তৰে পাপ হৈবৈ আদিত্যৰ বংশ।
তোমাৰ উপৰি বংশ সবে ধৰ্ম্ম অংশ॥
সূৰ্য্য বংশ সমস্তৰ শিৰৰ মুকুট।
নিৰ্ম্মল কুলত তুমি ভৈলা কালকুট॥
দশৰথ নৃপতিক ভালে জানো আমি।
অদভুত ক্ষত্রি তোহোঁ যুগুত সংগ্ৰামী॥
তানে পুত্র তুই ভৈলা অধম আচাৰ।
বিমুখে মাৰিয়া পাইলা কুল খেলিঙ্কাৰ।
মোতে বুলিলাহা হস্তে সীতাৰ কা[illegible]কে।
আজি বান্ধি আনি দিবে পাৰো ৰাৱণক॥
আমাক এড়িয়া সুগ্ৰীৱক কৈলা সাৰ।
সিংহ এড়ি শৃগালত আসি কাটো মাৰ॥

সুগ্ৰীৱ সাধিবে কাৰ্য্য নোবাৰিব ভালে।
সদিবা সাধিবে পাৰে আতি চিৰকালে॥
ৰাৱণক সুগ্ৰীৱ পাৰয় কি কৰিতে।
আমি দিবে পাৰো ৰাৱণক তিলেকতে॥
পূৰ্ব্ব কালে ৰাৱণে ব্ৰহ্মাত বৰপাই।
স্বৰ্গ মৰ্ত্ত্য পাতালক ভয়ত কম্পাই॥
ভঙ্গ মানিলন্ত ইন্দ্ৰ আদি দেৱগণ।
কিষ্কিন্ধ্যাত আসি মোত মাগিলেক ৰণ॥
মই বোলো ৰাৱণ বসিয়া থাক ঘৰে।
স্নান কৰি আসো মই চাৰিও সাগৰে॥
ৰাৱণে বোলয় ভালে কৰ আটি মুটি।
তোৰ যেবে বানৰা কৰিবি সাটি সুটি॥
শুনিব বচনে মই ক্ৰোধ বৰ পাইলো।
কাখেতলি সাবটিয়া তুলি আল গাইলো॥
দশ মুখ ৰাৱণক তুলি বাহু মেলি।
দঙ্গাদঙ্গি পাৰে বুঢ়া হাতৰ ঠেঙ্গুলী॥
সৰ্পক ধৰিয়া যেন গড়ুৰে উৰান্ত।
ৰাৱণক লৈয়া মই গৈলো সাগৰত॥
নাকে মুখে ৰাৱণক ধৰিলো জপাই।
উসচিল পেটতাৰ হুদি সিক্কি নাই॥

পূব দিশ দক্ষিণ পশ্চিম উত্তৰত ।
সন্ধ্যা কৰি ফুৰিলোহো চাৰি সাগৰত ॥
দণ্ড দুইৰ ভিতৰে সমুদ্রে সন্ধ্যা কৰি ।
ত্বৰিতে আসিয়া ভৈলোঁ কিষ্কিন্ধ্যা নগৰি ॥
দুৱাৰত থৈয়া বোলোঁ আৰে দেহ ৰণ ।
হাৰিলোঁ হাৰিলোঁ বুলি ধৰিলা চৰণ ॥
বিনতি কাতৰ বাণী বুলিলা অশেষ ।
ভঙ্গমানি চলিগৈলা আপনাৰ দেশ ॥
বাটভেটি পাছে তাক অঙ্গদে ধৰিল ।
কঙ্কালত লাঙ্গুলে শতেক পাকদিল ॥
সাগৰত নিয়া তাক জোবৰাইবে লৈলা ॥
টোপলা বহন্তে কলাধাতু মাত্র বৈলা ॥
হেনদেখি অঙ্গদকে বুলিলোঁ বচন ।
ছাড় পুত্র ইটো মোৰ শৰণিয়া জন ॥
মোৰ বাক্যে এড়ি দিলা অঙ্গদ কুমাৰে ।
লাঞ্চনা লভিয়া গৈলা লঙ্কাৰ ভিতৰে ॥
হেন ৰাৱণক ৰাম তুমি কৰাডৰ ।
ৰণচেৰ মোৰ যেন ঘৰৰ ডিঙ্গৰ ॥
পঠাইয়া দিয়োঁ হস্তে মোৰ আজ্ঞা বাণী
মাথে কৰি সাতাক দিলন্তে হস্তে আনি ।

তাকে লাগি সুগ্ৰীৱক অশ্ৰয় কাৰলা।
আমাক বিমুখে বধি অধৰ্ম্ম লভিলা ॥
আধিকে নিন্দিবে ৰাম মোৰ নাহি কাজ।
আচৰিত হীন ৰাম ধৰ্ম্ম ভৈলা বাজ ॥
শুনি ৰামে বোলন্ত বানৰ গৰ্ব্বকাৰা।
মোক গৰিহস আগ পাছ নিবিছাৰি ॥
দুৰ্জ্জন চঞ্চল মন্দ তৰল বানৰ।
শুনা যি কাৰণে তোক কৰিলোঁহু শৰ ॥
ইক্ষ্বাকু বংশৰ ৰাজ্য সকলে আমাৰ।
অবশ্যে খণ্ডিবে লাগে পৃথিবীৰ ভাৰ ॥
খণ্ট চোৰ বচন যতেক দুৰাচাৰ।
যাক যেন অনুৰূপে কৰয় সংহাৰ ॥
ভৰত ভৈলন্ত ৰাজা সোদৰ আমাৰ।
অনুচিতে পিম্পৰাৰ নিচিন্তিবে মাৰ ॥
দুষ্টক কৰোহো দণ্ড তানে বোল পালি।
কোন কাৰ্য্যে আমাক নিন্দহ দুষ্ট বালী ॥
যি বুলিলি বিমুখত মাৰিলোহো শৰ।
ইহাৰ উত্তৰ শুন পাপিষ্ঠ বানৰ ॥
পূৰ্ব্বে যত ৰাজাগণে ধৰ্ম্ম অ চৰিলা।
যেনে তেনে পশু মৎস্য কচ্ছপ মাৰিলা ॥

জাল পাতি মাৰিয়া পাছত খেদি শৰে ।
বনে আৰ হুয়া মাৰি পলাইবাক ডৰে ॥
জাঠি জোঙ্গে মাৰে কটো কুককান্দ পতি ।
নানামতে মাৰয় বনৰ পশুজাতি ॥
কাৰ্য্যত লঙ্কিলো তই পাপিষ্ঠ বানৰ ।
কনিষ্ঠৰ ভাৰ্য্যাক কৰিয়া আছা ঘৰ ॥
সুগ্ৰীৱ হেনয ভাই দেশৰ ডাকিলে ।
ভ্ৰাতৃ বধূ সম্বৰিয়া বৰযশ পাইলে ॥
প্ৰতিজ্ঞা সাক্ষলি সুগ্ৰীৱক দিবো ৰাজ ।
তোক মাৰি পঠাই আজি যমৰ সমাজ ॥
সাকলিলোঁ অঙ্গীকাৰ পালিলোঁ সত্যক ।
অকাৰ্য্যে নিন্দস মোক বানৰ লটক ॥
ঘোৰ ঘোৰ পাপ তই যত আচাৰলে ।
সংগ্ৰামত পৰি প্ৰায়শ্চিত্তক কৰিলে ॥
তোৰ গতি হৈলা বালী মোৰ হাতে পৰি ।
স্বৰ্গে চলি যাহ দিব্য বিমানত চড়ি ॥
বালী বোলে ৰাম চন্দ্ৰ কৰোঁ নমস্কাৰ ।
তোমাৰ চৰণে ইটো সকল সংসাৰ ॥
নিচিনিয়া বুলিলোঁ তোমাক নিন্দীবাক ।
পশিলোঁ শৰণ প্ৰভু ক্ষামিওক তাক ॥

তোমাৰ শৰত মোৰ ভৈলা সদগতি।
অঙ্গদক অনুশোচ কৰোহু সম্প্ৰতি ॥
নিতে নিতে পুত্ৰ মোৰ কোল ক্ৰীড়ে।
ৰামৰ শৰত পৰি পুত্ৰ শোকে পীড়ে ॥
হ'চৰন্তে শোক মোৰ মিলিল বিশাল।
কাহাত শৰণে পুতাই বঞ্চিবেক কাল ॥
হা অঙ্গদাই মোৰ পুত্ৰ সমসৰ।
একো দুখ নজানিলে সুখিয়া কুমাৰ ॥
মাৰ যাউঁ হেৰা মোৰ অঙ্গদাই বাপি।
বাপ বুলি থাকিবি কাহাৰ কাশ চাপি ॥
চ'ৰ চৰি সুকোমল সুললিত দেহা।
সব কুটুম্বত কৰি তোতে মোৰ স্নেহা ॥
আথে ৰোথে ৰামে মোক দেশৰ ডাকিল।
সুজিবে নপাইলোঁ ধাৰ লাগিয়া থাকিল ॥
শুন শুন বলোঁ মই সুগ্ৰীৱ সোদৰ।
মনুষ্য পৰিহৰি মোৰ কোল চাপি ধৰ ॥
গভতে আছিলোঁ দুই ভাই একে ঠাই।
কোনদেৱে বিধিযে পেহলাইলে বিহৰাই ॥
তোমাৰ আমাৰ কপালৰ নাহি যোগ।
দুই ভাই মিলি নকৰিলোঁ ৰাজ্য ভোগ ॥

হৰি হৰি বাদ্ধৈ মোৰ তাৰা পটেশ্বৰী।
বিশাঙ্গে মৰিলো তোৰ বচন নকৰি ॥
বালীৰ করুণা শুনি কান্দন্ত সুগ্রীৱে।
হাকুলে ব্যাকুলে মুঠি হানিলন্ত হিয়ে ॥
কি কৰিলোঁ পাপী মই অধমতে ছেঠ।
ৰাজ্য লোভে মৰাইলোঁহো পিতৃ হেন জ্যেষ্ঠ ॥
দদাবোলোঁ মুণ্ড তুলি চাহা মোৰ মুখ।
প্ৰাণ মোৰ শঙ্কলে তোমাৰ দেখি দুখ ॥
হেন দেখি দুই ভাই ধৰি কোলে কোলে।
নগৰ ব্যাপিল দুইৰ ক্রন্দনৰ ৰোলে ॥
থাকিলন্ত সুগ্রীৱ বালীক মম্মু কৰি।
সিথানত শুনিলন্ত তাৰা পটেশ্বৰী ॥
হিয়ে মুঠি হানিয়া স্বামীৰ পাশে যাই।
বানৰী সহস্র বেঢি লগতে বজাই ॥
স্বামী পাশে চলয় বিকলে দিশ চাই।
দেখন্ত নগৰ মাজে বানৰ পলাই ॥
পলাই দাৰি দুৰি কৰি মনত ভৰি ভঙ্গে।
ঠাৰে ঠোৰে কহে কথা বানৰত ৰঙ্গে ॥
জাম্প দিয়া কতোহো বৃক্ষৰ আগে চড়ে।
বৃক্ষ এড়ি কটো কটো গহ্বৰত পৰে ॥

কিচ মিচ কৰিয়া বানৰে পাৰে উকি।
ৰামে পাইলে বুলি দেই নিকুম্ভত লুকি ॥
তাৰায়ে বোলন্ত শুনিয়োক কপিগণ।
স্বামীৰ বাৰ্ত্তাক কহিয়োক এতিক্ষণ ॥
কি কাৰণে পলাই সবে বানৰ বিপুল।
আথৰ চৰিত্ৰ দেখো চিত্ত বিয়াকুল ॥
পাটেশ্বৰী আই তুমি বাৰ্ত্তাক নপাইলা।
ৰাম ৰূপে কাল হুয়া গ্ৰাসিবাক আইলা ॥
হেন বীৰ নতু দেখো নতু শুনো কানে।
অপাৰ সাগৰ বল গগণ সমানে ॥
ত্ৰিভুবন কম্পয় বালীৰ পযোভৰে।
হেন বীৰ মাৰিলেক এক পাট শৰে ॥
স্বামী নিৰ্জীৱন্ত কৈক লাগি যাস।
অঙ্গদ পুত্ৰক নিয়া মৰাইবাক চাস ॥
পৰিৱৰ্ত্তি আস মাৰ কিষ্কিন্ধ্যা নগৰ।
ৰাজা পাতিয়োক নিয়া অঙ্গদ কুমাৰ ॥
কিষ্কিন্ধ্যা ৰাখিতে পাৰে তান বুদ্ধিবলে।
আন কপিগণ সবে নৃপতি বিকলে ॥
স্বামীৰ বাৰ্ত্তাক যেবে নিশ্চয় পাইলন্ত।
হিয়ে মুঠি হানি তাৰাদেবা কান্দন্ত ॥

বানৰা সকলে বেঢ়ি প্ৰবন্ধে বৃত্তান্ত।
আমাৰ পাশক মৰদৰি আণ্টাইলন্ত ॥
শুনা সভাসদ ৰাম কথা অনুপাম।
পাপৰ কঠিয়া পোৰা বোলা ৰাম ৰাম

—— ॰ ——

ছবি।

বালীক দেখিলা গৈয়া, মৰন্তে তপাত দাছে,
কথমপি আছে মাত্ৰ প্ৰাণে।
নিশ্চেষ্ট আছন্ত পৰি, উভ লেজ কৰি আতি,
শালি আছে ৰাঘৱৰ বাণে ॥
স্বামীক বেঢ়িয়া গৈয়া, হৃদয়ত পাৰ পৰি,
কান্দে সবে আকুলে ব্যাকুলে।
সমস্ত দিশক বেঢ়ি, বানৰী সবেও কান্দে,
স্বৰ্গক লাগিলা সিটো ৰোলে ॥
বালী ৰাজা পৃথিবীত, পৰিবাৰ দেখি মই,
কি কাৰণে ধৰি আছো জীৱ।
অঙ্গদাই কুমাৰক, কোলে কৰি লৈয়া প্ৰভু,
কাহাৰ আগত থৈবো থিৰ ॥

অঙ্গদ কুমাৰ হেৰা, ক্ৰন্দন কৰন্তে আছে,
তথু দুই চৰণত পৰি।
সহস্ৰেক মহাদই, ক্ৰন্দন কৰন্তে আছে,
ভূমিত পৰিয়া গড়াগড়ি॥
শিখৰ সিন্দুৰ ঘৰ, খসাইলাহা প্ৰভুমোৰ,
ৰাজযোগ আনো অলঙ্কাৰ।
পতিব্ৰতা নাৰী হুযা, কেন মতে ৰহিবোহে,
মহাদুখ বিধবাৰ ভাৰ॥
মই যাক তৰ্জ্জিলোহু, সেহিমোক গৰ্জ্জিবেক,
বিৰহতে থাকিবোহো পতি।
অনাথ হৈবেক মোৰ, অঙ্গদ কুমাৰ যাত,
স্বামী সঙ্গে গৈলো হন্তে সতা॥
যাহাৰ প্ৰসাদে মই, পৃথিবী মণ্ডল মাজে,
আছিলোঁহু ৰাজ ৰাজেশ্বৰী।
শত্ৰুপক্ষ নৃপতিৰ, যত পাটেশ্বৰীগণ,
আছিল মোকেসে সেৱাকৰি॥
তানৰ স্বামীবে গৈযা, মোহৰ স্বামীৰে লগে,
অন্তৰ আছিল বহুদুৰ।
হেন মোৰ প্ৰাণ নাথ, এবে কি কৰ্য্যো যাহা,
লগতে চলিবো যম পুৰ॥

আকুল ব্যাকুল কাব, ক্রন্দন কবন্তে আছে,
বাজাব কাশত পটেশ্বৰী।
তোমাতেসে আছিলেক, তাবাব সুযাগ যত,
কৈক যাহা মাক পৰিহৰি॥
তাবাব বচন শুনি, সুগ্রীবনো প্রভুদেৰে,
আঙ্কাব কৰিয়া দশোদিশ।
হাপদৰ সমহত, অঙ্গদৰ বচনক,
দেখিলাহা শুনি যেন বিষ॥
পুত্র যেবে বাজা হবে, বোলাবয় বাজমাৰ,
আনৰূপে সম্পদক পাই।
হাতে তুলি কৰি আনি, কিছু কিছু ধন দেই,
যু নবা ঠকুয বাপ ভাই॥
সামা বাজা হৈলে সবে, সৰ্ব্বস্বৰে অধিকাব,
তুইবে পাই মুখ্য পটেশ্বৰী।
হেন প্রাণ শুনি, আমাক এড়িয়া যাহা,
কিকলাগি প্রাণ আছো ধৰি॥
শুনিও সুগ্রীব বীৰ, সামাব সোদৰ ভাই,
তুমি শ্রেষ্ঠ দেবৰ আমাব।
আপোনাব সুখ হেতু, স্বামীক মাৰিয়া ঘোৰ,
কাহাক নাইকে অধিকাব॥

এবে বৰ যশ পাইলে, শ্ৰেষ্ঠ ভাইক নচাহিলে,
আমাক চাহিবি কিবা আৰ।
তোৰ মনে সুখ হৌক, ভায়েৰৰ লগে মোৰ,
গলে আনি ডাঙ্গদিয়া যাব॥
গুণ চাণ্ড তোত থাকে, বানৰ কুলৰ মাজে,
আন কোন আছে ত্ৰাচাৰ।
শ্ৰেষ্ঠ ভাই কিতুবন, তান তই ভৈলি যম,
কিনো যশ লভিলি অপাৰ॥
তাৰাৰ বিলাপ দেখি, লক্ষ্মণ সুগ্ৰীৱ বীৰ,
শ্ৰীৰামচন্দ্ৰ কৃপাময়।
বলবীত শোকশালে, তিনিবো শৰীৰদাহে
চক্ষু ঢাকি লোতক বহয়॥

পদ।

তাৰাবলে শুনাৰাম পৰম শাস্তিক।
বিমুখ সমৰে সমা মাৰিলাহা কিক॥
মদুগ্ধ সমান ভৈলো স্বামীৰ সন্তাপে।
তোমাক দাহিবে পাৰোঁ পতিব্ৰতা শাপে॥

তোমাক শাপিলে এবে জীৱে মোৰ স্বামী।
তেবেসে তোমাক শাপি ভস্মকৰোঁ আমি।
যেন আনিবেলা নকৰয় হেন পাপ।
সীমাদণ্ড থৈয়া আনৰূপে দেও শাপ॥
বাহুৰ প্ৰভাৱে তুমি সীতাক লাভিবা।
অগণিত পৰীক্ষিয়া অযোধ্যাক নিবা।
তথু জায়া সীতা দেবী হন্ত মহাশান্তি
তোমাক বিচুই অল্প কালে এড়িবন্ত॥
মই যেন মৰোঁ হেৰ স্বামীৰ বিযোগে।
তোমাক বঞ্চিবে সিটো দেবীৰ সম্ভোগে॥
বিশ্বাস নযায়া হৃদয়ত দিয়া শাল।
কৰিবা কাতৰ তেহোঁ যাইবন্ত পাতাল।
পাছে কটোক্ষণে সন্ধক্ষণ ভৈলা বালী।
চক্ষু মেলি কুটম্বক চাহিল নিহালি।
দেখন্ত অঙ্গদ চৰণত পৰি আছে।
সব বন্ধু জনে বেঢি কান্দে আগে পাছে।
ডাইন হাতে অঙ্গদক আলিঙ্গি ধৰিলা
বামহাতে তাৰাক ধৰিয়া বোধ দিলা॥
পাৰছেদ কৰি নপাইলোহো ভাৰ্য্যা লোক
যমপুৰে গৈলে মোক নেৰিবেক শোকে॥

হৰি হৰি পুত্ৰ ধন তাৰা পটেশ্বৰী।
বিচাৰ লগাইয়া হেৰা মই যাওঁ মাৰ ॥
তাসম্বাক এড়িলো এড়িলোঁ হৃদি খেদ।
তোমাৰে আমাৰে ভৈলা দৃষ্টি পৰিচ্ছেদ ॥
ভয়াই সুগ্ৰীৱ দেৱ মোৰ বোল শুন।
মৃতক ভ্ৰাতৃৰ নধৰিবাৰ দোষ গুণ ॥
যুবৰাজ কৰি অঙ্গদক ভালে ৰাখা।
মোৰ বলে বীৰ্য্যে পুত্ৰ তোৰ হৈব সখা।
থুৱাতে ভাতজে আদিত্যক দিবি ধাৰ ;
ইন্দ্ৰ দেৱতাত ভয় নুহিব তোমাৰ ॥
তোমাৰ বিপুল বলে কিছু নহিবেক।
মোৰ পুত্ৰে অনেক ৰাক্ষস মাৰিবেক ॥
সুগ্ৰীৱক গ্ৰীৱে ধৰি মুখে চুমাদিল।
অঙ্গদ পুত্ৰক হাতে হাতে সমৰ্পিল ॥
মোৰ পুত্ৰ নহি বাপু তোহোৰ তনয়।
ভালমতে অঙ্গদক পালিতে লাগয় ॥
কুলত থাকয় যদি একোদৰ ভাই।
একৰ তনয় আছে আৰ কাৰ নাই ॥
সেহি পুত্ৰ গুটি সবাহাৰে হয় সাৰ ;
জল পিণ্ড দানে কৰে বংশক উদ্ধাৰ ॥

শুনা বাপু বোলোঁ প্রাণ তনয় অঙ্গদ।
তোহোব খুৰাতে পাইল সকল সম্পদ ॥
আক সেৱা এড়ি কৰ্ম্মে কৰিবি সেৱলি।
অতি সেৱা কৰিয়া পাতালে গৈল বলী।
প্ৰণাম্মোহু ৰামচন্দ্ৰ কৰি হাত যোড়।
অল্প মতি শুবল বানর মুখ মোৰ ॥
শৰ বিষে যতেক বোলিলু খিলিস্কাৰ।
ইসব দোষক গোসাই ক্ষমিও আমাৰ
সুবৰ্ণৰ পঙ্কজ শোভয় পুষ্প মালা।
যাক পৰিধানে শ্ৰীধৰ সম কলা ॥
বাসবে দিলন্ত মোক মাণিকে উজ্জ্বলা।
শ্ৰীৰহস্তে কাঢ়িয়া দিলন্ত সেহিমালা ॥
লক্ষ্মণক দিয়া বোলে তযু শ্ৰীৰে ধৰা।
সুহৃ সুগ্ৰীৱক দিয়া ৰাজ্যক যোকাৰা ॥
অঙ্গদ কুমাৰ মোৰ তাৰা পটেশ্বৰী।
দুই চন্দ্ৰক প্ৰভু পালিবাহা ভাল কৰি ॥
বালক প্ৰবোধি পাছে মাতিলন্ত ৰাম।
ভাৰ্য্যাৰ পুত্ৰৰ শোক কৰা উপশাম ॥
তোমাতো অধিক কৰি সুগ্ৰীৱ পালিব।
অভিনন্দ ভাৱে ৰাজ ভোগে কাল নিব ॥

শুনিও সুগ্রীব মিত্র মোৰ বোল কৰা।
বালী দেন্ত মালা আপোনাৰ গ্ৰীৱেধৰা ॥
জ্যেষ্ঠ ভাইক লাগি কিছু নকৰিবা শোক।
পুষ্পৰথে চড়ি বালী যান্ত স্বৰ্গলোক ॥
লৈয়ো প্ৰাণ ভাই বুলি বালী মালা দিলা।
হৰিষ বিষাদ মনে সুগ্ৰীৱে পিন্ধিলা ॥
আতিশয় শোভা কৰে দশ গুণে কলা।
দেখি যেন মেৰুৰ শিখৰে সূৰ্য্য জ্বালা ॥
ভৈযাই সুগ্ৰীৱ মোৰ হেৰ্‌ প্ৰাণ ক্ষান্তি।
অঙ্গদক মাতোহো শুনিও তাৰা শান্তি ॥
বপাকে পৰিলোঁ তোৰ বচন নুশুনি।
পুত্ৰক পালিবি মোৰ দোষক নুগুণি ॥
আপদ কালত তোৰ এক বুদ্ধি তৰি।
মই যম ঘৰে যাওঁ বচন নকাৰ ॥
এহি বুলি বালী ৰাজা ভৈলা নিশবদ।
শৰ বিষে দুই চক্ষু ভৈগেল তবধ ॥
থৰবৰ ভৈলা বালীৰাইৰ হাত ভৰি।
অচেতন ভাৱে থাকিলন্ত দন্ত তৰি ॥
মুখ ভৈলা নিস্পান নাসাত বায়ু নাই।
পালটিল চক্ষু দুই আদিত্যক চাই ॥

নীলে দেখিলন্ত বালীবাইৰ নিৰ্জ্জান।
আজুড়িয়া কাঢ়িলন্ত ৰাঘৱৰ বাণ॥
ৰুধিৰে পূৰিত গাৱ নাহিকয় শান্তি।
বিজুলি ছটক যেন দেখি তাৰ কান্তি॥
স্বামীক ঘেৰিয়া কান্দে পটেশ্বৰী লোকে।
সুগ্ৰীৱ কান্দন্ত আতি জ্যেষ্ঠ ভাইৰ শোকে॥
ৰামচন্দ্ৰ লক্ষ্মণ কান্দন্ত হনুমন্ত।
সৈন্যে সমে চাৰিপাত্ৰ আৰু জাম্বৱন্ত॥
তাৰা বোলে স্বামী তুমি গৈলা পৰলোক।
যমৰ পুৰত প্ৰভু সুমৰিবা মোক॥
যাৰ মুঠি প্ৰহাৰে মেদিনী মেলে চিৰ।
হেনস্বামী ধৰনীত তেজিলা শৰীৰ॥
হা! স্বামী তুমি কেনে কাৰ্য্যক সাধিলা।
সুগ্ৰীৱক ডাকি ভ্ৰাতৃ বধ সম্বৰিলা॥
ধৰ্ম্মপথ এড়ি পাপ কৰিলা সকল।
অবিলম্বে পাইলা সেই অধৰ্ম্মৰ ফল॥
অঙ্গদে কান্দন্ত আতি বিয়াকুল চিত্ত।
হৃদয়ত মুঠিহানি পৰিলা ভূমিত॥
হা! বাপ মোক কি কৰিলা নিমাৰ্ম্মিত।
মহাশান্তি মাৰ মোৰ ভৈলা অনাথিত॥

বাজাব কুমাৰ কান্দে ধৰণীত লুটি।
হা। বাপ বোলন্ত পৰাণ যাই ফুটি ॥
দাঘল গহন পথে চলিলা আপোনে।
তয়ু পুত্ৰ ভাৰ্য্যা আবে পালবেক কোনে ॥
বাঘবে বোলন্ত আবে শান্ত কৰা চিত্ত।
বিস্তৰ ক্ৰন্দনে নুহি মৃতকৰ হিত ॥
বা পেট চৌতা সাজ্জযোক বহল বিস্তৰ।
তাতে তুলি বালীক কৰিও সংস্কাৰ ॥
বামৰ বচন যেবে ভৈলা অবসান।
পাছে বীৰ লক্ষ্মণে দিলন্ত সম্বিধান ॥
শোক এড়ি সুগ্ৰীৱ প্ৰেতৰ কাৰ্য্য চাহা।
পৰেশ্বৰা দেবা তুমি কিষ্কিন্ধ্যাক যাহা ॥
চতুৰ্দ্দোল যানত বালীক নিয়া তোলা।
গোবনদী সমীপত শীঘ্ৰে নিয়া পেলা ॥
অঙ্গদ কুমাৰ দিয়া পিণ্ড জলাঞ্জলী।
হনুমন্ত মুখে সব কাব্যক আকলি ॥
শিৰোগত ধৰিলন্ত লক্ষ্মণৰ বোল।
ততক্ষণে তাৰা অনাইলন্ত চতুৰ্দ্দোল ॥
অঙ্গদে সুগ্ৰীৱে দোলা তুলিয়া ধাৰলা।
পুৰাতে ভাতিজা গিৰ নদীকুলে নিলা ॥

আনো বর বর বীর পর্ব্বত আকার।
হাতে কান্ধে বহিলন্ত মৃতকর ভার॥
কান্দন্তে কান্ধত লৈয়া বৈলা চতুর্দ্দোলে।
বালীক পুরিলা নিয়া গিরিনদী কূলে॥
দন্ত কাষ্ঠ কাক বলি আবস্থান বলি।
অঙ্গদে পিতৃর দিলা পিণ্ড জলাঞ্জলী॥
নিজ গুরু ব্রাহ্মণে দিলন্ত চারি পাট।
অঙ্গদে করিলা কার্য্য বিধিরতে চারি॥
নানাবিধ দান করিলন্ত বৃষোৎসর্গ।
হনুমন্ত সুগ্রীব সমস্ত জ্ঞাতি বর্গ॥
দানে মানে সবে জ্ঞাতি সবতুষ্ট ভৈল।
পুষ্প রথে চড়ি বালী স্বর্গে চলি গৈল॥
সমস্ত বানর বলে কার্য্যক সর্ক্কলি।
রামর চরণে আসি করিলা সেব ল॥
হনুমন্তে রামক করিলা বহুস্তুতি।
তোমার প্রসাদে ভৈলা বালীর মুকুতি॥
আমারেক বোলোঁ বুলিবাক লাগে ডর।
ভরি চারি পাঞ্চ যাবা কিষ্কিন্ধ্যা নগর॥
রাজ্যক লাগিয়া যায়ো সুগ্রীবর মিত্র।
তুমি পরশিলে হবে থানর পবিত্র॥

ৰামচন্দ্রে বোলন্ত শুনিয়ো বায়ুসুত।
আমাৰ শিষ্যৰ কুকল্যাণ আছে কৈত॥
বনবাস খাটো পালি পিতৃৰ আদেশ।
চৈধ্যয় বছৰ নাহি নগৰ প্রবেশ॥
শুনিয়োক হনুমন্ত গবাক্ষ গৱয়।
মৈদ দ্বিবিধ শুনা বীৰ সমস্তয়॥
নল গন্ধ মাদন সুসেন নাম হৰি।
ব্রহ্মাৰ তনয় ওবা শুনিয়ো কেশৰী॥
তাৰ বীৰ পনস শুনিয়োঃ জাম্বুবন্ত।
দধিমুখ যূথপাতি আৰৰ আছন্ত॥
ইন্দ্রজানু সুজানু শুনিও বীৰ নীল।
ঋষভ সৰভ আৰ শুনিও সুশীল॥
সমস্ত সম্প্রতি সর্ব্বক্ষণ শুনিওক।
গোলাঙ্গল জাতি কপি আছা যত লোক।
সবে মহাবীৰ যেন দেৱৰ সমাজ।
সবোমিলি সুগ্রীৱক জোকাবিয়ো ৰাজ॥
বালীসুত মহাবীৰ আছন্ত অঙ্গদ।
সবেমিলি দিবা তাঙ্ক যুবৰাজ পদ॥
আমাৰ বচনে সবে হেলা পৰিহাৰ।
সমস্ত বানৰ যাযো কিষ্কিন্ধ্যা নগৰ॥

চ'লয়ো সুগ্ৰীৱ মিত্ৰ লোৱা দণ্ডপাট।
প্ৰজা প্ৰতিপালি আজ্ঞা কৰিবাহা ডাট ॥
নটে ভাটে ব্ৰাহ্মণে মঙ্গল কৰন্তোক।
সম্পৰ্লোঁ তোমাতে তাৰা দেৱী আছন্তোক ॥
শ্ৰাৱণাদি মাস মুখ্য বাৰিষাৰ কাল।
দিনতে আন্ধাৰ মহা মেঘৰ ঘঞ্চাল ॥
বানৰ গণৰ আৰ কিছু নাহি কাজ।
ইটো চাৰি মাস মহা সুখে কৰা ৰাজ।
আমি থিত হৈবোঁ হো শ্ৰাৱণ গিৰিবৰে।
মিত্ৰৰ নিমিত্তে চিত্ত উতাৱল কৰে ॥
কাৰ্ত্তিক নিবৰ্ত্তি গেলে অগ্ৰাহন মাস।
সীতাক খুজিবে যেন নমাত্তিও আস ॥
সুগ্ৰীৱ বোলন্ত আবে ভৈলা প্ৰতিকাৰ।
ভাৰ্য্যাকো লভিলোঁ অকণ্টকা ৰাজ্যভাৰ ॥
সীতাক খুজিবো আমি চাৰি মাস পাছে।
ধাৰলাগি মিত্ৰৰ আমাৰ গাৱে আছে ॥
ৰামক প্ৰণাম কৰি ভালুক বানৰে।
নগৰত প্ৰবেশ ভৈলন্ত চুপ কৰে ॥
চৌদোলে সুগ্ৰীৱ ওহাৰিত পয়োসাৰ ॥
হিৰা মণি মাণিক্যে কৰয় জ্যোতিস্কাৰ ॥

লক্ষ্মাৰ ভুবন যেন জগতেতে সাৰ।
সুগ্ৰীৱ বোলন্ত বিধি প্ৰসন্ন আমাৰ ॥
ভৈযাৰি ভিতৰে পঞ্চ ৰত্নৰ ভাণ্ডাৰ।
শুভাশুভ যে কয় ভৈ গৈল জোকাৰ ॥
দণ্ড ছত্ৰ পতাকা বাদ্য নৃত্য গীত।
সুগন্ধ শীতল বায়ে আমোদিত চিত্ত ॥
নানাবিধ চিত্ৰ থান আতি বিতোপন।
দেখি সুগ্ৰীৱৰ উল্লাসিয়া গৈলা মন ॥
পট্টলি পট্টলি সবে পুটিলা তোৰণ।
সুৱৰ্ণৰ দীপ ঘট সুগন্ধ চন্দন ॥
দুৰ্ব্বাক্ষত দিলা পঞ্চৰত্ন নিৰন্তৰে।
পশিলন্ত সুগ্ৰীৱে শ্ৰীমন্ত বাস ঘৰে ॥
শুনা ৰামায়ণ পদ যত সম্বাদ।
শুনান্ত মঙ্গল মিলে গুচয় আপদ ॥
যাৰ যেন বাঞ্ছিত মনৰ পুৰেকাম।
নিৰন্তৰে নৰে ডাকি বোলা ৰাম ৰাম ॥

—০—

ছবি।

অন্তেষ পূৰৱ হস্তে, মহন্ত সুগ্ৰীৱ বীৰে,
বস্ত্ৰ মণ্ডপক চলি গৈল।
মন্ত্ৰী পাত্ৰ গণে মিলি, সেৱলি কৰিয়া পাছে,
বাৰে বাৰে প্ৰশংসিবে লৈলা॥
সুবৰ্ণ ৰজত বস্ত্ৰে, শৰীৰক মণ্ডলন্ত,
অলঙ্কাৰে দেখি হেম ময়।
হৰষিত বদনৰ, কান্তি হয় প্ৰকাশয়,
যেন দেখি সূৰ্য্যৰ উদয়॥
হনুমন্ত আদি কৰি, মুখ্য মুখ্য বীৰগণ
ৰামৰ আজ্ঞাক শিৰে লৈলা।
ভাল ভাল দূত গণ, দেশে দেশে পঠাই দিয়া,
সম্ভাৰে মিলাইয়া সবে বৈলা
গঙ্গাদেবী আদি কৰি, যত যত তীৰ্থ আছে,
আৰো সাত সাগৰৰ জল।
সুবৰ্ণৰ অষ্ট ঘট, অগৰু সুগন্ধি জলে,
ভৰি আম ডালি দিলা ফল॥

আসিল সকল নারী, ধরি শুভ লগ্ন করি,
শুভ দিন চাই শুভক্ষণ ।
দুই পাট মহাদৈক, অলঙ্কারে মণ্ডিলন্ত,
অঙ্গচয় দেখি সুশোভন ॥
সুবর্ণর সিংহাসনে, সুগ্রীব নৃপতি আদি,
লীলারূপে থাকিলন্ত বসি ।
ডাহিনত লোমা দেবী, বামত বসিলা তার,
নক্ষত্র মাজত যেন শশী ॥
ব্রাহ্মণ সকল সঙ্গে, সুমঙ্গল করিলন্ত,
পাতিলন্ত গণ-পতি ঘট ।
নানাভঙ্গ ভাবকরি, বিদ্যাধরী নাচেগারে,
অসংখ্যাত গায় ভাটনট ॥
কোলাহল লাগি গৈল, নগরত চউভেল,
জল স্থল লাগি গৈলাভয় ।
অসংখ্য শঙ্খর নাদে, গগন পূরিযা গৈল,
বন্ধুবর্গে করে জয় জয় ॥
বীর ঢাক ঢোল বাজে, তবধ দগধ দাণ্ড,
শবদ শুনিয়া কোলাহল ।
ভেমচ খর্মাচ চয়, ঝাঝর বেমচি বাজে,
বামতাল আরো করতাল ॥

ঢোকাৰ কেন্দুৰা বাজে, বিপাঞ্চ দোতাৰ কদ্ৰ,

বীণ, বাঁশী দশৰি মহুৰ ।

জাঙ্গুৰি কাহালি শিঙা, ভেৰিঢাকে নিৰন্তৰে,

স্বৰ্গ ভুবনকো গৈলা প্ৰাৰ ॥

ধবল চামৰ কৰে, ধৰি দুই পাত্ৰে আনি,

আগে পাছে থাকি গৈলা ঢাল ।

নিৰ্ম্মল চন্দ্ৰৰ সম, ধবল ছত্ৰেক আনি,

ধৰিলন্ত কৌতুহলে তুলি ॥

পণ্ডিত ব্ৰাহ্মণ গণ, বাহুত আভাত দিল,

কন্যাগণে কৰিলা মঙ্গল ।

দ্বিজ গণে মন্ত্ৰ পাঢ়, দূৰ্ব্বাক্ষত দিলা মাথে,

আৰ সাত সাগৰৰ জল ॥

হনুমন্ত জাম্বুবন্ত, গৱাক্ষ কেশৰী আৰো,

দধিমুখ নীল নল তাৰ ।

যথা যোগ্য ধৰি আসি, নিৰন্তৰে পাত্ৰ গণে,

দিয় জয় কৰয় জোকাৰ ॥

সুবৰ্ণ মুকুট কলে, সাঙ্কলন্ত কৌতুহলে,

কি কহিবো তাহাৰ মহিমা ।

অনন্ত উৎসৱ হুয়, নাৰীগণে জোকাৰয়,

ধ্বনি নিচো গৈলা স্বৰ্গ সীমা ॥

হনুমন্ত আদি করি, মুখ্য মুখ্য বীর গণ,
মিলিলন্ত সকল সমাজ।
তারা দেবী তনয়ক, মহাবীর অঙ্গদক,
তেখনে পাতিলা যুবরাজ॥
মংস্তুক পালিবাহা, দুষ্টক করিবা দণ্ড,
রাজ্য জন নকারিবা পীড়া।
তারা লোম চহ ভার্য্যা, দুই পাশে লৈয়া রাজা,
স্নগ্রীব করন্ত কাম ক্রীড়া॥
এ'হরি'ল পাত্র গণ, অঙ্গদক নিয়োজিলা,
স্নগ্রীব ভৈলন্ত মহারাজা।
রামর চরণ সেৱা, প্রসাদে পরম স্নখী,
ভইযা রৈলা কিষ্কিন্ধ্যার প্রজা॥
.. সভাসদ হয়, সাক্ষাতে অমৃতময়,
রামর চরিত্র হনুপাম।
মাধব কন্দলী ভণে, বৃন্দলোক ঘনে ঘনে,
ডাকি উচ্চ করি রাম রাম॥

পদ।

শ্রাবণ মাসত গিরি অতি অনুপম।
বারিষা কালত সিটো বঞ্চিবে উত্তম ॥
দক্ষিণে নিৰ্ম্মলা বাসা নদী সন্নিহিত।
দুই ভাই চারি মাস বঞ্চিলা তাহত॥
শ্রাবণ মাসত মুখ্য বারিষার কাল।
দিনতে অন্ধার মেঘে করে কোলাহল ॥
সুরভি শীতল অতি দক্ষিণর বায়ে।
কোকিলর কুহু নাদে নিদ্রার জগায়ে ॥
প্রমত্ত ভ্রমরে যেন মালতিক চুমে।
বিরাহিণী নারীয়ে বিহ্বল চিত্ত ঘুমে ॥
মেঘর গর্জ্জনা শুনি মৈরা করে নাদ।
সীতাক সুমরি রামে করন্ত বিষাদ ॥
কৈক গৈলে সীতা মোর বচন অমৃত।
প্রাণেশ্বরী অবিহনে নধরয় চিত্ত ॥
স্বভাবে বারিষা কালে কাম অতিরেক।
একো গোটা দিনে যাই এক বরিষেক ॥
রাঘবে বলন্ত লখাই নসহে পরাণ।
দারক দহে মদনর পঞ্চ বাণ ॥

চম্পক মালতি গন্ধে হৃদয় নসহে ।
প্ৰাণ সকলয় যেন সীতাৰ বিৰহে ॥
লক্ষ্মণে বোলন্ত দদা এৰিয়ো বিকল ।
অতিশয় শোক হৈব শৰীৰ দুৰ্ব্বল ॥
এ লঙ্কা ৰাৱণ খল পৰ্ব্বত বেঢ়েনে ।
দুৰ্ব্বল শৰীৰে তাক যুজিবাচা কেনে ॥
প্ৰবল আগনি যেন দাহে আতিৱন ।
সহজে জ্বলন্ত সখা হোৱন্ত পৱন ॥
দীপৰ আগনি নিমাৱন্ত সেহি বাৰে ।
সুহৃদ জনৰ হন্ত তেনসে স্বভাৱে ॥
সন্তাপ এৰিয়ো দদা নকৰিবা শোক ।
অমৃত সমান ফল মূল ভুঞ্জিযোক ॥
বাৰিষাৰ প্ৰস্ৰবণ গিৰিত আছন্ত ।
সুগ্ৰীৱক নিতে হনুমন্তে সাৱাৰন্ত ॥
মাৰুতিয়ে বোলন্ত শুনিও মহাবাই ।
কাৰ্ত্তিক নিবৰ্ত্তি গৈলা হেলা সুষুৰাই ॥
নিয়ো আসি খুজন্তে আপুনি যেবে যাই ।
তেবেসে মিত্ৰত হন্তে কল্যাণক পাই ॥
ৰামমিত্ৰ ভৈলা তিনি ত্ৰৈলোক্যতে সাৰ ।
যাতহন্তে ভৈলা তুমি দুৰ্গতি উদ্ধাৰ ॥

পটেশ্বরী গণে পাইলা গুচ্ছিলা আপদ।
যাহার প্রসাদে তুমি পাইলা রাজ্যপদ॥
হিত বোল শুনা এড়িয়োক রাজ ভোগ।
সততে পাইবাহা নারীগণ উপভোগ॥
সুখে দুখে যাহাত বারত্ব সুযুয়াই।
রামে খেদি আসিলে ভালর চিন নাই॥
আপদ সময়ে হিতাহিতক নজানি।
রাজ ভোগ এড়িয়া শুনিও হিতবানী॥
এহিমতে পাত্রগণে হিত বুলিলন্ত।
কটাক্ষে সুগ্রীব বীরে মোনে গ্যাকলন্ত॥
গৈলা অগ্রাহয়নর দিবস কতি শয়।
অকণ নয়নে রামে ক্রোধিয়া বোলয়॥
দেখিলা লক্ষ্মণ ভাই বানরর নয়
আসো বুলি পিঠি দিয়া এখন নাহয়॥
আপোনাযে সুখে আছে মোহোক এরিল।
নিলাজ বানর সবে গুণ পাশরিল॥
মিত্র বন্ধাহর্লোহো বনর পশু গণ।
জলে রেখা দিলে যেন গুচে ততক্ষণ॥
কিষ্কিন্ধ্যাক লথাই তুমি কারয়ো গমন।
শীঘ্রেগৈয়া সিতো বানরাক ধরি আন।

পাণ্ডিত জনক যেন ভাণ্ডি গৈলা বোবে !
বটালি নকাটে বিনা হাথুৰিৰ কোবে ॥
ৰামৰ বচন শুনি লক্ষ্মণৰ খঙ্গ।
মাৰো বানৰাক আজি ক্ষুদ্ৰ যে পতঙ্গ ॥
তোমাক ভাণ্ডিল দদা চেৰা আসো বুলি।
কিষ্কিন্ধ্যা নগৰ পাইয়া কৰয় ধেমালি ॥
বালীক মাৰিলা তুমি সিটো ভুঞ্জে ৰাজ।
তুমি ঘোৰ বনে ৰহা অৰণ্যৰ মাজ ॥
ধানক পীড়িয়া বিনা বনে থাকে পীড়ি।
গৃহস্থৰ গলে কান লাগি কতপৰি ॥
স্বৰূপ বোলোঁহো মিছা নোবোলোঁহো বাজি
বানৰ কুলৰ যম হুইযা যাওঁ আজি ॥
শৰে হানি পেলাইবোঁহো সুগ্ৰীৱক ছেদি।
বানৰৰ ৰুধিৰে বহাইবো ঘোৰ নদী ॥
শ্ৰীৰামে বোলন্ত লখাই শুনা ৰাজনয়।
গম্ভীৰ চৰিত্ৰে কাৰ্য্য ঝাণ্টে লগ লয় ॥
সৰস বচনে যেবে নাসে মোৰ পাশ।
নিষ্ঠুৰ বচনে তাক লগাইবাহা ত্ৰাস ॥
যিটো শৰে বালীৰাই গৈলা যম ঘৰ।
তুলিবা সম্প্ৰতি টুনে আছে সেই শৰ ॥

একেশরে জ্যেষ্ঠ ভাই মারিল তোমারে।
তুমি পুনু মরিবাহা পুত্র পরিবারে।

তুলড়ি।

বন্দক প্রণামি, লক্ষ্মণ কুমার,
চলিলা কিষ্কিন্ধ্যা পুর।
চরণ প্রহারে, পৃথিবী কাম্পয়,
মেদিনী মেলয় চির॥

ক্রোধ নয়নে, সত্বর গমনে,
কিষ্কিন্ধ্যা পুরক পাইল।
হাতে বৃক্ষ শিলা, পর্ব্বত ধরিয়া,
প্রচণ্ড বানরে ধাইল॥

দশবার মাঝে, দবা দাব লাগি,
বানবর তুল স্থুলি।
পাত্র মেলেকক, অঙ্গদে পঠাইলা,
বজাত জনাইয়ো বুলি॥

তাৰা দেৱী সঙ্গে, আছে মন ৰঙ্গে,
বাজাক লগ নপাইল।
নগৰি ৰাখিতে, লাগি হনুমন্তে,
অনেক সৈন্য চলাইল॥
একোহো বানৰ, পয়ানে চলিল,
হস্তীৰ যেন প্ৰমাণ।
কাহো শতেক কাহো সহস্ৰেক,
বানৰে কৰে কৰে প্ৰয়াণ॥
হাতে বৃক্ষ শিলা, উপাৰি ধৰিয়া,
কোটী অসংখ্যাত ধাইল।
লক্ষ্মণ বীৰৰ, মূৰ্ত্তিক দেখিয়া,
বানৰ ভাগি পলাইল॥
মহাভয় হন্তে, থমকি থাকিলা,
কেহু বোলে লও প্ৰাণ।
কেহুবোলে আক দিযো বৃক্ষ ঝাক,
পৰ্ব্বত শিখৰ মান॥
ধনুৰ টঙ্কাৰ, কৰিয়া লক্ষ্মণে,
বানৰ বল ডাকিল।
সিংহ দৰশনে, মৃগযূথ যেনে,
বানৰ সব ভাগিল॥

পাত্ৰমন্ত্ৰী গণে, ইঙ্গিতে জানিয়া,
ৰাজাত গৈয়া জনাইল ।
আন কেহু নোহে, খৰতৰ বেগ,
লক্ষ্মণ বাৰেসে আইল ॥
হনুৰে বোলন্ত, কৈসানি বুলিলে,
আপুনি চলি যায়োক ।
সদ বুদ্ধি মানে, অস্ত্র নপাৰিল,
তাহাৰ ফল পায়োক ॥
সুগ্ৰীৱে বোলন্ত, শুন হনুমন্ত,
শুনা সবে কপিগণ ।
ইন্দ্ৰক জিনিবে, সমৰ্থ আছো,
আছোক ৰাম লক্ষ্মণ ॥
সাত পৃথিবীৰ, ভালুক বানৰ,
যোগাৰে মাণিক গন্ধ ।
আগক চাহন্ত, শুণন্তে গান্ধন্তে,
পাছক চাহন্তে অন্ধ ॥
আছোক পৃথিবী, সপত সাগৰ,
বালুকা চালিতে পাৰি ।
কিন্তু মিত্ৰভাৰ, কেমনে বাঞ্চিবো,
ৰাম বৰ উপকাৰী ॥

ৰামাৰ ওংৰে, লক্ষ্মণ আসিলা,
কাৰ্য্যৰ শঙ্কট পুছোঁ।
মোক সদ বুদ্ধি, দিয়ো হনুমন্ত,
আগ বাটে কি পাছ গুছোঁ॥
কৰ যাড় কৰি, বচন বোলন্ত,
বায়ুসুত হনুমন্ত।
স্বৰূপ বুলিলা, তোমাৰ সদৃশ,
বলবন্ত নাহি অন্ত॥
ৰ ঘৰৰ শৰে, সাত তাল ভেদি,
পশিল গৈয়া পাতাল।
পাতাল ভেদিয়া, টুনক পশিল,
সতে আছে যম কাল॥
হেন ৰাম প্ৰভু, সখিত্ব ভৈলন্ত,
কতবা জন্মৰ ফলে।
বালিক মাৰিয়া, তাৰাক সম্পিল,
ৰাজ্য ভুঞ্জা আবকলে॥
যাহাৰ প্ৰসাদ, পাইলা ৰাজ স্ত্ৰীক,
তাহাক নকৰা কাণ।
বানৰ লোকৰ, জ্ঞান ভৈল হত;
এবে যাব নাক কাণ॥

লাজত বিমুখ, নোহিও নৃপতি,
মোৰ বাক্যে মন কৰা।
ৰামৰ বচনে, লক্ষ্মণ খঙ্গল,
তানে চৰণত ধৰা॥
বিনয় কাকুতি, বুলি আগ বাঢ়ি,
লখাইতে লোৱা শৰণ।
তেবে ৰক্ষা পাবা, জানিবা নৃপতি,
হানিলে নিশ্চয় মৰণ॥
ধনুৰ টঙ্কাৰ, কৰিয়া লক্ষ্মণ,
বানৰ সৈন্য ভঙ্গাইল।
মানিকে মণ্ডিত, নগাৰ চাহন্তে,
সিংহ দুৱাৰক পাইল॥
সপত বেবন্ধা, এড়াই অনন্তৰে,
অভ্যন্তৰে পয়োসাৰ।
মহাদেবীগণ দেখিলা লক্ষ্মণ,
অলঙ্কাৰে ঝাতিষ্কাৰ।
ৰত্নে বিৰচিত, জ্বলে থানে থান,
হাসো হাসো যেন কৰে।
পটেশ্বৰী সমে, নিজে সুগ্ৰীৱক,
দেখিলা খাট উপৰে॥

লক্ষ্মণ বীৰক,   দেখিয়া সুগ্ৰীৱ,
ত্বৰিতে চাপিলা পাৰ।
তাহাকে প্ৰণাম,   কৰি তিনি জনে,
ভৈলা অৱনত ভাৰ॥
ডাহিন পাখ্ৰে,   লোমা পটেশ্বৰী,
যেহেন ৰূপে পাৰ্ব্বতী।
ৰাম ও সুন্দৰী,   তাৰা বহি আছে,
একো অঙ্গে নাহি ক্ষতি॥
লক্ষ্মণ বীৰক,   দেখি সেই ঠাই,
কাৰালেক হেট মুণ্ড।
ৰাহুক দেখিয়া,   যেহেন মলিন,
ভৈলা পূৰ্ণিমাৰ চান্দ॥
পাদ্য অৰ্ঘ্য আচ,   মনি দিলা ৰাজা;
আৰো মধুপৰ্ক দান।
সুবৰ্ণৰ খাট,   মাথে দিলা নিয়া,
কৰি আতি বহু মান॥
ৰামৰ কনিষ্ঠ,   লক্ষ্মণে বোলন্ত,
প্ৰাহি হেন ব্যবহাৰ।
দদা বুলিবাৰ,   কাৰ্পন্য সাৰিলে,
নৈলেকোহো সৎকাৰ॥

হাউৰে বানৰা, মিত্ৰক বান্ধিলি,
আগুৱাক সব পশু।
ভূত্য হুয়া তৈল, কুট চলাবয়,
গৃহস্থৰ গাৱে খস্ত॥
'সংহে হৰিণক, মাৰিল শৃগাল,
পশুৰ ৰব উঠনি।
ঈশ্বৰ পিয়াসে, মৰই ইবাব,
ভুঞ্জে ডাবৰৰ পাণা॥
ৰামৰ কাৰ্য্য, হেলা কাৰ হই,
মোক কৰা সত্কাৰ।
তুষ্টৰ বিনয়, যতেক বোলয়,
মোত নিবিকাস আৰ॥
পৰ্ব্বতক পিঠে, দিলে মূঢ তই,
শুনৰে নিলাজ ছাৰ।
কৰে হানি তোৰ, প্ৰাণ কাটি লৈবো,
ত্ৰৈলোক্যে নাহি নিস্তাৰ।
হেনয় জানিব, হিতক চিন্তিল,
পাছে উপকাৰ কৰে।
কুলিন পৰাণ, ভৈল ভাগে তাৰ,
মনে মদ বুদ্ধি ধৰে॥

সদাৰ আশয়,　　শুনৰে বানৰা,
চেতন লও মনত ।
বাটো শৰ হানি,　　বালীক মাৰিলোঁ,
অদ্যাপি আছে টনত ॥
সদ বুলিলন্তু,　　দুষ্ট বানৰাত
মোহোৰ আদেশ কহ ।
মন্তু শাস্বাচয়,　　প্ৰকটে আছয়,
বালী মাৰিবাৰ গহ ॥
সুগ্ৰীৱ আপুনি,　　বন্ধুজন সমে,
চলি যাহা বালী পথে ।
মোৰ নিষ্কাৰ্য্য,　　মোক নিৰকাৰে,
শাক দিবো ভাল মতে ॥
এতেক্ষণে সদা　　তেতে আছন্তক,
মহ পুনু তাৰ ভৃত্য ।
ইহুন মানন,　　শৰীৰে মোহোৰ,
কৰিবোহো চূৰ্ণাকৃত্য ॥
বানৰ গোটৰ,　　এতমান সাৰ,
মাৰে শাস্তবক খালি ।
দমণ পাবৰ,　　কেবেসে পলাইব,
অদয়ৰ ভুল গুলি ॥

হেৰা আসোঁ বুলি, আমাক ভাণ্ডিলি,
চাৰি মাস গৈল বহি।
এই ইঠাৱত, ৰাজ ভোগ বস,
সদাৰ বিকাৰ তহি ॥
চাউৰে বানৰা, মুণ্ড তুলি চাহ,
দেখৰে দাৰুণ শৰ।
এহি শৰ হানি, প্ৰাণ তোৰ লৈবোঁ,
পঠাই দিবো যম ঘৰ ॥
এতেকে কহন্তে, সুগ্ৰীৱ বান্দাৰ,
বুক থৰ থৰ কৰে।
কটাক্ষ নয়নে, সাঙ্কোচিত মনে,
জানো হানে এবেশাৰ ॥
সিংহ দৰশনে, মৃগযূথ যেন,
শৰীৰ ডৰে কম্পৰে।
কৰি কৃতাঞ্জলী, কৰি বিতান জ্ঞান,
নমিলা লক্ষ্মণ পাৱে ॥
তুই পটেশ্বৰা, সহান্ত নৃপাং
যোড় হাতে ভৈল থিৰ।
মিনতি বচন, বুলিবে লাগিলা,
তাৰা সুষেণৰ জীৱ।

শুনিয়ো লক্ষ্মণ, দশৰথ সুত,
ৰামৰ কনিষ্ঠ ভাই।
অসোধনে কেনে, স্বামীক নিন্দাহা,
আমাৰ কৰ্ম্মক পাই॥
অতিশয় তুমি, কোপ নকৰিবা,
নকৰিবা অতি খেদ।
বিষ বৃক্ষ যদি, আপুনি ৰোৱয়,
তাকো নকৰয় ছেদ॥
তোমাৰ ক্রোধে যে, ইযো স্বামী মৰে,
তেবে কোন যশ পাইব।
বেড়ালীৰ যদি, দোষক ধৰিয়া
নিতে হাণ্ডি পেল্লাইব:
অনেক আমাৰ, বচন আছই,
চৰণে প্ৰভু তোমাৰ।
সুগ্ৰীৱ আমাৰ, সক্রোধ নহন্তু
সন্ত মহন্ত সাৰ॥
মুনিগণ মাজে, যাহাক দেখয়,
খড়ি মাটি ধৰি আগে।
হেনয় স্বামীক, নিন্দন্তে আসাহা,
আমাৰ বৰ অভাগে॥

[illegible]পানে গিযানে, বামে মাত্র গতি,
দেখ নজানন্ত আন।
ব[illegible] ব[illegible] বামে, সাতোক পাইবন্ত,
[illegible]েন সে যোগ ধিযান ॥
[illegible] [illegible] লাগি, দৃঢ়ক পাকিল,
ভালুক বানৰ আনি।
বামৰ পাশক, বাজা চপ কৰে,
কালৰ প্ৰমাণ জানি ॥
[illegible] সভাসদ, বামাৰ [illegible]দ,
দেখিও [illegible]কনে [illegible]সুখ।
ঈশ্বৰ বামক, স্তুখিত কাৰয,
তথাপিতো পা[illegible] দুখ ॥
[illegible]কাম প্ৰাণীৰ, দশ স্তুতচা,
তাক ভালমতে জানি।
[illegible]কাম কোজৰ, বামক [illegible] জয,
বোল বাম বাম বাণী ॥

পদ।

অনন্তৰে মাতিলা সুগ্ৰীৱ মহাবীৰ।
দোষ ক্ষমা কৰিওক বানৰ জাতিৰ।
একেবাৰে ভৃত্যৰ দোষৰ নেদি ফল।
জাতি বুদ্ধি একে আমি তৰল চঞ্চল।
তোমাৰ কোপক দোষ ডৰাবে বানৰ।
ৰামৰ আছয় কোপ সবাৰো উপৰ॥
তোমাত শৰণ লৈলোঁ যেন জুৰাই হোক
ৰামৰ চৰণে নিয়া ভেণ্টাই দিয়া মোক।
বিমৰিষ বোলা যান একেস্বৰে যাউঁ।
সুহি দিন দশ থাকা সৈন্যক জণ্টাউঁ
ইটো দুইজণা দাদা মই ভৈলো দাস।
তোমাৰ কোপক দোষ বৰ লাগে ত্ৰাস
সুগ্ৰীৱ কাকুতে ভাৱে তুতি কৰন্ত।
লক্ষ্মণ বীৰৰ কোপ ভৈলা উপশান্ত॥
বিমৰিষি বচন বুলিলা মিষ্টে নিষ্ট।
মোক কোপ এৰা দদা তোমাৰ কানষ্ঠ
দিন দশ থাকো মই সৈন্য জণ্টাইযোক।
ৰামৰ পাশক চপ কৰি চালওক॥

কিবা হনুমন্ত বুলি ৰাজাৰ আদেশ।
সাংগচন্ত জাম্বুৱন্তে কৰি বিমৰিষ॥
উদয় অষ্টাগৰি যত মেৰু মন্দৰৰ।
সমস্তে আসোক যত ভালুক বানৰ॥
সপ্তদ্বীপা বসুমতী সপত সাগৰ।
যত মানে চন্দ্ৰ সূৰ্য্য কিৰণ পশৰ॥
অমাৱাস অন্ধকাৰ সবে নিষ্ট জানি।
দশ দিন ভিতৰত সেন্য দিবা আনি॥
পুনি জানাইবা যেন নৃপতি প্ৰচণ্ড।
শীঘ্ৰ কৰি নাসিলে কৰিবো উগ্ৰ দণ্ড॥
তাহাৰ আদেশ যেহি যেহি লোকে পালে।
দশ দিন ভিতৰত আসিয়ো সকালে॥
পুনি জানিয়া চিন্তিযোক হিত কাজ।
স্ত্ৰৰ থাকিব যেন নপাই মই লাজ॥
যত দূত আগে আছে আদেশ পাইলেক।
তাকে লাগি পঠাইযোক ওপৰ চলোক॥
ৰাজাৰ আদেশ যেবে পাইলা বায়ু সুত।
দেশে দেশে দূত পঠাই দিলন্ত বহুত॥
ৰাজাৰ আদেশ যেবে হনুমন্তে পাইল।
সমস্ত দেশৰ যত বানৰ জৰাইল॥

নৃপতিৰ আজ্ঞা বাণী শিৰোগত মানি।
সাসলেক সেনা গণ দশো দিশে ছানি॥
আকাশ ঢাকয়া যেন কৰিঙ্গা উজাস্তি।
আপোনাৰ যূথে যূথে কিষ্কিন্ধ্যা পাইলাস্ত॥
পৰত যেন বিবিঙ্গ শৰীৰ শুহ ছুটি।
মন্দৰ গিৰিৰ আইল তিনিশত কোটি॥
পুষ্ট শৰীৰ লুহোৰিয়া বৰ্ণ কস্তি।
ইনদেখি স্বৰ্গ কোল একে জাম্পে যাস্তি॥
যিবা পৰ্ব্বত অস্ট যান্ত দিবাকৰ।
তেৰপৰা শত কোটী আসিলা বানৰ॥
কলাসৰ আসিলা বানৰ কুড়িশত।
কাত্ৰৰ সদৃশ দেখি শৰীৰ সাক্ষাত॥
কল মূল ভুঞ্জি মাত্ৰ থাকে অহৰ্নিশ।
হিমৱন্ত হন্তে আসি ভৈলা কোটী দশ॥
আন পুৰ্ব্বতৰ যত আইল যূথে যূথে।
কোনে বৰ্ণাইবেক কপি কটক বহুতে॥
অঙ্গাৰোৰ তাৰৰ যত কটক বানৰ।
তমাল পুষ্পৰ সম সব কলেবৰ॥
নাৰিকল ফল ভুঞ্জে সুখী সদা চাৰী।
তেৰহন্তে আইল যত বৰ্ণাইতে নপাৰি॥

ভালুক বানৰ যত কটক বহুত।
সুগ্ৰীৱ ৰাজাত আসি জান দিলা দূত।
আদেশ গোসাই দেখা গগণ মণ্ডল।
হেৰা আসি ভৈলা প্ৰভূ তযু সৈন্য বল॥
দূতৰ বচন শুনি কাৰ সতকাৰ।
হৰিষে মাটীত ভৰি নপৰে ৰাজাৰ॥
হাঙ্কাৰি আনিলা যত আমাৰ সমাজ।
লক্ষ্মণে বোলন্ত সবে পূৰ্ণ ভৈলা কাজ।
হৰিষে লক্ষ্মণে সুগ্ৰীৱৰ ধৰিগলে;
ৰাজাৰ আদেশে চালন্ত চতুৰ্দ্দোলে॥
আগত লক্ষ্মণ পাছে সুগ্ৰীৱ লড়িলা।
ৰাম পাশে যান্তে শুভ মঙ্গলে লড়িলা।
দুই হাঙ্কো ঢোলন্তে যাই ধৱল চামৰ।
শিৰে শ্বেত ছত্ৰ যেন জ্বলে শশোধৰ॥
আগে পাছে অসংখ্যাত বানৰ ছলয়।
জয় জয় ৰাম চন্দ্ৰ বুলি জোকাৰয়॥
কতোকো দূৰতে দুয়ো ভৈলা ভূমি পাৰ।
পাইলা কতোক্ষণে গৈযা ৰাঘৱৰ ঠাৱ॥
লক্ষ্মণে সুগ্ৰীৱক কৰি কৃতাঞ্জলা।
ৰামৰ চৰণে দুইয়ো কৰিলা সেৱাল॥

হাত যোড়ে সুগ্ৰীৱ থাকিল ৰাম বুলি।
অপৰাধ মৰ্ষিয়ো নিজ ভৃত্য বুলি॥
কৃতাঞ্জলী কৰিলন্ত বানৰ সকলে।
সূৰ্য্য অস্ত যান্তে যেন সঙ্কোচ কমলে॥
কটাক্ষে ৰাঘৱে চাহিলন্ত চতুৰ্দ্দিতি।
অসংখ্য পদাতি দেখি সুগ্ৰীৱ সহিতি॥
কোল চাপা বুলিলন্ত পাস পৰিহাৰ।
সজ্জন পৰিহা কৰে পৰিহাস কাৰ॥
বসিয়া আছন্ত সৱ সমাজক বন্দি।
সুগ্ৰীৱক ৰামচন্দ্ৰ চলবাদে গন্দি॥
সাধু সাধু সখা তুমি মোৰ মহামিত্ৰ।
আমাৰ কাৰ্য্যত দেখো উত্ৰাৱল চিত্ত।
অল্পনে অন্তৰ মাত্ৰ বচন কাৰ্য্যত।
মুখত অমৃত দেখি কপট মনত॥
হনুমন্ত প্ৰমুখ্যে শুনিয়া কপি যত।
স্বৰূপ কাহিনী কহো শাস্ত্ৰৰ সম্মত॥
দুষ্ট ভাৰ্য্যা শঠ মিত্ৰ হৈ গৈলা যাহাৰ।
স্বামীক সেৱক জনে কৰে অহঙ্কাৰ॥
সৰ্প সম্বাহিতে যেন একে ঘৰে বাস।
সিজনৰ নাহি জানা জীৱনৰ আশ।

অধর্ম্মত তৎপর হবে নিতে নিতে।
অবশ্যকে নোৱাবিবে ধন উপার্জ্জিতে॥
ধর্ম্ম অর্থ কাম তার একোৱে নিমিলে
হেন নৃপতিক জানা অধর্ম্মে সে গিলে॥
সুগ্রীব আমার জানা মিত্র সেহি মত।
আবচাবে মিত্রবৃত্তি করিলোঁ পূর্ব্বত॥
অতিহন্তে সীতা পাইবো হেন আশ কৈলোঁ।
আছোক যে সীতা পাইবো মিত্রতো নৈবোলাঁ॥
অতি আশা করি দুখ পাইবো অতিবেক।
শঠ মিত্রে কত ভাগ্য কার্য্য সাধিবেক॥
কষ্ট তথাপিতো করি আছোঁ মিত্রবৃত্তি।
শুনিও সুগ্রীব মিত্র বচন সম্প্রতি॥
যি কিছু বুলিলো বাক্য হৃদয় খেদত।
ইসব আমার দোষ নলৈবা মনত॥
যমতে সীতাক পাউ তাক চিন্তিয়োক।
সীতাক পাইলেসে মোর গুচে দুখ শোক॥
রামর বচনে লাজ সুগ্রীবে পাইলন্ত।
মাথা চপারায়া কতোক্ষণ আছিলন্ত॥
দীন যে নিশ্বাস তেজি প্রণামিল শিরে।
করযোড়ে বচন বোলয় ধীরে ধীরে॥

কৃপাময় প্রভু দোষ ক্ষমিয়ো সকল।
কেবল বানৰ আমি স্বভাবে চঞ্চল॥
লক্ষ্মণৰ বোলে দুখ পাইলোঁ লাগেমানে।
তোমাৰ কোপক সহিবেক কাৰপ্রাণে॥
সাতো দ্বীপা পৃথিবীৰ কটক অপাৰ।
তাহাক জৰাইতে ভৈলা বিলম্ব আমাৰ॥
মাথা তুলি দেখিয়োক সৈন্য আসৈ চাপি।
সূর্য্য কিৰণকো ঢাকি গগণ বিয়াপি॥
সাগৰে নগৰে নদী গিৰি উপবনে।
কতো নীল পীত কতো শুকুলৰ বর্ণে॥
পিঙ্গল লোহিত বর্ণ দেখিয়া বিচিত্র।
হাসি ৰামে বোলন্ত সার্থক মোৰ মিত্র॥
শুনিয়ো সুগ্রীব মিত্র মোক চিনায়োক।
কাৰ কিবা নাম আৰ কাৰ কত লোক॥
আজ্ঞাবিল শুনিয়া সুগ্রীৱ বীৰ বৰ।
সৈন্য সমে আসা সবে ৰামৰ গোচৰ॥
শুনি কপি বাৰগণ উল্লসিয়া গৈল।
আপোনাৰ সৈন্যসব সঙ্গে কৰি লৈলা॥
ৰামৰ পাশক আতি আড়ম্বৰে আসে।
যেহেন ফৰিঙ্গা উৰে ঢাকিয়া আকাশে॥

শ্রীরাম লক্ষ্মণ সমে আছন্ত আকলি।
প্রথমে আসিয়া মিলিলন্ত শতবলী ॥
অতি আড়ম্বরে বীরে করি অতি মুটি।
তান লগে আসিলা বানর শত কোটি।
পাছে আসি মিলিলন্ত সুষেণ নৃপতি।
কাঞ্চনর বর্ণ তনু সূর্য্য রাজামতি ॥
সুগ্রীবর শ্বশুর তারার তেহু পিতা
অযুতেক বানরে যোগায়া চতুর্দ্দিতা।
যুবরাজ অঙ্গদ তেহে বালী রাজা সুত।
দেখন্তে রিপুর ত্রাস মিলে অদভুত।
নিশ্চয় শুনিও তান কটক যতেক।
সহস্রেক পদ্ম আরু সংখ্যাত শতেক:
কষটির বর্ণ দেখি যাহার নিশ্চয়।
দশকোটি সেনা লৈয়া আসিলন্ত গয়।
সহস্র সংখ্যাত কোটি লৈয়া হনুমন্ত।
আসিলন্ত যার বল বীর্য্য অপর্য্যন্ত ॥
আঙ্গারর বর্ণ তনু আগত মিলিল।
শত কোটি বীর সম এন্তে বীর নীল
দ্বিবিদ বানর আইল বীর বলীযার।
পাঞ্চ কোটি সৈন্য লইয়া আসিলন্ত তার ॥

আসিলা কেশৰী পাছে ব্ৰহ্মাৰ তনয়।
তাহান লগত সৈন্য বহুত আছয়॥
পদ্ম কেশৰৰ বৰ্ণ সবাৰো শৰীৰ।
মাৰুতিৰ পিতা এহন্তে প্ৰখ্যাত যে বীৰ॥
ধুম্ৰ আসি মিলিল লাগিল হুক হুক।
দশ কোটি সেনা তান সকলে ভালুক॥
ব্ৰহ্মাৰ নন্দন আসিলন্ত জাম্বুৱন্ত।
তান লগে ভালুক কটক অপৰ্য্যন্ত॥
চিৰকাল জীৱন্ত বুদ্ধিৰ নাহি অন্ত।
অনেক উপায় বুদ্ধি কাৰ্য্য সাধিলন্ত॥
বিশ্বকৰ্ম্ম সুত হেৰ আসি ভৈল নাল।
অসংখ্য বানৰ সেনা বাৰমণ্ডা বল॥
লগে লৈয়া কোটী সংখ্যা আসিল সম্পাত।
তা সনা গবাক্ষ আৰো গোলাঙ্গুল জাতি॥
তদন্তৰে মহাবীৰ আসিল পনস।
তান লগে আসিল বানৰ কোটী দশ॥
গন্ধ মাদনক লাক্ষ বীৰ গণি তাত।
তান লগে আসিল বানৰ অসংখ্যাত॥
আনো যত বীৰ আইল কোনে লবে নাম।
ৰাম লক্ষ্মণক সবে কৰয় প্ৰণাম॥

দ্বীপ দ্বীপান্তৰৰ আসিল যত যত।
অসংখ্য পদাতি লই লেখা দিবো কত ॥
সুগ্রীৱ বোলন্ত ৰাম চাহিও আকলি।
সেনাৰ গোৰত বসুমতী যাই টলি ॥
গিৰি গুহা পৰ্ব্বত যুড়িলা দশ দিশ।
কটকক দেখি ৰামচন্দ্ৰৰ হাৰিষ ॥
সুগ্রীৱক বোলন্ত শুনিয়ো কপিৰাজ।
এবেসে জানিলোঁ মিত্র সিদ্ধ ভৈলা কাজ।
শুনিয়া উজ্জ্বল মুখ ভৈলন্ত সুগ্রীৱ।
কৰযোড়ে ৰামৰ আগত ভৈলা থিৰ।
কিবা আজ্ঞা হৱে প্ৰভু আদেশ সকাশ।
কিবা গ্ৰহ আনি দিবো দশ দিগ পাল ॥
বাসবক আনো কিবা আনো বাসুকীক
বা স্কন্ধ আনি দেওঁ পৃথিবীৰ নৃপতিক ॥
নাহিকে অসাধ্য মোৰ তযু প্রসাদত।
বশ্য কৰি আনি দিও তিনিও জগত ॥
হাসিয়া ৰাঘৱে বুলিলন্ত মহা মিত্র।
সবাকো জিনিতে পাৰা ইতো কোন চিত্র
ইসব কাৰ্য্যত কিছু প্রযোজন নাই।
সীতাক যিমতে পাই চিন্তিযো উপায়।

দেশে দেশে ভাল যে দূত চলি যাউক।
প্ৰবন্ধিয়া ৰাৱণ সীতাক বিচাৰোক॥
নিষ্ট জানি আসিয়া জনাওক বাৰ্ত্তাক।
দুষ্ট ৰাৱণক মাৰি আনিবোঁ সীতাক॥
ৰামৰ বচন হেন সুগ্ৰীব শুনিলা॥
বাচি বাচি দূত গণ আগক আনিলা॥
বিনোদক প্ৰথমত বুলিলা বচন।
ভাল ভাল বাচি লগে নৈযো দূত গণ॥
পূব দেশ প্ৰান্ত আপোনেহে চলি যাহা।
অবিলম্বে সীতাৰ বাৰ্ত্তাক জনাইবাহা॥
তাত পাছে বোলন্ত কহিব শতবলী।
উত্তৰ দিশক তুমি শীঘ্ৰে যাহা চলি॥
অপৰ্য্যন্ত দেশ তাক বৰ্ণাইবোঁহো কত।
কতো কতো কহো যিবা পৰয মনত॥
বঙ্গল মালব কৰ্ণাট কাম্বোজ।
মৎস্যৰ পুলিন দেবা ঋষি ৰাজ ভোজ॥
কৌৰব কুঙ্কৰ আৰো কঙ্ক নামে দেশ।
থানে থানে ভাল মতে খুজিবা নিঃশেষ॥
হেমন্ত হেমকোট নৈষধ অঞ্চল।
পৰ্ব্বত গহ্বৰ বনে খুজিবা সকল॥

বিন্ধ্য গিৰি মহেন্দ্ৰ পৰ্ব্বত ভালে চাহা ।
আনো যত গিৰি আছে তাক আকলাহা ॥
ৰাৱণৰ চিত্তক নপাৰি বুজিবাক ।
কৈত লুকাই থবে নিযা গোসাণী সীতাক ॥
কিবা শাস্তিপূৰ্ণ ৰাখি আছন্ত গোসাণী ।
ৰাৱণৰ বাৰ্ত্তা লই আহা নিষ্ট জানি ॥
সুষেণ শ্বশুৰ মোৰ পশ্চিমে যায়োক
কোটী সংখ্যা দূত বাচি লগতে লয়োক ॥
ৰাবণে সীতাক প্ৰবঞ্চিয়া খুজিচাহা ।
অবিলম্বে আমাত বাৰ্ত্তাক জনাইবাহা ॥
কৈৰ যুবৰাজ বুলি ৰাজাৰ আদেশ ।
কৰযোড়ে অঙ্গদ আগত পৰবেশ ॥
দক্ষিণ দিশক লাগি তুমি চলিযায়ো ।
ৰাৱণ সীতাৰ নিষ্ট বাৰ্ত্তাক জনায়ো ॥
আমাৰ লগত যাহন্তোক হনুমন্ত ।
সৈন্য সহ যাহন্তোক বীৰ জাম্বুবন্ত ॥
দধি মুখ কেশৰি পলস বীৰ গয় ।
নল নীল ধূম্ৰাক্ষ যে আৰুৰ গৱয় ॥
সেহিসে দিশত ৰাবণৰ নিজ পুৰি ।
ধানে ধানে ভাল মতে চাইবা ফুৰি ॥ ৪

এবে এথানত যেবে খুজিয়া নপাবা।
সাগৰৰ মাজত লঙ্কাত পাছে চাবা॥
আত ভেটি সাগৰত আছে ছায়া গ্ৰাসি।
ছাই পাইলে গিলিবে সকলে যাইবা চাহি॥
ৰাৱণৰ নিজ থান লঙ্কা যে নগৰী।
পাইবাহা সীতাক খুজি সমুদ্ৰক তৰি॥
যত মানে চন্দ্ৰ সূৰ্য্য কিৰণ পোহৰ।
নগ পুৰ মানে খুজিবাহা নিৰন্তৰ॥
তাক পাছে যাইবাহা দক্ষিণৰ দিশ।
ঘোৰ অন্ধকাৰ তাক কৰিবাহা কিস॥
সাত খান সমুদ্ৰ পৃথিবী সাত খান।
নদ নদী সকল আৰ যত বন॥
সঙ্কট প্ৰকট গম্য মানে ফুৰি চাইবা।
নিশ্চয় জানিয়া আসি বাৰ্ত্তাক জনাইবা॥
নকৰবা হেলা কেহো ৰামৰ কাৰ্য্যত।
সবাৰে ভকতি হোক ৰাম চৰণত॥
কৈবা হনুমন্ত বুলি ৰাঘবে মতাইল।
সংক্ষেপ কাহবে প্ৰীতি সমীপ চপাইল॥
তুমিসে সীতাক খুজি পাইবাহা নিশ্চয়।
প্ৰাণেশ্বৰ তোমাতেসে যাইবো প্ৰতায়॥

দেখিলে হৰিষ হৈবা আসি মন তুষ্টি।
হেৰা মোৰ লৈয়া যাহা হাতৰ আঙ্গুঠি ॥
তাঙ্কো পৰীক্ষিবা কেন ভালে মন্দে আছে।
নিশ্চয় জানিয়া মোত কহিবাহা পাছে ॥
সীতাৰ সংগোপ্য বাৰ্ত্তা আনিবা নিশ্চয়।
যেন মতে হবে তাঙ্ক আমাৰ প্ৰত্যয় ॥
এহি বুলি গ্ৰীৱে তাঙ্ক চাপিয়া ধৰিলা।
সীতাক সুমৰি ৰামে ক্ৰন্দন কৰিলা ॥
মাৰুতি বোলন্ত তাপ তেজা ৰঘু পতি।
জন্মে জন্মে তযু পদে হৌক মোৰ গতি।
যি হেতু তোমাৰ ভৈলা আমাত প্ৰত্যয়।
সীতাৰ বাৰ্ত্তাক দিবো নুচিকে সংশয়।
মোক অনুগ্ৰহ কৰিলাহা কৃপাময়।
এতেকে জানিলোঁ ভাগ্য আমাৰ আছয়।
প্ৰাণক উছৰ্গি তযু কাৰ্য্যক সাধিবো।
থাকা সুখে সীতাৰ বাৰ্ত্তাক আনি দিবো ॥
সুগ্ৰীৱ বোলন্ত শুনা কৈব দূত লোক।
প্ৰভুৰ চৰণে সেৱা সবাৰ থাকোক ॥
ফুৰি ফুৰি বাৰুণ সীতাক চাহিয়োক।
ৰামত আসিয়া ঝাণ্টে বাৰ্ত্তা কহিয়োক ॥

আপুনি চিন্তিয়ো যেন হোৱয় যুগুত।
যেন তেন মতে কাৰ্য্য সাধিতে প্ৰস্তুত ॥
মাসেক লাগিয়া কাল দিলোঁ তোমাসাক।
হেলা এৰি ৰাত্ৰি দিনে খুজিবা সীতাক ॥
মাসেকত নাসা যেবে প্ৰভু কাৰ্য্য সাধি।
নাক কাণ কাটিবোহো হৈবা অপৰাধী ॥
শুনিলা সবোঁয়া চণ্ড আদেশ ৰাজাৰ।
ৰামৰ চৰণে পৰি কৰি নমস্কাৰ ॥
যেহি যেহি দিকে যাক যাক আজ্ঞা ভৈলা।
ৰাজাক প্ৰণামি সেহি দিশে চলি গৈলা ॥
নিঃশেষ কৰিয়া চুৰে গ্ৰাম নগৰত।
নদ নদী তীৰে ফুৰে গিৰি গহ্বৰত ॥
পূৰক বিনোদ উত্তৰক শতবলী।
চলিলা সুষেণ দিশ পশ্চিম আকলি ॥
এক মাস খুজি লুড়ি সীতাক নপালি।
বিনয় পূৰ্ব্বক আসি ৰাজাক জনাইল ॥
শুনিয়োক সুগ্ৰীৱ নৃপতি শিৰোমণি।
তিনও দিশত আসি চাহিলোঁ আপুনি ॥
ৰাৱণ সীতাৰ নপাইলোঁহো উদ্দেশ।
এবে কি কৰিবো প্ৰভু কৰিয়ো আদেশ ॥

সুগ্ৰীৱে বোলন্ত সবে থাকা কাৰ্য্য বুজি।
তিনিও দিশত কেহোঁ নপাইলাহা খুজি ॥
অঙ্গদক মাকতিক দিলোঁ মহা ভাৰ।
তেসম্বে সীতাৰ বাৰ্ত্তা দিবে সাৰে সাৰ ॥
দক্ষিণ দিশক গৈল যতেক বানৰ।
ৰাৱণ সীতাক চাই ফুৰে নিৰন্তৰ ॥
গোখোজ সমান কৰি চাহিলা বিচাৰি।
খুজিয়া নপাইলে সীতা জনক জীয়াৰী ॥
সকল দিশত চাহি ফুৰো থানে থান।
অসুৰেক দেখি যেন শমন সমান ॥
শৰীৰৰ বৰ্ণ যেন মেঘে কৰে কান্তি।
দশন ভীষণ অতিশয বেগে যান্তি ॥
মহাক্ৰোধে অসুৰেয়ো কৰিলা আস্ফাল।
দুই হাতে অঙ্গদে ধৰিলা দুই শাল ॥
বায়ু পুত্ৰে দুইশাল হানিলা প্ৰচণ্ড।
মুঠি হানি অসুৰে কৰিলা খণ্ড খণ্ড ॥
পৰ্ব্বতৰ শিখৰক হানিলা অসুৰ।
লাঠি হানি অঙ্গদে কৰিলা তাক চুৰ ॥
মহা ক্ৰোধে দুযোবীৰে কৰিলা হাস্ফাল।
মাল বান্ধে জাপ্তিয়া ধৰিয়া কোলে কোল ॥

সানপাত বান্ধে বান্ধি অসুৰে ধৰিল।
চক্ৰবাত বান্ধে বান্ধি অঙ্গদে পীড়িল॥
থিউ হুয়া অসুৰে ধৰিলা চক্ৰবান্ধ।
চলিল অঙ্গদে নলক্ষিয়া শিৰ কান্ধ॥
বলে অতি কুশল অঙ্গদ বীৰবলী।
মুঠি বান্ধে জানিয়া হাসন্ত খল খলি॥
উপৰত ছড়িয়া ধৰিয়া হাতে হাত।
মাথা পুতি অসুৰৰ বসিলা হিয়াত॥
মুঠি বান্ধে এড়ালেক কৰিয়া উপাই।
ত্ৰেসান কৰিয়া অঙ্গদক খেদি যাই॥
অসুৰক বালি পুত্ৰে খেদি লাগ পাইল।
লাথি হানি কতো দূৰে ক্ষেপিয়া পঠাইল॥
অঙ্গদে বোলন্ত কিবা চাহি আছোঁ আৰ।
মুঠি হানি অসুৰক পেশো যম ঘৰ॥
এহিবুলি হিয়াত বৈসাইলা বজ্ৰ মুঠি।
হিয়া চুৰ ভৈলা তাৰ প্ৰাণ গৈল ফুটি।
ঘোৰ আৰ্ত্তনাদ কৰি অসুৰ পৰিলা।
বজ্ৰৰ পতনে যেন পৃথিবী লড়িলা॥
দেখি ৰাম সেনা ফুৰিলন্ত জয় জয়।
ধন্য যুবৰাজ ধন্য বালীৰ তনয়॥

অন্তরে পৰিল অনন্তরে কপি গণে।
সীতাক বিচাৰি ফুৰে অনেক যতনে॥
বৰবৰ পর্ব্বতত চাহিলা সকলে।
অনেক গহনে বিচাৰিলা জলে থলে॥
পর্ব্বতেক দেখিলা মেৰুৰ সমসৰ।
উঠিল তাহাত গৈয়া ভালুক বানৰ॥
আকাশ লঙ্ঘিয়া আছে একৈক উঠান।
পৃথিবীক দেখি অমৰৰ পৰমাণ॥
তাতে ছড়ি কপিগণে ভৈগৈল বিহ্বল।
সাগৰক দেখি যেন গোখোজৰ জল॥
পূৰ্বত দেখিলা ৰবি প্ৰচণ্ড উদয়।
উত্তৰ দিশত দেখি গিৰি হিমালয়॥
দক্ষিণত দেখে যমপুৰ তমোময়।
পশ্চিম দিশত অস্ত গিৰিক দেখয়॥
পৰম বিস্ময় হুয়া অঙ্গদে পুছয়।
কি বুধি কৰিবো আবে বায়ুৰ তনয়॥
মাৰুতি বোলন্ত বুদ্ধি নাকলয় আৰ।
মৰণ শঙ্কট গিৰি উঠিল দুৰ্ব্বাৰ॥
সীতাক নপায়া একে মনৰ অসুখ।
ভাগৰে পীড়িল আতি সুখাই গৈল মুখ॥

সূৰ্য্যৰ কিৰণ তাপে ষৰ গাৱ পুৰে।
পিয়াসিল বানৰ আকুল জলে লবে ॥
গল তালু সুখাই গৈল মুখে নাহি পান।
জল নপাই বোলে তৈকোঁ প্ৰাণৰ নিৰ্জ্জান ॥
হতাসে বসিল সবে দক্ষিণক লাক্ষ।
কতো দূৰে দেখে উৰে জলচৰ পক্ষী ॥
ৰাজ হংস চক্ৰবাক উৰয় সাৰঙ্গ।
চাউক সৰালি কটা ছটক বিহঙ্গ ॥
একৰালি ভেড় ঘোঁঘ উৰিযাই কঙ্ক।
পাতি কাউৰ পানী কাউৰ আৰ মাছ ৰঙ্ক ॥
তাক লাগি লৰিল বানৰ সমস্তয়।
ভয়ঙ্কৰ গৰ্ত্ত গোট দেখিলা তথায় ॥
পৃথিবীৰ মুখ যেন বহল বিস্তৰ।
হনুমন্তে বোলে কিনো গৰ্ত্তেক অপৰ ॥
সকল বানৰগণে ধৰি হাতে হাতে।
জল পান মনে সবে পশিলেক তাতে ॥
চক্ষুৱে নেদেখে মুখে মাতন্ত মাতৰ।
এক মাসে পাইল গৈয়া গৰ্ত্তৰ ভিতৰ ॥
কষ্টে বেলি পাইলা পাছে বিবৰৰ ওৰ।
প্ৰকাশ দেখিয়া ভয় গুচিল দুৰ্ঘোৰ ॥

হনুমন্তে কহিলন্ত কথা নিরন্তরে।
যেন মতে মিত্রবৃত্তি সুগ্রীব রামরে ॥
রাম চন্দ্রে যেন মতে আসি ভৈলা বনে।
যেন মতে সীতাক হরি নিলেক রাবণে ॥
সীতাক খোজন্তে রামে সুগ্রীবক পাইল।
তারা দুই পাছে মিত্রবৃত্তিক বন্ধাইল ॥
বালী বধ সুগ্রীবর অভিষেক কথা।
কহিলাহো আদি অন্তে যেহেন ব্যবস্থা ॥
রাঘবে সুগ্রীবে পাছে কার্য্য আলোচিলা।
সীতাক খুজিবে লাগি আমাক পাঠিলা ॥
রাঘবর আজ্ঞা শিরে ধরিয়া হরিষি।
বানরা সকলে চাহি ফুরো দিশা দিশি ॥
মাসেকক লাগি শাস্তি দিয়া পঠাইলন্ত।
গর্ত্তত পশন্তে মাসেকর ভৈলা অন্ত ॥
ফল মূল দিয়া মার খণ্ডাইলা নিকার।
তুমি ভৈলা মার আমি তনয় তোমার ॥
নজানো উদিশ গর্ত্ত গহন অপার।
আত কেন মতে আমি হুইবোঁহো নিস্তার ॥
শুনি স্বয়ম্প্রভা রঙ্গ লভিলা অপার।
রাম সেনা বুলি করিলন্ত নমস্কার ॥

কিনো ভাগ্য তুমি সব বাম দূত লোক।
বামৰ চৰণে মোৰ ভকতি থাকোক॥
শুনা বাম দূত লোক বচন আমাৰ।
পশিলাহা গর্ত্ত ইটো মহা অন্ধকাৰ॥
যমৰ কৰণে গৈলে আছে পৰিঅন্ত।
শতাধিক দেখোঁহো ছুর্ব্বাৰ ইটো গর্ত্ত॥
চক্ষু মুদি সবেয়ো বাহুত মোৰ ধৰা।
মোৰ তপ বলে সবে গর্ত্তক নিস্তৰা॥
হেন শুনি তেতিক্ষণে বানৰ সকলে।
তাহানে বাহুত ধৰিলন্ত কৌতু হলে॥
লীলায়ে সবাকে সতী তুলি আলগাইলা।
স্বয়ম্প্রভা তপোবলে গর্ত্তৰ বজাইলা॥
দক্ষিণ সাগৰে বিন্ধ্য পর্ব্বতৰ কোলে।
তাতে গৈয়া পাছে স্বয়ম্প্রভা বাক্য বোলে॥
বাহুৰ এড়িয়ো সবে চক্ষুক মেলিয়ো।
ভৈলাহা গর্ত্তৰ বাজ প্রসন্ন দেখিয়ো॥
হেন শুনি কপিগণ চক্ষুক মেলিল।
ভৈলোহু নিস্তাৰ বুলি বাহুৰ এড়িল॥
স্বয়ম্প্রভা তপোবল বানৰে দেখিল।
মনত হৰিষে আক আশ্বাস কৰিল॥

ধন্য ধন্য স্বয়ম্প্রভা জীবন তোমাৰ।
ৰাঘৱৰ সেনা কপি ভালুক বানৰ॥
তপোবলে এক খান হাতে তুলি ধৰি।
লীলা ৰূপে থৈলাহা গর্ত্তৰ বাজ কৰি।
দুৰ্গতি এৰালোঁ বৰ তোমাৰ কাৰণে।
তোমাৰ ভকতি হৌক ৰামৰ চৰণে॥
প্রশংসা বচনে স্বয়ম্প্রভা ৰঙ্গ পাইলা।
বিদায় কৰিয়া নিজ থানে চলি গৈলা॥
অনন্তৰে কপিগণে মাথা তুলি চাইলা।
গম্ভীৰ বিস্তাৰ সমুদ্রক ভেট পাইলা॥
পর্ব্বত সমান ঢউ উঠলে অপাৰ।
আকাশে সাগৰে দুইকো দেখি একাকাৰ॥
গম্ভিৰ মগৰ মৎস্য কচ্ছপ সকল।
আৱলিয়া সাগৰৰ উথলয় জল॥
পৃথিবী এড়িয়া ঢউ স্বর্গকো লঙ্ঘয়।
অগাধ দুৰ্গম সিটো বৰুণৰ নয়॥
মহোদধি তীৰে বিন্ধ্য পর্ব্বত মূলত।
তাতে গৈয়া বসিলন্ত কপি গণ যত॥
আলোচিবে লৈলা যত মহা মহাবলা
বিমাৰিষি বোলে দিন গৈলেক উকাল॥

প্ৰচণ্ডৰ নৃপতি কাটিবেক কাণ নাক।
সীতাক নপাইলোঁ কিনো মিলিল বিপাক ॥
কেহোবোলে এড়িলোহো পুত্ৰ পৰিবাৰ।
নাক কাণ কাটিবেক কি কাৰ্য্য জীবাৰ ॥
কেহো বোলে লঙ্ঘি এৰো সাগৰৰ অন্ত।
মাসেকত নপাইলে নৃপতি দণ্ডৱন্ত ॥
শ্ৰীৰাম লক্ষ্মণ সুগ্ৰীৱত আগোচৰে।
হেন থান আছে জানা তৰিতে বানৰে ॥
বন্ধু বান্ধৱক এৰিতৈকে পলাই যাওঁ।
তেবে নৃপতিৰ ঘোৰ দণ্ডক এড়াওঁ ॥
মনত আলোচি কেহোজনে বোলে বাক।
এড়ু যেবে পাওঁ আমি সীতাৰ বাৰ্ত্তাক ॥
জানাদিয়া নৃপতিক কৰিবোঁ কাতৰ।
তবে কিয় আমাক দণ্ডিবে নৃপবৰ ॥
ডৰে কাউ বাউ কৰে কতহু বানৰ।
তাৰ পাছে অন্যো অন্যে দিলন্ত উত্তৰ ॥
যাইবোহো আমি সবে ভয় পৰিহৰ।
আসা পলাই থাকে সবে দ্বিপ দীপান্তৰ ॥
হনুমন্তে বোলে ওৰা শুনিয়োক ভাৰ।
চঞ্চাল থুন দেখো চৰিত্ৰ যে তোমাৰ ॥

আদেশি পঠাইবো সব লক্ষ্মণ কুমার।
বিচারিয়া বধিবেক ত্রৈলোক্য ভিতরে ॥
অঙ্গদে বুলিলা বাক্য সবাহাকে চাই।
নিষ্টে জানো মোহোর প্রাণর রক্ষা নাই ॥
ক্রুর খুড়াতে পাইলে দণ্ডিবে আমাক।
মই পুনু বুলিলোঁ নযাইবো সত্যবাক ॥
মইমাত্র আছোঁ তান শত্রু অশেষ।
ক্ষমা নকরিব অপরাধ এক লেশ ॥
ছল পাইলে নাক কাণ কাটিবে সমস্ত।
সিদ্ধি খুজি ফুরন্তে দুরারে পাইলোঁ পথ ॥
এতকাল রহি আছোঁ রামর নিদানে।
মই যেন মত সবে জ্ঞাতি গণে জানে।
হা বিধি কিনো দণ্ড করিলা আমাক।
নপাইলোহো রামর চরণ সেবিবাক ॥
মারুতি বোলন্ত শুনা ভয় পরিহরি।
শুদ্ধ ভাব রাজাক নোবোলা হেন করি।
পরম ধার্ম্মিক রাজা ধর্ম্মে তানকায।
কিষ্কিন্ধ্যাত তোমাক পাতিব যুবরাজ ॥
পূর্ব্বে দয়া তোমাত বালীর যেন চান।
সুগ্রীব বাররো দয়া তত্তুল্য সমান।

তুমিসি কুমাৰ তান তাৰাপটেশ্বৰী।
স্থিৰ হুৱা অঙ্গদ বিকল পৰিহৰা॥
হনুমন্তে নৃপতিৰ গুণ বখানিলা।
শুনি বীৰ অঙ্গদৰ গাৱ নসহিলা॥
যিজনে ৰাজাৰ সেৱা কৰন্ত সদায়।
সিজনে ৰাজাৰ গুণ কহিবে পাৰয়॥
সজ্জন পাত্ৰৰ হোৱে হেন ব্যৱহাৰ।
দোষ এাড় গুণ মাত্ৰ কহয় ৰাজাৰ॥
এতেকেসে সুগ্ৰীৱৰ বখানিলা গুণ।
কহিবে নলাগে সবে জনোহো আপোন॥
তান গুণ মোৰ আগে বখানহ কিক।
সুগ্ৰীৱৰ কিবা ধৰ্ম্ম সিটো অধাৰ্ম্মিক॥
আমাৰ মাৱক তেহে কৰিলন্ত ঘৰ।
জ্যেষ্ঠ ভাইৰ পটেশ্বৰী মাতৃ সমসৰ॥
হেন অধাৰ্ম্মিক পাতিলাহা ধৰ্ম্মশীল।
এতেকে তোমাৰ আমি চিত্তক জানিল॥
আমি নযাইবো আউৰ কিষ্কিন্ধ্যা নগৰ।
নিষ্ট কৰি আনিবাহা সকলে বানৰ॥
কুশদ্বীপ লাগি শীঘ্ৰে কৰিবো গমন।
যুবৰাজে অঙ্গীকাৰ কৰিলন্ত টান॥

শুনি চিন্তা শোকে বাক্য বোলে কপিগণ।
ভৈলন্ত আমাৰ ৰাম মৃত্যুৰ কাৰণ॥
তানপদে নিজ পুত্র ভার্য্যাক হৰাইলো।
দুখ সাগৰত মজি পাৰক নপাইলো॥
এহিমতে চিন্তা সবে কৰয় অধিক।
কপালে চাপৰ মাৰি গৰিহে বিধিক॥
ঘোৰ নিশাকাল তৈত ভৈলা অনন্তৰে।
বৰ বৰ বীৰে বৃক্ষ শিলা লৈলা কৰে॥
পর্ব্বতক ছানি সবে নিৰন্তৰে ৰৈল।
অন্যো অন্যে সবে কথা কহিবাক লৈল।
কেকৈইক নিন্দে কেহো নিন্দে দশৰথ।
কেহো কেহো দুখ দেই ৰামক অধিক॥
সুবর্ণৰ মৃগ দেখি খেদি গৈলা কিক।
কেহো কেহো বিমৰিষি দোষই সীতাক।
লক্ষ্মণক কিয়বা বুলিলা মন্দবাক।
কতোজনে দোষ দেই সুগ্রীৱ ৰাজাক॥
ৰামক পাতিলা মিত্র বধিতে আমাক।
জগতে খুজিয়া আমি নপালো সীতাক॥
কৈৰৰাম কৈৰ সীতা কোনে জানে সঙ্গে।
তাহান নিমিত্তে আসি পৰিলো বিপাঙ্গে॥

হেনকথা মাতে সিটো পুছাইল বাতি।
সেহি পৰ্ব্বতত পক্ষী আছন্ত সম্পাতি ॥
জটায়ুৰ শ্ৰেষ্ঠ ভাই পুত্ৰ গড়ুৰৰ।
চিৰকাল তথাতে আছন্ত পক্ষীবৰ ॥
বানৰৰ বোল শুনি নেত্ৰ মেলিলন্ত।
পৰ্ব্বতৰ হন্তে সিটো নগালি দেখিলন্ত ॥
বানৰক দেখিয়া মনত বৰতুষ্ট।
বহুকালে আহাৰ মিলিল হৃষ্ট পুষ্ট ॥
সুভাগ্য বিধিবো আজি ধৰিয়া আনিবো।
বানৰৰ বৰ বৰ বাছিয়া গিলিবো।
আহাৰ দেখিয়া তান ৰঙ্গ ভৈলা মন ॥
আপোনাৰ নিজভাৱে কৰিলা গৰ্জ্জন ॥
পক্ষীৰ প্ৰচণ্ড নাদ সবেও শুনিলা।
সবাৰ মনত মহা সংসয় মিলিলা ॥
ক'ত কি শুনিলা অন্যো অন্যত সোধয়।
সবেও সবাত কয় নজানে নিৰ্ণয় ॥
কেহো বোলে পৰ্ব্বতৰ শিখৰ খসিল।
কেহো বোলে সুহি মেঘে গৰ্জ্জন কৰিল ॥
কেহো বলে ইন্দ্ৰ হানিলন্ত বজ্ৰবাণ।
সুহি ভঙ্গ ভৈলা জানো ঋষিৰ ধিয়ান ॥

কেহো বোলে নজানিলা ভূমি কম্প গৈল।
নির্ণয় নজানিয়া কপিগণ ভয়ৈ ভৈল ॥
অনন্তরে বীরগণ চাহন্ত নিরেখি
পর্ব্বত উপরে দেখে ভয়ঙ্কর পক্ষী ॥
পর্ব্বতেক আছে যেন পর্ব্বত উপর।
ঠোঁঠ গোট দেখি যেন বজ্র সমসর ॥
সম্পাতি বোলন্ত ডাকি কোঠের কপি গণ।
স্বরূপ নকহ যেবে করিবো ভক্ষণ ॥
হেন শুনি সবারে লাগিল চমৎকার।
বানর সকল বোলে নাহিক নিস্তার ॥
ভযহুয়া আরে অরে আক্কোবালী ধবে
কাণা কাণি করে সবে পরে চিন্তাজ্বরে।
থির নোহে হাতপাব কাম্প কলেবর।
কতো কতো বোলে পশু গর্ত্তর ভিতর ॥
হেনঠান নাহি দেখো ছটকর কায়।
ইহাত এড়াইবো আমি কমন উপাই।
ইহার গর্ভতে জার্ণ হৈবো নিরন্তর।
প্রলয় মিলিল আসি বানর কুলর ॥
হা! হা! কেকৈই তই কোনকাজ কৈলি।
বানরকুলর তই সংহারিণী ভৈলি ॥

ইহাৰ মানত আমি মাটিৰ পিম্পৰা।
বিধিৰ নিৰ্ম্মাণ ভৈলো পক্ষীৰ আহাৰ॥
ৰামকাৰ্য্য নিসিজিল কি কাম কৰিলোঁ।
হৰি হৰি বিধি কিমু বিপাকে মৰিলোঁ॥
সাফল জটায়ু গড়ুৰৰ পুত্ৰ বীৰ।
ৰাম কাৰ্য্য সাধা তেহি তেজিলা শৰীৰ॥
সীতাক ৰাখাস্তে ৰাৱণক যুদ্ধ দিল।
অন্যায় যুদ্ধত তাঙ্ক ৰাৱণে মাৰিল॥
এতিক্ষণে যেবে আমিতাঙ্ক লাগপাও।
তেবে কিয় আমি ইটো পক্ষীক ডৰাউঁ।
জটায়ুৰ মৰণে পাইল আমাক বিপাকে॥
নিশ্চয় জানিলো পক্ষী খাইবেক সবাকে॥
হৰি হৰি কিমু হৃদয়ত খেদবৈল।
ৰামৰ ভকাত বিনে জন্ম ব্যৰ্থ গৈল॥
নপাইলোঁহো সাধিবাক ৰাঘৱৰকাম।
সাবধানে সবেও সুমৰা ৰাম নাম॥
জটায়ুৰ নাম হেন সম্পাতি শুনিলা।
সচকিত হুয়া ওপৰক ঠোঙ দিলা॥
সাবধানে পৃথিবাত পাতিলন্ত কান।
পূৰ্ব্বাপৰ কথা শুনি দিলা সাৱধান॥

'নষ্ট কৰি কহা তোৰা কৈৰপৰা আইলা।
জটায়ুৰ কথা কোনজনে সুমৰাইলা ॥
প্ৰাণত অধিক মোৰ সহোদৰ ভাই।
তান মৃত্যু শুনি মোৰ প্ৰাণ ফুটি যাই ॥
তুমি সব বানৰ আসিলা কি কাৰণে।
আমাৰ ভ্ৰাতৃক কেনে বধিলা ৰাৱণে ॥
কহিয়োক ৰামকথা শুনো কাণ পাতি।
জটায়ুৰ শ্ৰেষ্ঠ মই নামত সম্পাতি ॥
জটায়ুৰ ভাই হেন শুনি কপিগণ।
ভয় গুচি কিঞ্চিত প্ৰসন্ন ভৈলা মন ॥
সবেহন্তে অঙ্গদক অনুমতি দিলা।
শুনি যুবৰাজে কথা কহিতে লাগিলা ॥
শুনিয়োক পক্ষীৰাজ কথা অনুপম।
সূৰ্য্যৰ বংশত ৰাজা দশৰথ নাম ॥
তানে শ্ৰেষ্ঠ নাৰীৰ কৌশল্যা নামে সতী।
তাহান গৰ্ভত ৰামচন্দ্ৰ উতপতি ॥
কৈকেই নামে আৰো পাটেশ্বৰী ভৈলা।
তাহান বচনে ৰাম বনবাসে গৈলা ॥
সীতাভাৰ্য্যা লক্ষ্মণ ভ্ৰাতৃক লগে নিলা।
বনত ৰাৱণে সীতা দেবীক হৰিলা ॥

ৰাৱনক জটায়ু পথত যুদ্ধ দিলা।
মুচ্ছা গৈয়া দশস্কন্ধ ৰণত পৰিলা।
জটায়ুক মাৰি পাছে অন্যায় সমৰে।
নিজস্থানে সীতাক নিলন্ত নিশাচৰে।
লক্ষ্মণ সহিতে বনে ফুৰে ৰঘুপাত।
সুগ্ৰীৱক পায়া কৰিলন্ত মিত্ৰৱতি॥
মিত্ৰত থাকিয়া ৰামে বালীক মাৰিলা
পান ৰাজ সম্পত্তিক সুগ্ৰীৱক দিলা॥
ৰাজ্য পাই সুগ্ৰীৱৰ আনন্দ মিলিল।
সীতাক খুজিবে লাগি আমাক পাঠাইল।
মাসেকক লাগি ক্ষান্তি দিলা নৃপৰায়
খাজ হৰ সাস্তি ভৈলো সীতাক নপাই॥
গোখোজ সমানে আমি বিচাৰ কাৰলো।
সীতাক নপাই খুজি বিপাক্ষে মৰিলো।
পূৰ্ব্বাপৰ কথা যত কহিলো সকল।
কহিয়ো তোমাৰ কথা পক্ষী মহাবল॥
বিন্ধ্যগিৰি উপৰে আছাহা কি কাৰণে।
তুমি কি সীতাৰ বাৰ্ত্তা জানাহা আপোনে॥
এবে পক্ষীৰাজ কহিয়োক বিদ্যমান।
মৃতকক যেন তেবে দিয়া প্ৰাণ দান॥

তোমাৰ গাৰত প্ৰভু পথা দেখো নাই।
ক'হয়োক পক্ষীৰাজ আৰ অভিপ্ৰাই ॥
এহি বুলি যুবৰাজ মৌনে যে ৰহিল।
পাছে পক্ষী ৰাজৰ যে শোক উথলিল ॥
বাগাৰি পৰিল পাছে তাসম্বাৰ মাজে।
শোকে আৰ্ত্তৰাৱে কান্দিলন্ত পক্ষীৰাজে ॥
কৰিষ্ঠৰ সন্তাপে দেখন্ত অন্ধকাৰ।
মহামৰ্ম্মে তান বিলাপৰ নাহি পাৰ ॥
মোৰ হবি প্ৰাণ ভাই তোক হেৰুৱাইলো।
কোননো পাপৰ ফলে দেখিতে নপাইলো ॥
কিক লাগি যাইঁ আবে কৰো কোন কাম।
নিৰন্তৰে নৰে ডাকি বোলা ৰাম ৰাম ॥

দুলড়ি।

এহি মতে পাছে, কান্দিয়া সম্পাতি,
কিছু সন্ধুক্ষণ ভৈলা।
অঙ্গদ প্ৰমুখ্যে, বানৰ গণক,
কথা কহিবাক লৈলা ॥

জানিলোঁ আমাৰ, মহা ভাগ্য হৈল,
দেখিলোঁ ৰাম সেনাক।
আমাৰ পক্ষৰ, কাহিনী কইও,
শুনিয়োক সবে তাক ॥
গৰুড়ৰ পুত্ৰ, জটায়ু সম্পাতি,
সহোদৰ দুই ভাই।
জানিবা স্বৰূপে, একে খান দ্বীপে,
দুই হাস্তে হৈলোঁ ঠাই ॥
দ্বাপৰ নিমিত্তে, দুই হানো দুৰ্ঘোৰ,
কন্দল হৈলা অপাৰ।
পূৰ্ব্বে শুনিলোঁ, আপুনি চিন্তিলোঁ,
দুয়ো আপোনাৰ মাৰ ॥
সে থাকে যত, আঠাইশ সহস্ৰ,
ঋষি তপ কৰে যথা।
অনন্তৰে দুয়ো, ভাই দ্বন্দ্ব কৰি,
লাড়িয়া গৈলোঁহো তথা ॥
দুই ভাই বচন, বুলিলোঁ তেখন,
শুনিয়োক দেব গণ।
শাস্ত্ৰে কহিয়োক, দোভাইৰ মাজত,
বলবন্ত কোন জন ॥

হেন বাণী শুনি, যত মহামুনি,
সবাৰো মনত ভয়।
যাক ছোট কৰোঁ, সোহি জনে আসি,
ধৰিয়া খাইবে নিশ্চয় ॥
সম্প্ৰতি বোলন্ত, তেবেসে কহিবোঁ,
দুইৰো পৰাক্ৰম জ্ঞান।
এহি মতে মনে, গুণি সাৰকাৰ,
সবে বুলিলন্ত বাণী ॥
উপৰক হাত, মেলি ঋষিগণ
আমাৰ দুইক দেখন্ত।
দেখিয়োক দুয়ো, ভাই সূৰ্য্যদেৱ,
ৰথে ছাড়ি লড়ি যান্ত ॥
আগহুৱা গৈয়া, ইহান পৰক,
পাৰাহা যেটো দুইবাক।
দুই ভাগো মাজত, বলতো অধিক,
সবোহি বোলোঁহ তাক।
হেন শুনি তেতি, ক্ষণে দুই ভাই
কৰিলোঁ শীঘ্ৰে উড়াৰ।
বৃক্ষ ছম হৰে, শিখৰ থানে,
লাগিয়া পথাৰ বাৰ ॥

প্ৰাণপণ কৰি, দুয়ো যাও উৰি,
সূৰ্য্যক লখিয়া মাত্ৰ।
আমাক দেখিয়া, আদিত্য দেবতা,
হাতে লৈয়া অগ্নি অস্ত্ৰ॥
কহিব পৰম, দুষ্ট দুই পক্ষী,
আসে আকাশৰ পথে
কৰিয়া ক্ৰোধক, অগ্নিৰ শৰক,
হানিলন্ত ধাৰহাতে॥
দেখিবা মাত্ৰকে, সেহো অগ্নি শৰ,
জটায়ু গৈলেক ডাৰ।
ভয়তে ৰহিল, শৰণ পশিল,
মোৰ চৰণক ধাৰ॥
অনেক কাৰ্পণ্য, কৰিয়া আমাক,
বুলিলেক প্ৰিয় ভাৰ।
সোদৰক মহা, আতুৰ দেখিয়া,
মোৰ নসাহিলা গাৰ॥
শুনিয়োক প্ৰাণ, দদা হেৰ মই,
বোলো কৰি অঙ্গিকাৰ।
তোমাৰ গাৰুৰ, পখা যেবে নাশে,
যোগাইবো আমি আহাৰ॥

হেনশুনি জটা- যুক পাছ করি,
মেলি দিলোঁ দুই পখা।
অগ্নি শৰে মোৰ, পাখা পুৰি গৈল,
ভয়াই ভৈ গৈল ৰক্ষা॥
পাখী ভস্ম হুই, অনন্তৰে মই,
পৰিলোহোঁ পৰ্ব্বতত।
শৰীৰত বৰ, পীড়াক লভিলোঁ,
মোৰ শ্ৰোত্ৰ ভৈল হত।
পাছে কতো দিনে, সঙ্কুচিত হুয়া,
পৰ্ব্বতে বসিয়া ৰৈলো।
পাছে ভাগ্য বশে, অগস্তি ঋষিক,
মই দৰশন ভৈলো॥
কৰপুট কৰিয়া, বুলিলো মোহোন,
বচন শুনিয়ো ঋষি।
তুমি সৰ্ব্বজ্ঞান, জীৱন মৰণ,
কৈয়ো মোত বিমৰিষি॥
শুনি হাসি পাছে, অগস্তি বুলিল,
মোহোৰ মুখক চাই।
গড়ুৰৰ পুত্ৰ, শুনিয়ো সম্পাতি,
তোহোৰ মৰণ নাই।

এতিখন এহি, থানে থাকা মাঠি,
হাজাৰ মানে বৎসৰ।
যতকাল পথা, নতু গজৈ মানে,
তোহোৰ ইটো গাৰব॥
দশৰথ গৃহে, অযোধ্যাত হব,
হইব ৰাম অৱতাৰ।
মস্তক পালিব, দুষ্টক নাশিবা,
খণ্ডিব ভূমিৰ ভাৰ॥
তাহান ভাৰ্য্যাক, সীতাক হৰিয়া,
নিবেক ৰাজা ৰাৱনে।
সীতাক খুজিতে, ৰাম সেনা গণ,
আসিবেক এই থানে॥
বালীৰ তনয়, অঙ্গদ কুমাৰ,
বীৰ গণিতাৰ সাৰ।
বান্ধক কটক, বানৰ ভালুক,
তেন্তে পাইব অধিকাৰ॥
আসিবাৰ আগে, কহিবি সকলে,
তেহোৰ বৃত্তান্ত কথা।
তেক্ষণে খণ্ডিব, তোহোৰ যতেক,
শৰীৰৰ দুখ ব্যথা॥

তোহোৰ যতেক, আছিলেক পথা,
গজিয়া হৈব সম্পূর্ণ।
এহি বুলি মোক, মহা ঋষি পাছে,
গৈলা চলি তপোবন ॥
ঋষিৰ বচনে, জানিলোঁ নিশ্চয়,
মোহোৰ মৰণ নাই।
কিন্তু বৰ দুখ, হৈলে তবে মোৰ,
আহাৰ পানী নপাই ॥
ভাযো এৰিমোক, কোথা বা গৈলেক,
পুত্র মোৰ নজানয়।
অনন্তৰে মুণ্ড, তুলিয়া দেখিলোঁ,
আসিল মোৰ তনয় ॥
মোহৰ অৱস্থা, দেখি পুত্রে পাছে,
কৰিলা বৰ বিলাপ।
স্বস্থ হুয়া বলে, আহাৰক লাগি,
চিন্তা নকৰিবা বাপ ॥
তোমাৰ আগত, স্বৰূপ বচন,
বোলো কৰি অঙ্গিকাৰ।
নিতে সাত ঘটি, বেলা ভৈ'ল নিত্য,
যোগাইবোঁ আমি আহাৰ ॥

পুত্ৰ হৈলে তাৰ, পিতৃক শুশ্ৰূষা
অৱশ্যে কৰিবে লাগে।
এতেকে তোমাক, আহাৰ যোগাইবে
পাইলোঁ আসি বৰ ভাগে॥

পদ।

মহোৰ কাৰ্য্যত নাহিতাৰ হেলা।
আহাৰ যোগাই যে নিতে সাত ঘটী বেলা।
একদিন সাত ঘটি নিবৰ্ত্তিয়া গৈলা।
আহাৰ আনিল পুত্ৰ নৱঘটি বেলা॥
পঙ্কগজ মাদন কশ্যপ নাম চয়।
আহাৰ দেখিয়া মোৰ মনত বিস্ময়॥
আপোনাৰ পাপে আমি পথা পুৰি মৰো।
মনত অসুখে মই আহাৰ নকৰোঁ॥
অসন্তোষ দেখি মোক পাছে গৈল ডৰি।
কাকুতি কৰয় মোৰ চৰণত ধৰি॥
আহাৰ খায়োক মোক নকৰিও ৰোষ।
কথা শুনি পাছে মোৰ মৰাষয়ো দোষ॥

বিলম্ব হৈবাৰ বাপ শুনিয়োঁ কাৰণ।
আকাশৰ পথে যাই লঙ্কাৰ ৰাৱণ॥
আৰ্ত্তৰাৱ কৰি কান্দে ত্ৰৈলোক্য সুন্দৰী
ৰামৰ ভাৰ্য্যাক লঙ্কেশ্বৰে নেই হৰি।
জলচৰ থলচৰ ভূমিত ঘসাই।
মহা ক্ৰোধে ৰাৱণক দেখি গৈলো ধাই।
সীতা সমে ৰাৱণক আনিলোঁহে ধৰ
কাপুণ্য কৰয় ৰক্ষা কৰয়োৰ কাৰ॥
সম্পাতিৰ পুত্ৰে তুমি গড়ুৰৰ নাতি
ব্যাপি আছে জগতত তোমাৰ খিয়াতি
তোমাৰ বংশৰ একো নোহে অপবাদ।
শত্ৰুৰ ভাৰ্য্যাক নেও কেনে যে বিবাদ
ক্ষেত্ৰে হুয়া ৰাম মোক মাৰিলেক আসি।
ভাৰ্য্যা কি কৰিবে সিটো তপসা বন বাসী
এড়িদিলোঁ ৰাৱণ তেখনে লড়ি গৈল।
সিকাৰণে বিলম্ব মোহোৰ আসি হৈল।
পুত্ৰৰ বচনে পাছে ভুঞ্জিলা আহাৰ
ভ্ৰাতৃৰ বিৰহে হেন অৱস্থা আমাৰ।
সকল কহিলোঁ মোৰ আদি অন্ত কথা
তুমি সব কি কাৰণে আসি ভৈলা এথা।

ৰাম সেনা সম্পাতিৰ শুনিয়া বচন।
বাৰ্ত্তা পাইয়া সীতাৰ হৰিষ ভৈলা মন॥
অঙ্গদে বোলন্ত মই বালীৰাজা সুত।
সীতা খুজি ফুৰু সবে শ্ৰীৰামৰ দূত॥
মোহোৰ অঙ্গদ নাম বালী যুবৰাজ।
সীতা অন্বেষণ আমাৰ মুখ্য কাজ।
আমি আদি কৰি যত ভালুক বান্দৰ।
জানিবা সকল সেনা সুগ্ৰীৱ ৰামৰ॥
কথা শুনি সম্পাতিৰ চৰষিত মন।
মনত পৰিলা আসি ঋষিৰ বচন॥
স্বৰূপ হোৱা যদি ৰাম সেনা গণ।
নিশ্চয় জানিলো মোৰ সম্পদ লক্ষণ॥
পুনৰপী সম্পাতিয়ে বুলিলা বচন।
অঙ্গদ সহিতে শুনা সব কপিগণ॥
ৰাম সেনা হোৱা যেবে গজিবেক পখি।
দুখ খাইবো সবাকে পৃথিবী হৈবা সাক্ষী।
এহি বুলি সম্পাতিয়ে আহিলেক লক্ষি।
সকল গাৱৰ তাৰ গজি আসে পাখি॥
পাখী দেখি সবাৰো হৰিষ কৰেমন।
জয় জয় শবদ কৰয় কপি গণ॥

আসিলন্ত সুপার্শ্বক আহাৰ পানীলই।
সেনাগণ দেখি বীৰ আকাশত ৰই॥
সেনাৰ মাজত দেখে পিতা আছে বসি।
পাখি গজিবাৰ দেখি আসিল উল্লসি॥
তোমাৰ পাখিক দেখি হৰিষ অপাৰ।
পৰম সন্তোষে আজ ভুঞ্জিও আহাৰ॥
মনতুষ্টে ভোজন কৰিলা পক্ষীৰাজ।
উৰাৱ কৰিলা দুয়ো আকাশৰ মাজ।
আকাশৰ উপৰে ফুৰন্ত নানা ভাৱে।
থানিকো প্ৰয়াস নাই বাপ তোৰ গাৱে॥
কতো বেলি ভ্ৰমিয়া আসিলা দুয়োজন।
বাপত পুছন্ত ইটো কৈৰ সেনা গণ।
সম্পাতি বোলন্ত পুত্ৰ শুনিয়ো বচন।
সীতা খুজি ফুৰন্ত ৰাঘৱ সেনা গণ॥
এসম্বাক দেখি মই কৰিলোঁহ সাক্ষী।
তেখনে গজিল মোৰ নবৰ কোটা পাখি।
অঙ্গদে মাতন্ত সম্পাতিৰ মুখ চাই।
ৰাম কাৰ্য্য হেলা আপোনাৰ কাৰ্য্য পাই।
আনিয়া সুপার্শ্বে জুড়িলন্ত যোড় হাতে।
ৰাম সেনা দেখি আসি নামিলেক মাথে॥

একবোল বলিবাক লাগে মোৰ ভৰ।
উৎকট দেখা যেবে তৰিবেক সাগৰ ॥
সাগৰ তৰিবেক কেহু নকৰিবা শঙ্কা।
পিঠিত ছাড়িয়ো সবাহাকে নিবোঁ লঙ্কা ॥
সুপাচ্ছৰ বাণী পাছে শুনি সেনাবল।
আমাক লঙ্কাক নিবে তোৰ আছে বল ॥
পুৰুষ বোলস হয় সবাকে নিতে পাৰ।
আমা মাজ্ঞ সাগৰত নিয়া ডুবাইয়া মাৰ ॥
শুনি সুপাচ্ছে বোলে মনে ক্রোধ কৰি।
সাক্ষ্যসত্যে বোলহু ৰামৰ পাৱে ধৰি ॥
তুমি যত সেনা আছা আৰ কোটী হোক।
সবাকে নিবাক পাৰোঁ পিঠিত উঠোক ॥
এহি বুলি পক্ষিয়ে পিঠিক পাতিদিল।
বৰ বৰ বীৰ গণ পিঠিত উঠিল ॥
আনো সব সেনাগণ লোমত ধৰিল।
সবাকো পিঠিত লই উবাৰ কৰিল ॥
সেনা লইয়া আকাশত ফুৰে লীলা কৰি।
সেনাগণে জয় সুমৰন্ত ৰাম হৰি ॥
হেন শুনি সুপাঞ্চে গৈ ভূমিত পৰিলা।
অঙ্গদক নমি বীৰে সেনাক নমিলা ॥
সেনা গণে বোলে সাধু সম্পাতি নন্দন।
তযু পৰাক্রমে আমি তুষ্ট ভৈলোঁ মন ॥

অঙ্গদে প্ৰমুখ্যে সবে পুছিলন্ত কাজ।
তোমাৰ কৌশলে সবে পাৰ ভৈলোঁ আজ।
বুলিলা যে সীতাক ৰাৱণে নিলা হৰি।
স্বৰূপ কি মিছা কহিয়োক দৃঢ় কৰি॥
এহি শুনি সম্পাতি শিখৰে চড়িলন্ত।
লঙ্কাৰ গড়ক লাগি মুণ্ড তুলিলন্ত॥
দেখন্ত লঙ্কাৰ মাজে অশোকা বনত।
আছন্ত গোসাণী সীতা শিংশপা মূলত॥
বেঢ়িয়া আছন্ত তৈতে ৰাক্ষসিণী গণে।
জানিলে সীতাক সুখে নেদিব ৰাৱণে॥
শিখৰৰ হন্তে নামিলন্ত তেতিক্ষণে।
সম্পাতিক দেখিয়া বেঢ়িলা সেনা গণে॥
সম্পাতি বোলন্ত শুনিয়োক সেনা গণ।
সত্য স্বৰূপ জানা আমাৰ বচন॥
দুর্জ্জন ৰাৱণে সীতা আনিলেক হৰি।
অশোকা বনক থৈয়া আছে বন্দি কৰি।
সকালে দেখিলোঁ আমি পৰ্ব্বতত বসি।
তৰু তলে বেঢ়ি আছে অনেক ৰাক্ষসী॥
আনন্তো সুবুলি মিছা তুমি উপকাৰী।
বিশেষতঃ শ্ৰীৰাম বংশৰ অধিকাৰী॥
আউৰ উপদেশ বোলোঁ শুনিও বচন।
পূবক উজাহো এক প্ৰহৰ গমণ॥

লঙ্কা লাগি সেহিসে সম্মুখ হৱে পথ ।
পাৰিবোহে এবে বাঁয়ৰ গুছাইতে কষ্ট ॥
এহি বুলি সবাহাক্কে আশ্বাস কৰিয়া ।
বায়ুত লড়িলা পাছে আকাশ ছানিয়া ॥
পাছে সেনা গণে সবে সবাহাতে কয় ।
সাধু সাধু পক্ষি যে সম্পাতি তনয় ॥
যোগাইল এবাৰ যাঠি হাজাৰ বৰিষ ।
দেখি আছোঁ হেন শক্তি যাৰ আসৰিষ ॥
পিঠিত ছড়িলোঁ আমি সবে হৃষ্ট পুষ্ট ।
আকাশে ফুৰিলা দেখি সবে ভৈলোঁ তুষ্ট ।
যত নৃপতিৰ সবে আসে সেনা গণ ।
বিৰ্মাৰিষ বলে সবে যাৰ যেন মন ॥
সম্পাতিৰ কথা সিটো লক্ষ্মণে কহন্ত ।
সীতাৰ বাৰ্ত্তাক নপাইলন্ত হনুমন্ত ॥
সম্পাতিৰ কথা যিটো মনে সাৰ নাই ।
শুনি সেনা গণে মাতে জাম্বুবানক চাই ॥
ধন্য জাম্বৱন্ত তুমি ধন্য বুদ্ধিৰ সাৰ ।
সবে ভাল দেখো আমি বচন তোমাৰ ॥
অঙ্গদে বোলন্ত সবে কাৰ্য্য আছোঁ পাই ।
বৃদ্ধৰ বচন মানে কৰিতে যুৱাই ॥
অঙ্গদ জাম্বুৱন্তৰ দুহানো বচন ।
শিৰত ধৰিয়া লৈলা সবে সেনা গণ ॥

এহি মানে কিষ্কিন্ধ্যা কাণ্ডৰ সমাপতি।
দ্বিজ ৰাজ মাধব কন্দলী নিগদতি ॥
শুনিলাহা সমাজিক ৰামৰ চৰিত্ৰ।
নানা ৰসে ৰসবন্ত পৰম বিচিত্ৰ ॥
আক শুনি হুয়ো সবে মনত সন্তোষ।
বঢ়াটুটা নলৈবাহা মোৰ যত দোষ ॥
বাল্মিকীৰ কৃত যত সংসাৰতে সাৰ।
ৰাম কথা শুনি হোৱা সংসাৰৰ পাৰ ॥
আপোনাৰ বুদ্ধি বলে যিমত বুজিলোঁ।
সংক্ষেপ কৰিয়া তাক পদে নিবান্ধিলোঁ ॥
সমস্ত ৰসক কোনে জানিবাক পাৰে।
পক্ষী সব উৰে যেন পথা অনুসাৰে ॥
কতো নিজ কতো লম্ভা কথা অনুসাৰে
সমাজ্যায়ে নিবন্ধয় লোক ব্যৱহাৰে ॥
কবিৰ কবিতা গুণ কবি এসে জানে।
প্ৰসবৰ দুখ যেন বন্ধ্যাই নজানে ॥
দেব বাণী নুহি ইটো ৰস ৰসে কথা।
এতেকে ইহাৰ দোষ নলৈবা সৰ্ব্বথা ॥
ৰামৰ চৰিত্ৰ বুলি তৰিয়ো সংসাৰ।
আলাস তেজিয়া ৰাম বোলা বাৰ বাৰ ॥

CURZON HALL LIBRARY